Content includes AI-generated material

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, MARCH 14, 2025 ■ শুকুৰবাৰ, ২৯ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৭৭ Guwahati, Assam ।। মূল্যঃ এটকা

**বৰষুণৰ মাজতো ৰাজ্যত ফাকুৱাৰ উছাহ**



বিতং বাতৰি ১২ পৃষ্ঠাত

# পঞ্চায়ত নিৰ্বাচনত প্ৰতিবাদৰ বাবে সাজু ৫৬৩২ কৰ্মচাৰী

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১৩ মাৰ্চঃ** পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে চাকৰি নিয়মীয়াকৰণ কৰিবলৈ শেষ সীমা বান্ধি দিলে প্ৰায় ৬ হাজাৰ কৰ্মচাৰীয়ে। পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে চাকৰি নিয়মীয়া নকৰিলে চৰকাৰ ভয়াৱহ আন্দোলনৰ সন্মুখীন হ'ব। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আন্দোলন কৰিবলৈ সাজু হৈছে জনস্বাস্থ্য কাৰিকৰী



**দুখে কুলাই-পাচিয়ে নধৰা হৈছে পানীযোগান আঁচনিৰ অস্থায়ী কৰ্মচাৰীৰ**

বিভাগৰ অস্থায়ী কৰ্মচাৰী পৰিষদ। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অস্থায়ী কৰ্মচাৰী পৰিষদৰ নেতা নৱজ্যোতি লাহনে ৫৬৩২ জন অস্থায়ী কৰ্মচাৰীৰ চাকৰি শেষাংশ ৭ পৃষ্ঠাত

## আচলতে মইনো কোন?

■ শোণিত কুমাৰ গোস্বামী

**শাণিত কলম**



**শেহতীয়া** অসম ৰাজিক বিধানসভাৰ বাজেট অধিৱেশনে সংবাদ মাধ্যমত অনেক মজাৰ ২ পৃষ্ঠাত

**মোদী চৰকাৰৰ হিন্দী আগ্ৰাসন নীতিৰ বিৰুদ্ধে আক্ৰমণাত্মক মুখ্যমন্ত্ৰী ষ্টেলিন**

# বাজেটত টকাৰ প্ৰতীক সলালে তামিলনাডুৰ চৰকাৰে

**টকাৰ প্ৰতীক প্ৰস্তুত কৰা তামিল উদয় কুমাৰে ক'লে, 'নো কমেণ্ট'**

**চেন্নাই, ১৩ মাৰ্চঃ** অব্যাহত থকা ভাষা যুদ্ধৰ মাজতে আন এক অভুতপূৰ্ব সিদ্ধান্ত গ্ৰহণ কৰিলে তামিলনাডু চৰকাৰে। এম কে ৭নং পৃষ্ঠাত চাওক

2025 LOGO

2025-26 தமிழ்நாடு நிதிநிலை அறிக்கை எல்லார்க்கும் எல்லாம்



খালে ঐ খালে, অশোকে গুৱাহাটীখন খালে, মন্ত্ৰী সিংঘালৰ বিৰুদ্ধে কংগ্ৰেছৰ প্ৰতিবাদ

**৪৭ লাখৰ ছুপাৰ ছাকাৰ ১ কোটি ২৮ লাখত ক্ৰয়**

# সিংঘলৰ কেলেংকাৰীৰ বিৰুদ্ধে কংগ্ৰেছৰ মহা প্ৰতিবাদ

**ই-সংবাদ, ১৩ মাৰ্চঃ** বিগত প্ৰায় ৮ বছৰ মন্ত্ৰী হৈ থাকি গুৱাহাটীৰ লগতে অসমৰ কিছু কিছু প্ৰান্তত অগাধ শেষাংশ ৫ পৃষ্ঠাত



**অশোক সিংঘাল মূৰ্দাবাদ ধ্বনিৰে উত্তাল গুৱাহাটী**

## বিশেষ ঘোষণা

'ফাকুৱা' উপলক্ষে কাইলৈ আমাৰ কাৰ্যালয় বন্ধ থাকিব। সেয়ে ১৫ মাৰ্চ সংখ্যাৰ 'ই-সংবাদ' প্ৰকাশ নাপায়।

## বিগত এটা বৰ্ষত বাংলাদেশ সীমান্তত উত্তেজনা বৃদ্ধি

**নতুন দিল্লী, ১৩ মাৰ্চঃ** ক্ৰমান্বয়ে উদ্বেগজনক হৈ পৰিছে ভাৰত- ৫ পৃষ্ঠাত

## আকৌ ন্যায়িক জিম্মালৈ মহবুবুল

**ই-সংবাদ, ১৩ মাৰ্চঃ** শ্ৰীভূমি কাৰাগাৰত থকা অৱস্থাতে ঢেকীয়াজুলি ১১ পৃষ্ঠাত

**মন্ত্ৰী জয়ন্তমল্লৰ স্বীকাৰ!**

## এদিনতে কৃত্ৰিম বানৰ পৰা সকাহ নাপায় ৰাইজে!

**ই-সংবাদ, ১৩ মাৰ্চঃ** গৃহ আৰু নগৰ পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী জয়ন্ত মল্ল ২ পৃষ্ঠাত

## পলিটেকনিকৰ প্ৰৱক্তাই পৰীক্ষাত বহিব লাগিবই!

**ই-সংবাদ, ১৩ মাৰ্চঃ** গৃহমন্ত্ৰী অমিত শ্বাহে তিনিদিনীয়া ভ্ৰমণসূচী লৈ অসমলৈ অহাৰ পূৰ্বেই আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কেইবাটাও শেষাংশ ৪ পৃষ্ঠাত

**ইছৰ'ৰ অন্য এক কৃতিত্ব**

## ভাৰতৰো হ'ব নিজা আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰ

**বেংগালুৰু, ১৩ মাৰ্চঃ** মহাকাশ গৱেষণাত ভাৰতৰ আন এক যুগান্তকাৰী সাফল্য! নিজাকৈ মহাকাশ কেন্দ্ৰ নিৰ্মাণৰ পথত এক বৃহৎ সাফল্য অৰ্জন ৪ পৃষ্ঠাত চাওক

## জ্ঞানেনৰ পক্ষ! নলবাৰীত অখিলৰ দলত খহনীয়া

**ই-সংবাদ, ১৩ মাৰ্চঃ** ৰাইজৰ দলৰ সভাপতি অখিল গগৈক সমালোচনা কৰি ৰোৱত পৰা জ্ঞানেন চক্ৰৱৰ্তী নামৰ নেতাজনক দলৰ পৰা ৩ পৃষ্ঠাত চাওক

# চাৰিদিনীয়াকৈ আৰম্ভ এবছুৰ অধিৱেশন

**ই-সংবাদ, কোকৰাঝাৰ, ১৩ মাৰ্চঃ** বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ পুণ্যভূমি কোকৰাঝাৰ জিলাৰ দোতমাৰ বড়োফা পথাৰত আজিৰে পৰা চাৰিদিনীয়া



**প্ৰথম দিনৰ প্ৰথম কাৰ্যসূচী মুখ্যদ্বাৰ উন্মোচন, প্ৰতিনিধি বৈঠক আৰম্ভ**

বৰ্ণিল কাৰ্যসূচীৰে আৰম্ভ হৈছে নিখিল বড়ো ছাত্ৰ সন্থা তথা এবছুৰ ৫৭ সংখ্যক কেন্দ্ৰীয় অধিৱেশন। এবছুৰ কেন্দ্ৰীয় ৩ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আচলতে মইনো কোন?

খোৱাক দিলে। বিধানসভাৰ মজিয়াত কোনবোৰ আইন বা নতুন নীতি প্ৰৱৰ্তন হৈছে সেইবোৰ কথাই গুৰুত্ব নাপালেও বিধানসভাৰ বাহিৰে-ভিতৰে হোৱা দৃশ্যবোৰ বৰ আমোদজনক হৈ পৰিছে। ৰাজ্যত মূলত কংগ্ৰেছ দলটো বিৰোধী হয় যদিও সংবাদ মাধ্যমে কেৱল ৰাইজৰ দল(?) নে নিৰ্দলীয় বিধায়ক বুলি কোৱা যায় বা যিয়েই নহওক, অখিল গগৈ নামৰ ব্যক্তিসত্বাক বিশেষ গুৰুত্ব দি চলি আহিছে। প্ৰতিদিনে ৰাজ্য চৰকাৰৰ প্ৰতিনিধি মন্ত্ৰীসকল বা স্বয়ং মুখ্যমন্ত্ৰীয়ে বক্তব্য আগবঢ়োৱাৰ সময়ত বিধি পথালি দি চৰকাৰৰ কামকাজত তুলাধুনা দিয়া ব্যক্তিগৰাকী দেৱব্ৰত শইকীয়া নহয়, সেয়া হৈছে একালৰ কৃষক মুক্তি সংগ্ৰামৰ জংগী আন্দোলনৰ নেতা মাননীয় অখিল গগৈ।

মন কৰিবলগীয়া কথা এয়াই যে চৰকাৰেও বিধায়ক অখিল গগৈক বিশেষ গুৰুত্ব দিয়া দেখা গৈছে। প্ৰতিটো কথাতেই অখিল গগৈৰ প্ৰশ্নবাণক ফেঁপেৰি পাতি ধৰা হৈছে। অখিল গগৈক চুপ কৰাবলৈ শাসকীয়া পক্ষৰ বিধায়ক-মন্ত্ৰী বা স্বয়ং মুখ্যমন্ত্ৰীয়ে অখিল গগৈৰ ব্যক্তিগত জীৱনকো জুকিয়াই চাইছে। গগৈৰ পত্নীয়ে কিদৰে চাকৰি পালে তাক লৈ সামাজিক মাধ্যমত চলা তঁয়া-ময়া ৰণৰ আৰম্ভণি পবিত্ৰ বিধানসভাৰ মজিয়াতে হৈছে। এই ৰণবোৰত সকলোতে মই কোন বা মই নামৰ উচ্চাৰণ বাৰে বাৰে হৈছে, মানে সকলোৱে কথাবোৰ ব্যক্তিগতভাৱে হৃদয়ংগম কৰি তৰ্ক-বিতৰ্ক কৰিছে।

এই পবিত্ৰ বিধানসভাৰ মজিয়াতে ৰাজ্য চৰকাৰৰ ঋণ লোৱা বিষয় উত্থাপিত হোৱাৰ পাছত সদনৰ মজিয়াত মানে সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে সদম্ভে কৈছে, মই ঋণ লৈছোঁ (মানে ৰাজ্য চৰকাৰে লৈছে), গতিকে মই ঋণ পৰিশোধ কৰিম। এই কথা উল্লেখ কৰি তেওঁ এগৰাকী ব্যৱসায়ীৰ (বাতৰি কাকত ছপা কৰা ব্যৱসায়ৰ সৈতে জড়িত পুঁজিপতি) নাম উল্লেখ কৰি কৈছে যে অমুকাই ২০১০ চনত ৰাজ্যসভাৰ বাবে প্ৰতিদ্বন্দিতা আগবঢ়াই যি শপতনামা দিছিল সেই অনুসৰি তেওঁৰ সম্পত্তিৰ পৰিমাণ আছিল ৬ কোটি আৰু তাৰে ৩ কোটিয়েই আছিল ঋণ। গতিকে এই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে যদি তেওঁ (ব্যৱসায়ীয়ে) ইমান ঋণ ল'ব পাৰে তেন্তে মই চৰকাৰৰ বাবে কিয় নোৱাৰিম? অৱশ্যে তেওঁ আত্মবিশ্বাসৰে এই কথাটোও কৈ আহিছে যে চৰকাৰে লোৱা ঋণবোৰ পৰিশোধ কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে ইয়াত অসম চৰকাৰৰ অভিভাৱক বুলি নিজক ৰাজহুৱা কৰিছে। সংবিধানৰ মতে ৰাজ্যপাল এগৰাকী ৰাজ্যত থাকে যদিও মুখ্যমন্ত্ৰী হৈছে সংসদীয় গণতন্ত্ৰৰ মূল ব্যক্তি, সেই অনুপাতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্য চৰকাৰ মানে তেওঁ নিজে বুলি সংবাদ মাধ্যমে লাইভ কৰি থকা অনুষ্ঠানৰ জৰিয়তে সকলোৰে আগত ব্যক্ত কৰিছে। তেওঁ দিয়া বাৰ্তা স্পষ্ট। অসমৰ অভিভাৱক তেওঁ মানে শ্ৰদ্ধাৰ ডঃ হিমন্ত বিশ্ব শৰ্মা। অসমৰ জনতাই কিজানি ইয়াকে স্বইচ্ছাই মানি লৈছে।

এনে প্ৰেক্ষাপটত বিৰোধী নিশ্চুপ হৈ থকা বা বিষয়টো সন্দৰ্ভত সংবাদ মাধ্যম একপক্ষীয় হোৱা কথাবোৰে এয়া স্পষ্ট কৰিছে যে বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰ আৰু এই দলৰ অঘোষিত সৰ্বকালৰ শ্ৰেষ্ঠ নেতা হিচাপে ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই নিজক চৰকাৰ বা চৰকাৰ মানে তেওঁ নিজে বুলি দাবী কৰিছে। মানে মইতেই আৰম্ভ আৰু মইতেই শেষ।

এনেবোৰৰ মাজতে আকৌ বিৰোধীৰ মাজত জিলিকি উঠিছে মই নামৰ আন এটা সত্বা। তেওঁৰ নাম হৈছে অখিল গগৈ। বিধানসভাৰ মজিয়াতেই হওক বা বিধানসভাৰ বাহিৰতেই হওক বিভিন্ন প্ৰসংগৰে চৰকাৰক ব্যতিব্যস্ত কৰি তোলা ব্যক্তিগৰাকীয়েই হৈছে অখিল গগৈ। তেওঁৰ ক্ষেত্ৰতো বিৰোধী মানে মই নামৰ উপাদানটো বিবেচনাৰ মজিয়ালৈ আহিছে। ইয়াৰ মাজতে আগন্তুক বিধানসভা নিৰ্বাচনৰ (২০২৬) দিশটোলৈ মন দি হিতাধিকাৰীৰে ভৰপূৰ ৰাজ্যখনত বিজেপি কিয় আকৌ শাসনলৈ ঘূৰি নাহিব সেই কথাটো মই নামৰ সত্বাটোৱে বিবেচনা কৰিব পৰা নাই? আৰু আপোনালোকে?

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এদিনতে কৃত্ৰিম বানৰ পৰা সকাহ

বৰুৱাই আজি গুৱাহাটী মহানগৰ উন্নয়নৰ বাবে গ্ৰহণ কৰিবলগীয়া কেইবাটাও বিষয়ক লৈ জনতা ভৱনত সংবাদমেল সম্বোধন কৰে। ৰাজ্যৰ ৰাজধানী গুৱাহাটী মহানগৰীৰ জ্বলন্ত সমস্যা কৃত্ৰিম বানপানী ৰোধৰ বাবে কেইবাটাও আঁচনি লোৱাৰ কথা উল্লেখ কৰে। ব্যাপক পৰিকল্পনাৰ কথা উল্লেখ কৰি মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কয় যে বান নিয়ন্ত্ৰণৰ বাবে এক এছঅ'পি প্ৰস্তুত কৰা হৈছে। গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগে বান সমস্যাৰ সৈতে মোকাবিলা কৰিবলৈ সুকীয়া পদ্ধতি অৱলম্বন কৰিছে। পাহাৰৰ খহনীয়াক কৃত্ৰিম বানৰ মুখ্য কাৰণ হিচাপে বৰ্ণনা কৰি জয়ন্ত মল্ল বৰুৱাই কয় যে জমা হোৱা মাটিয়ে নিষ্কাশন প্ৰণালী বন্ধ কৰি দিয়ে। ফলত পৰিস্থিতি অধিক অৱনতি ঘটে। এই সমস্যাৰ সমাধানৰ বাবে ইতিমধ্যে মুখ্য নলাবোৰৰ পৰা জমা হোৱা মাটিৰ জমা আঁতৰোৱা প্ৰক্ৰিয়া আৰম্ভ হৈছে। মাৰ্চৰ পূৰ্বে সম্পূৰ্ণ লক্ষ্য উপনীত হ'ব। নলা পৰিষ্কাৰ কৰাৰ বাবে চুপাৰ চাকাৰ ব্যৱহাৰ কৰি থকা হৈছে। পলম নকৰাকৈ উলিওৱা মাটি আঁতৰাবলৈ কঠোৰ আদেশ দিয়া হৈছে। উন্নত নিৰীক্ষণ নিশ্চিত কৰিবলৈ, বিভিন্ন মহানগৰ অঞ্চলত ২১ খন সমিতি গঠন কৰা হৈছে। প্ৰতিখন সমিতিয়ে বান ব্যৱস্থাপনা পোধৰ প্ৰচেষ্টাক সুশৃংখলিতভাৱে তত্বাৱধান কৰিব। মন্ত্ৰীগৰাকীয়ে কয় যে ডিচেম্বৰ মাহলৈ নলা পৰিস্কাৰ কৰি থকা হ'ব। এইবাৰ ডিচেম্বৰলৈ কাম কৰি থকাৰ নিবিদা হৈছে। পাহাৰৰ মাটি খহি আহে থাকে। এবাৰ কাম কৰিলে নহয়। গুৱাহাটীবাসীক বিশেষ আহ্বান জনাই মন্ত্ৰীগৰাকীয়ে কয় যে আমি এদিনতে কৃত্ৰিম বানপানীৰ পৰা গুৱাহাটীবাসী মুক্ত হ'ব নোৱাৰো। এক দীৰ্ঘম্যাদী পৰিকল্পনা লাগিব। সেই পৰিকল্পনা আৰম্ভ কৰিছো। জুৰিপাৰ, বেলতলা চাৰ্ভে, ৰিক্মিণীগাঁৱত বিভাগে কাম আৰম্ভ কৰিছে। সম্পূৰ্ণ চাৰ্ভে কৰি কাম কৰি থকা হৈছে। উচ্ছেদ অভিযানক লৈ চৰ্চাত থকা শিলসোঁকোৰ কথাও উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে শিলসাঁকোৰ কথা উল্লেখ কৰি কয় যে অতিৰিক্ত পানী বৈ আহে। শিলসাঁকোৰ জিঞ্জাৰ হোটেল ভাঙি পেলোৱা হ'ব। আনহাতে মন্ত্ৰীগৰাকীয়ে ১ জুলাইৰ পৰা গুৱাহাটী পৌৰ নিগমে পানী যোগান বন্ধ কৰি জল বৰ্ডে দায়িত্ব গ্ৰহণ কৰিব বুলি কয়। জল বৰ্ডৰ পাইপলাইন নেটৱৰ্কৰ চাৰ্ভে সম্পূৰ্ণ কৰা হৈছে। কিছুমান ক্ষেত্ৰত সংযোগৰ ব্যৱধান চিনাক্ত কৰা হৈছে। এই সমস্যাবোৰ সমাধান কৰিবলৈ প্ৰয়োজনীয় সংশোধন কৰা হ'ব। বৰ্তমান জিএমচিৰ পৰা পানী প্ৰাপ্ত কৰা আৱাসীসকলে জল বৰ্ড সংযোগলৈ সলনি কৰিব লাগিব। জুলাইৰ ভিতৰত সংযোগৰ বাবে আবেদন কৰাসকলক মাচুলৰ পৰা ৰেহাই দিয়া হ'ব। পৌৰ নিগমে ব্যয় সামৰি ল'ব। আজি মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই গুৱাহাটীৰ তিনিটা স্থানত জাবৰ নিষ্কাশনৰ নতুন প্ৰকল্পৰ কথা ঘোষণা কৰে। মেঘদূত চিনেমা হলৰ কাষত, শিলসাঁকো আৰু এটা পামহিত স্থাপনৰ ঘোষণা কৰি মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই তিনিমাহৰ ভিতৰত কাম আৰম্ভ হ'ব আৰু ৫ বছৰৰ ভিতৰত জাবৰ নিষ্কাশন প্ৰকল্পৰ কাম সমাপ্ত হ'ব বুলি কয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জ্ঞানেনৰ পক্ষ! নলবাৰীত অখিলৰ

অব্যাহতি দিয়াত নামনি অসমত ৰাইজৰ দলত ভয়ংকৰ খহনীয়া আৰম্ভ হৈছে। ৰাইজৰ দলৰ নলবাৰী জিলা সমিতিৰ নেতা জ্ঞানেন চক্ৰৱৰ্তীক দলৰ পৰা অব্যাহতি দিয়া কাৰ্যক অন্যায় বুলি অভিহিত কৰি আজি কেইবাজনো নলবাৰী জিলা সমিতিৰ কাৰ্যকৰ্তাই ৰাইজৰ দল ত্যাগৰ কথা ঘোষণা কৰে। উল্লেখ্য যে, ড০ হীৰেন গোহাঁই প্ৰসংগত সামাজিক মাধ্যমত অখিল গগৈক সমালোচনা কৰিছিল জ্ঞানেন চক্ৰৱৰ্তীয়ে। তাৰপিছত চক্ৰৱৰ্তীলৈ কাৰণ দৰ্শোৱা জাননী প্ৰেৰণ কৰি দলৰ দায়িত্বৰ পৰা অব্যাহতি দিয়া কাৰ্যৰ বিৰোধিতা কৰা আজি নলবাৰীৰ জিলা সমিতিয়ে সংবাদমেল সম্বোধন কৰি সমূহীয়া পদত্যাগ কৰে। নলবাৰী জিলাৰ সভাপতি, উপ-সভাপতি, সাধাৰণ সম্পাদকে একেলগে পদত্যাগ কৰে। নলবাৰী প্ৰেছ ক্লাবত সংবাদমেল পাতি নলবাৰীৰ ২৬ গৰাকী নেতাই ৰাইজৰ দলৰ পৰা পদত্যাগ কৰাৰ কথা ঘোষণা কৰে। পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে নলবাৰীত দলটোৰ ভেটি খহি পৰাত ৰাইজৰ দলৰ ভিতৰচ'ৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কেন্দ্ৰীয় সমিতিৰ অন্যায়ৰ বলি হোৱাৰ অভিযোগ উত্থাপন কৰি নলবাৰী জিলাৰ উপ-সভাপতি হেমন্ত শৰ্মা, সাধাৰণ সম্পাদক বিশ্বজিত চৌধুৰী, সম্পাদক বৰুণ তালুকদাৰ, ৰূপম দাস, তথ্য আৰু প্ৰচাৰ বিভাগৰ সম্পাদক ব্ৰজেন বৰ্মনসহ ২৬ গৰাকী নেতাই দলত্যাগ কৰে। ৰাইজৰ দলৰ নলবাৰী জিলা সভাপতি তথা দলটোৰ কেন্দ্ৰীয় মুখপাত্ৰ জ্ঞানেন চক্ৰৱৰ্তীয়ে দলৰ ভিতৰচৰাত গণতন্ত্ৰ নোহোৱা হৈ পৰা বুলি অভিযোগ আনি কয় যে এজন লোকৰ কথা মতেই এতিয়া দল চলে। সামাজিক মাধ্যমত কৰা এটি আহ্বানক লৈ দলীয় অনুশাসনৰ দোহাই দি ৰাইজৰ দলৰ জিলা সভাপতি তথা মুখপাত্ৰ জ্ঞানেন চক্ৰৱৰ্তীক দলীয় পদবীৰ পৰা অব্যাহতি দিছে। ৰাইজৰ দলত এতিয়া বহু নেতাৰ ভিৰ। সেয়েহে আমাৰ দৰে প্ৰতিষ্ঠাপক সৈনিকৰ প্ৰয়োজনবোধ কৰা নাই কেন্দ্ৰীয় বিষয়ববীয়াই। আমি যদি দলীয় অনুশাসন ভংগ কৰিছো, তেনেহ'লে বহু নেতা-কৰ্মীয়ে দলীয় অনুশাসন প্ৰতিনিয়ত ভংগ কৰি আহিছে। আমি সিদ্ধান্তৰ বিৰোধিতা কৰি কেন্দ্ৰীয় নেতৃত্বলৈ পত্ৰ প্ৰেৰণ কৰিছিলো। কিন্তু নেতৃত্বই গুৰুত্ব প্ৰদান নকৰাত পদত্যাগ কৰিবলৈ বাধ্য হৈছো বুলি আজি মন্তব্য কৰে নেতৃত্বই অব্যাহতি দিয়া জিলা সভাপতি জ্ঞানেন চক্ৰৱৰ্তীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চাৰিদিনীয়াকৈ আৰম্ভ এবছুৰ অধিৱেশন

অধিবেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচী হিচাপে অধিবেশনৰ মুখ্য প্ৰবেশদ্বাৰ উদ্বোধনেৰে অধিবেশনৰ  শুভাৰম্ভ কৰে গোসাইগাঁও বিধানসভা সমষ্টিৰ বিধায়ক জিৰণ বসুমতাৰীয়ে। ইয়াৰ পিছতে প্ৰদৰ্শনী আৰু গ্ৰন্থ মেলাৰ দ্বাৰ উদ্বোধন কৰে বিটিচিৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়ে। ইপিনে বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ নামেৰে নামাকৰণ কৰা অধিবেশনৰ মঞ্চ আৰু মুখ্য ৰভা উদ্বোধন কৰে ৰাজ্যৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই। একাদিক্ৰমে বীৰ চিলাগাং বসুমতাৰী সোঁৱৰণি প্ৰতিনিধি হল আৰু শিৱিৰ মুকলি কৰাৰ লগতে আবেলিৰ পৰা প্ৰতিনিধি আৰু অবজাৰ্ভাৰৰ পঞ্জীয়ন আৰম্ভ হয়। ইয়াৰোপৰি সন্ধিয়া ৬:০০ বজাত অধিবেশনথলীত শান্তি আৰু প্ৰগতিৰ বাবে বন্তি প্ৰজ্বলন কৰা হয়। আনহাতে কাইলৈ অধিবেশনৰ দ্বিতীয় দিন।দ্বিতীয় দিনৰ কাৰ্যসূচী অনুসৰি কাইলৈ ৰাতিপুৱা ৮:০০ বজাত এবছুৰ পতাকা উত্তোলন কৰিব এবছুৰ সভাপতি দ্বীপেন বড়োৱে। ইয়াৰ পিছত ৮:৩০ বজাত বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিব এবছুৰ প্ৰাক্তন সম্পাদক পৰমেশ্বৰ ব্ৰহ্মই। আনহাতে ৮:৪৫ বজাত বড়োলেণ্ড শ্বহীদলৈ শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিব এবছুৰ উপসভাপতি খৌৰৌমদাও ওৱাৰীয়ে। ইয়াৰ পিছতে ১০:৩০ বজাত সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব য'ত পদ্মশ্ৰী বঁটা প্ৰাপক ড° অনিল বড়ো, অসম গৌৰৱ বঁটাপ্ৰাপক বাৰলাংফা নাৰ্জাৰী, কেবাগৰাকী সাহিত্য অকাডেমীৰ বঁটাপ্ৰাপক, অসম অসামৰিক সেৱাত সফলতা লাভ কৰা ১৪ গৰাকী বড়ো সন্তানক, বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা দেখুওৱা ছাত্ৰ-ছাত্ৰী, শিক্ষক আদিক সম্বৰ্ধনা জনোৱা হ'ব। ইয়াৰোপৰি কাৰ্যসূচী অনুসৰি কাইলৈ অৰ্থাৎ ১৪ মাৰ্চত ১১:৩০ বজাৰ পৰা আৰম্ভ হ'ব শিক্ষা আৰু যুৱ সমাৰোহ। এবছুৰ সভাপতি দ্বীপেন বড়োৰ অধ্যক্ষতাত অনুষ্ঠিত হ'বলগীয়া উক্ত সমাৰোহ বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে উদ্বোধন কৰিব আৰু উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ লব কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে। উক্ত অনুষ্ঠানত ৰাজ্যৰ শিক্ষামন্ত্ৰী ৰণোজ পেগু, শ্বিলংৰ মহাকাশ আৰু বতৰ বিজ্ঞান বিভাগৰ মূৰব্বী ড° শ্যাম এছ কাণ্ডু, চিবিপিঅ', ইছৰো, বেংগালুৰুৰ প্ৰাক্তন সঞ্চালক ড০ সুধীৰ কুমাৰ আদিকে ধৰি বহু বিশিষ্টই অংশগ্ৰহণ কৰিব আৰু অনুষ্ঠানটিত ২০ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব বুলি সদৰি কৰিছে আয়োজক সমিতিৰ অধ্যক্ষ তথা বিধায়ক লৰেন্স ইছলাৰীয়ে। ইপিনে অধিবেশনখনি চালে চকুৰোৱা কৰি তুলিবলৈ আয়োজক সমিতিয়ে অহোপুৰুষাৰ্থ প্ৰচেষ্টা অব্যাহত ৰাখিছে। অধিবেশনথলীত মহাকাশ আৰু বিজ্ঞান প্ৰদৰ্শনী, গ্ৰন্থমেলা, বিভিন্ন বিভাগীয় প্ৰদৰ্শনী আদিৰ ব্যৱস্থা কৰিছে। তদুপৰি কাইলৈ ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ ভ্ৰাম্যমাণ প্ৰদৰ্শনী "স্পেচ অন হুইলছ " অধিবেশনথলীত উপস্থিত হ'ব আৰু দৰ্শকে এখন বাচৰ ভিতৰতে দেশৰ মহাকাশ বিজ্ঞানৰ সাফল্যসমূহ প্ৰত্যক্ষ কৰিব পাৰিব। আনহাতে আয়োজক সমিতিয়ে অধিবেশনথলীতে পৰম্পৰাগত "বড়ো বাসগৃহ" সাজি উলিয়াইছে। মাটি আৰু খেৰেৰে সাজি উলিওৱা সম্পূৰ্ণ বাসগৃহত ভঁৰালঘৰ , তাঁতশাল , পাকঘৰ , শয়নঘৰ , গোহালি ঘৰ, কুৰা আদি নিৰ্মান কৰিছে। তদুপৰি চোতালতে বাথৌ মন্দিৰ, ধানখেৰৰ পুজি, জপনা নিৰ্মানবকৰি গাঁৱত বড়োসকলে যেনেদৰে বসবাস কৰি তাৰ সম্পূৰ্ণ আভাস দিয়া হৈছে। অধিবেশনথলীত বাঁহৰ ধাৰীৰ ওপৰত এবছুৰ প্ৰাক্তন সভাপতি, সম্পাদকসকলৰ তৈলচিত্ৰ অংকন কৰি সজাই থোৱা হৈছে। তদুপৰি অধিৱেশনথলীত কেবাখনো আটকধুনীয়া তোৰণ নিৰ্মান কৰা হৈছে । ইয়াৰোপৰি বিভিন্ন দল সংগঠনে ঠায়ে ঠায়ে আদৰণি তোৰণ নিৰ্মান কৰি এবছুৰ অধিবেশনলৈ আদৰণি জনাইছে। অধিৱেশনত আজিৰে পৰা বহু লোকৰ সমাগম ঘটিছে আৰু অধিবেশনৰ অন্তিমদিনা অৰ্থাৎ ১৬ মাৰ্চৰ মুকলি সভাত কমেও দুইলাখ লোকৰ সমাগম ঘটিব বুলি ধাৰণা কৰা হৈছে। অধিৱেশনৰ অন্তিম দিনৰ মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। ইতিমধ্যে গৃহমন্ত্ৰীগৰাকীৰ আগমনক কেন্দ্ৰ কৰি বড়োফা পথাৰত দুটাকৈ অস্থায়ী হেলিপেড নিৰ্মাণ কৰাৰ লগতে হেলিপেডৰ পৰা পোনে পোনে মঞ্চলৈ যাবলৈ চি চি ব্লকৰ পথ নিৰ্মাণ কৰা হৈছে। উক্ত মুকলি সভাত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ সৈতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাও উপস্থিত থাকিব। উল্লেখ্য যে এবছুৰ অধিবেশনত আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, ৰাজ্যৰ প্ৰায় সকলো ছাত্ৰ সংগঠনৰ সভাপতি, সম্পাদক, বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মা, বড়ো সাহিত্য সভাৰ সভাপতি ড° সুৰথ নাৰ্জাৰী, ৰাজ্যসভাৰ সাংসদ ৰৌণগৌৰা নাৰ্জাৰী , লোকসভাৰ সাংসদ ক্ৰমে দিলীপ শইকীয়া, জয়ন্ত বসুমতাৰী, মন্ত্ৰী ক্ৰমে অতুল বৰা, অশোক সিংহল, কাৰ্বিআংলং স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাং, বড়ো -কছাৰী কল্যাণ স্বায়ত্বশাসিত পৰিষদৰ মুখ্য পাৰিষদ মিহিনেশ্বৰ বসুমতাৰী আদিকে ধৰি বহু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব। এবছুৰ এই অধিৱেশনক কেন্দ্ৰ কৰি কোকৰাঝাৰ জিলাৰ দোতমাৰ বড়োফা পথাৰত উদুলি মুদুলি পৰিৱেশৰ সৃষ্টি হৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰতৰো হ'ব নিজা আন্তঃৰাষ্ট্ৰীয়

কৰিবলৈ সক্ষম হ'ল ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই। বুধবাৰে ইছৰ'ৱে ঘোষণা কৰে যে স্পেডেক্স অভিযানত দুটা উপগ্ৰহৰ সফল আনডকিং সম্পূৰ্ণ হৈছে। ফলত ভৱিষ্যতে পৃথিৱীৰ পৰা কোনো নিয়ন্ত্ৰণ নোহোৱাকৈ মহাকাশযানে নিজকে 'ডক' আৰু 'আনডক' কৰিবলৈ সক্ষম হ'ব। বিশেষজ্ঞসকলৰ মতে এই প্ৰযুক্তিয়ে ভাৰতৰ গগনযান আৰু চন্দ্ৰযান-৪ৰ দৰে অভিযানত এক বৈপ্লৱিক পৰিৱৰ্তন আনিব। উল্লেখ্য যে, ১৬ জানুৱাৰীত ইছৰ'ই মহাকাশত প্ৰথমবাৰৰ বাবে মহাকাশ ডকিং সফলতাৰে সম্পন্ন কৰিছিল, য'ত 'এছডিএক্স-১' আৰু 'এছডিএক্স-২' উপগ্ৰহ একেলগে ডক কৰা হৈছিল। এতিয়া কোনো মেনুৱেল নিয়ন্ত্ৰণ নোহোৱাকৈ স্বয়ংক্ৰিয়ভাৱে আনডক কৰাটোও সম্ভৱ হৈছে। ইছৰ'ৰ বিবৃতি অনুসৰি পৰিকল্পনা অনুসৰি 'এছডিএক্স-২'ৰ কেপচাৰ লিভাৰ মুকলি কৰা হয়, তাৰ পিছত উপগ্ৰহ দুটা সম্পূৰ্ণৰূপে পৃথক হৈ পৰে। ইয়াৰ ফলত ভৱিষ্যতৰ মহাকাশ যানসমূহে স্বয়ংক্ৰিয়ভাৱে নিজকে সংযুক্ত আৰু বিচ্ছিন্ন কৰিব পাৰিব, যিটো আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰ নিৰ্মাণৰ বাবে অতি গুৰুত্বপূৰ্ণ। এই সফলতাৰ পিছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইছৰ'ক অভিনন্দন জনায়। কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী জিতেন্দ্ৰ সিঙে কয় যে স্পেচএক্স অভিযানৰ সফল আনডকিঙৰ ফলত ভাৰতৰ মহাকাশ অন্বেষণৰ ভৱিষ্যত নিৰ্ণয় হ'ব। আমাৰ নিজা মহাকাশ কেন্দ্ৰ নিৰ্মাণৰ পথত এয়া এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি। মন কৰিবলগীয়া যে, এই উপগ্ৰহ দুটা পিএছএলভি-চি৬০ ৰকেটৰ দ্বাৰা শ্ৰীহৰিকোটাৰ পৰা ৩০ ডিচেম্বৰত মহাকাশলৈ প্ৰেৰণ কৰা হৈছিল। সেই সময়ত ইছৰ'ৰ মুৰব্বী জয়কুমাৰে কৈছিল যে ২০৩৫ চনৰ ভিতৰত ভাৰতে নিজাকৈ মহাকাশ কেন্দ্ৰ স্থাপন কৰিব। আজিৰ আনডকিঙে ভাৰতক সেই লক্ষ্যৰ এখোজ ওচৰলৈ লৈ গ'ল। মহাকাশ গৱেষণাৰ ক্ষেত্ৰত বিশ্ব মঞ্চত ভাৰতৰ শক্তিশালী স্থিতি আৰু অধিক শক্তিশালী কৰিছে ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই!

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পলিটেকনিৰ প্ৰৱক্তাই পৰীক্ষাত বহিব

অভিলাষী আঁচনিৰ ধন আদায় দিয়াৰ ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জনতা ভৱনত সংবাদমেল সম্বোধন কৰি চৰকাৰী আঁচনি, নিযুক্তি আৰু অমিত শ্বাহৰ ভ্ৰমণক লৈ তথ্য প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অসমৰ বাবে ৩ লাখ ৮০ হাজাৰ নতুন ঘৰ প্ৰদানৰ ঘোষণা কৰিছে। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত কেন্দ্ৰীয় চৰকাৰে অসমৰ বাবে ৩.৮০ লাখ নতুন ঘৰ আৱন্টন দিছে। গৃহ নিৰ্মাণৰ বাবে প্ৰথম কিস্তি পলাশবাৰীত কেন্দ্ৰীয় অনুষ্ঠানৰ পৰা ১৯ মাৰ্চত বিতৰণ কৰা হ'ব। এতিয়ালৈকে আঁচনিৰ দ্বাৰা অসমৰ ২২ লাখ পৰিয়াল উপকৃত হৈছে। অৱশ্যে, মুখ্যমন্ত্ৰীয়ে স্বীকাৰ কয় যে বহু পৰিয়ালে এতিয়াও গৃহ পোৱা নাই। ইয়াৰ সমাধানৰ বাবে অসম চৰকাৰে কেন্দ্ৰক আন এক পৰ্যায়ৰ জিঅ' টেগিংৰ বাবে আহ্বান জনাইছে। এইবাৰ জিঅ' টেগিঙৰ নতুন প্ৰণালী আৰম্ভ কৰা হ'ব। য'ত 'জীৱিকা সখি' স্ব-সহায়ক গোটৰ সহায়ত প্ৰক্ৰিয়া পৰিচালনা কৰা হ'ব। জিঅ' টেগিং কেৱল নিকটতম গাঁৱৰ 'জীৱিকা সখি'ৰ দ্বাৰা কৰা হ'ব। পৰিয়ালবোৰে তেওঁলোকৰ নিজৰ ঘৰবোৰ জিঅ'-টেগ কৰিব পৰাৰ ব্যৱস্থাও থাকিব। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা চূড়ান্ত ভূ-টেগিং পৰীক্ষা কৰা হ'ব। তাৰ পিছত গ্ৰামসভা আৰু খণ্ড-স্তৰীয় সমিতিৰ অনুমোদন প্ৰদান কৰা হ'ব। জিলা পৰ্যায়ত, অভিভাৱক মন্ত্ৰীৰ অধ্যক্ষতাত এখন সমিতিয়ে ভাৰত চৰকাৰৰ ওচৰত দাখিল কৰাৰ আগতে তালিকাখন পৰ্যালোচনা কৰিব। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধান সচিব জন এক্কাই 'আৱাস পৰ্টেল' আৰু 'আৱাস প্লাছ' পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। জিঅ'-টেগিং ১৭ মাৰ্চৰ পৰা ৩১ মাৰ্চৰ ভিতৰত পৰিচালিত হ'ব। আৰু সকলো প্ৰয়োজনীয় বিৱৰণ বিজ্ঞাপনৰ জৰিয়তে প্ৰচাৰ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে আজি ৰাজ্যিক বাজেটত ঘোষণা কৰা মহিলা উদ্যমিতা আঁচনিৰ বিষয়েও উল্লেখ কৰে। মহিলা উদ্যোগীসকলৰ বাবে গোট-আধাৰিত ঋণ প্ৰদান কৰাত গুৰুত্ব মুখ্যমন্ত্ৰীয়ে কয় যে মহিলাসকলে ঋণৰ বাবে যোগ্য হ'বলৈ ১০ জন সদস্যৰ এটা গোট গঠন কৰিব লাগিব। প্ৰথম পৰ্যায়ত প্ৰতিগৰাকী মহিলাই ১০ হাজাৰ ঋণ পাব। তাৰ পিছত দ্বিতীয় পৰ্যায়ত ২৫ হাজাৰ টকা ঋণ পাব। চৰকাৰে ঋণৰ পৰিমাণৰ ৫০ শতাংশ সামৰি ল'ব। আনহাতে বেংকে বাকী ৫০ শতাংশ প্ৰদান কৰিব। তৃতীয় বছৰলৈ, ঋণৰ পৰিমাণ ৫০ হাজাৰলৈ লৈ বৃদ্ধি কৰিব চৰকাৰে। অৱশ্যে, এই আঁচনিখন তিনিটাতকৈ অধিক সন্তান থকা মহিলাৰ বাবে উপলব্ধ নহয়। অসমত স্ব-সহায়ক গোটৰ অধীনত ৩৬ লাখ মহিলা আছে। যাৰ ভিতৰত ২৯ লাখৰ তিনি বা তাতকৈ কম সন্তান আছে। কিন্তু চাৰিটালৈকে সন্তান থাকিলেও এছটি, এছচি, মৰাণ, মটক আৰু চাহ জনজাতিৰ মহিলাসকলে মহিলা উদ্যমিতা আঁচনি লাভ কৰিব। সম্পূৰ্ণ প্ৰমাণীকৰণৰ পিছত ২৬-২৭ লাখ মহিলা বাছনি কৰা হ'ব। চূড়ান্ত তালিকা ৩১ মাৰ্চৰ ভিতৰত সাজু হ'ব। আঁচনিখনত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ চৰকাৰী কৰ্মচাৰীৰ পত্নীসকলেও লাভ কৰিব। ১ এপ্ৰিলত বিহালী বিধানসভা সমষ্টিত ১০ হাজাৰ প্ৰথম কিস্তি বিতৰণ কৰা হ'ব। য'ত ইতিমধ্যে ২৩ হাজাৰ মহিলা বাছনি কৰা হৈছে। চৰকাৰে প্ৰতি মাহে ১০-১৫টা সমষ্টিত হিতাধিকাৰীসকলক পুঁজি বিতৰণ কৰাৰ পৰিকল্পনা কৰিছে। প্ৰতিগৰাকী নিৰ্বাচিত মহিলাই চেকৰ জৰিয়তে ঋণ প্ৰাপ্ত কৰিব। হিতাধিকাৰীসকলে তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীও সম্পন্ন কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে এই উদ্যোগটোক অৰুণোদয় পিছত অসমৰ সৰ্ববৃহৎ মহিলা সশক্তিকৰণ আঁচনি বুলি অভিহিত কৰে। চচলত প্ৰতিবাদনৰ মাজতে ১৪৭গৰাকী পলিটেকনিক প্ৰৱক্তাক চাকৰিৰ পৰা অব্যাহত দিয়া বিষয়টোত মুখ্যমন্ত্ৰীয়ে প্ৰতিক্ৰিয়া ব্যক্ত কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ২০১৭ চনত নিযুক্তি প্ৰাপ্ত ৩৭০ জন অংশকালীন প্ৰৱক্তাৰ ভিতৰত ৬৭ জনে ইতিমধ্যে পদত্যাগ কৰিছে। কিছুমান প্ৰভাৱিত শিক্ষকে গুৱাহাটী উচ্চ ন্যায়ালয়ত আবেদন কৰিছিল। কিন্তু আদালতে ৰায় দিছিল যে ঠিকাভিত্তিক চাকৰি নিয়মীয়া কৰিব নোৱাৰি। মুখ্যমন্ত্ৰীয়ে অৱশ্যে আশ্বাস দিয়ে যে বয়সৰ চৰ্তত কিছু শিথিলতা থাকিব। কিয়নো ৰাজ্য চৰকাৰে তিনিখন নতুন পলিটেকনিক প্ৰতিষ্ঠান স্থাপন কৰিবলৈ সাজু হৈছে। অৱশ্যে, স্থায়ী নিযুক্তি সুৰক্ষিত কৰিবলৈ প্ৰাৰ্থীসকলে পৰীক্ষাৰ জৰিয়তে যোগ্যতা অৰ্জন কৰিব লাগিব। একেখন সংবাদমেলত মুখ্যমন্ত্ৰীয়ে আজি কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণক লৈ কিছু তথ্য জাৰি কৰে। ১৪ মাৰ্চৰ নিশা শ্বাহে যোৰহাটত উপস্থিত হৈ দেৰগাঁৱৰ লাচিত বৰফুকন আৰক্ষী একাডেমীত নৈশযাপন কৰিব শ্বাহে। ১৫ মাৰ্চৰ পুৱা ১১ বজাত একাডেমীৰ নৱনিৰ্মিত ভৱন উদ্বোধন কৰিব। উদ্বোধনৰ পিছতে শ্বাহে মিজোৰামলৈ ৰাওনা হ'ব। য'ত অসম ৰাইফলছৰ মুখ্য কাৰ্যালয় আইজলৰ পৰা স্থানান্তৰৰ কাৰ্যসূচীত অংশ ল'ব। ১৫ মাৰ নিশা গুৱাহাটীৰ কইনাধাৰালৈ উভতি আহিব। ১৬ মাৰ্চৰ পুৱা কোকৰাঝাৰৰ দোতমাৰ এবছুৰ অধিৱেশনত অংশগ্ৰহণ কৰিব। ১৬ মাৰ্চৰ সন্ধিয়া শ্বাহে ৰেডিচন ব্লু হোটেলত এখন বৈঠকৰ বাবে গুৱাহাটীলৈ উভতি আহিব। উত্তৰ-পূৱৰ ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলক সাক্ষাৎ কৰিব। বৈঠকত উত্তৰ-পূৱত ভাৰতীয় ন্যায় সংহিতা ৰূপায়ণক লৈ আলোচনা কৰা হ'ব। ১৬ মাৰ্চৰ নিশা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে পুনৰ নতুন দিল্লীলৈ উভতি যাব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিগত এটা বৰ্ষত বাংলাদেশ সীমান্তত

বাংলাদেশ সীমান্তত অনুপ্ৰৱেশৰ ঘটনা। যোৱা ১৩ মাহত সীমান্তয়েদি অবৈধভাৱে প্ৰৱেশ কৰাৰ অপৰাধত ২৬০০ৰো অধিক বাংলাদেশী নাগৰিকক গ্ৰেপ্তাৰ কৰা হৈছে। কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়ে বুধবাৰে লোকসভাত এই পৰিসংখ্যা দাখিল কৰি কয় যে অবৈধ অনুপ্ৰৱেশ নিয়ন্ত্ৰণৰ বাবে সীমান্তত চোৰাংচোৰাগিৰি কটকটীয়া কৰা হৈছে। পৰিসংখ্যা অনুসৰি যোৱা বছৰৰ অক্টোবৰ মাহত সৰ্বাধিক অনুপ্ৰৱেশৰ কাণ্ড ধৰা পৰিছে। সেই এমাহত ৩৩১ জন বাংলাদেশী নাগৰিকক বিএছএফে গ্ৰেপ্তাৰ কৰিছিল। আনহাতে, ২০২৪ চনৰ জানুৱাৰী মাহত ১৭৬ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছিল। বিশেষজ্ঞসকলৰ মতে, বাংলাদেশৰ ৰাজনৈতিক অশান্তিৰ বাবে যোৱা আগষ্ট মাহত অনুপ্ৰৱেশৰ হাৰ কিছু হ্ৰাস পাইছিল যদিও পিছত পুনৰ বৃদ্ধি পাইছে। কেৱল অনুপ্ৰৱেশেই নহয়, সীমান্ত পাৰ হৈ অব্যাহত থকা অবৈধ চোৰাং ব্যৱসায়ো মূৰৰ কামোৰণিত পৰিণত হৈছে। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ তথ্য অনুসৰি ২০২৪ চনত ভাৰত-বাংলাদেশ সীমান্তৰ পৰা ৪৬১ কোটি টকাৰ অবৈধ সামগ্ৰী জব্দ কৰা হৈছিল, যিটো যোৱা বছৰৰ তুলনাত ৬.৭ শতাংশ বেছি। বিগত ১০ বছৰত বিএছএফে এই সীমান্তৰ পৰা মুঠ ২৮০৬ কোটি টকাৰ অবৈধ সামগ্ৰী উদ্ধাৰ কৰিছে। সীমান্তত নিৰাপত্তা আৰু অধিক কটকটীয়া কৰাৰ বাবে বিশেষ প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। নিশাও সন্দেহজনক গতিবিধিৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ বিভিন্ন গুৰুত্বপূৰ্ণ স্থানত নাইট ভিজন কেমেৰা স্থাপন কৰা হৈছে। ইয়াৰ উপৰিও বাংলাদেশ সীমান্তৰক্ষী বাহিনী (বিজিবি)ৰ সৈতেও সমন্বয়ত কাম কৰি আছে বিএছএফে। প্ৰসংগক্ৰমে যোৱা আগষ্ট মাহত বাংলাদেশত শ্বেখ হাছিনাৰ বিৰুদ্ধে চৰকাৰ বিৰোধী আন্দোলন তীব্ৰতৰ হৈ পৰে। অস্থিৰ ৰাজনৈতিক পৰিস্থিতিৰ সুযোগ লৈ বহু লোকে সীমান্ত পাৰ হৈ ভাৰতত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰে। সেইবাবেই বিএছএফে ভাৰতৰ সীমান্তত চোৰাংচোৰাগিৰি কটকটীয়া কৰিছে, আৰু কিছু ঠাইত নতুন কাঁইটীয়া তাঁৰ লগোৱা হৈছে। ভাৰত চৰকাৰে এইবাৰ অতিৰিক্ত আধুনিক প্ৰযুক্তিৰে চোৰাংচোৰাগিৰি বৃদ্ধি কৰি নিৰাপত্তা আৰু অধিক শক্তিশালী কৰাৰ পৰিকল্পনা কৰা বুলি মন্তব্য কৰে কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সিংঘলৰ কেলেংকাৰীৰ বিৰুদ্ধে

সম্পত্তি গোটাইছে বিজেপি নেতা তথা মন্ত্ৰী অশোক সিংঘলে। একালৰ ধূপ-কাঠিৰ ব্যৱসায়ী আৰু কংগ্ৰেছ চৰকাৰৰ দিনত হকে-বিহকে সংবাদমেল পাতি অভিযোগ উত্থাপন কৰি নেতা হোৱা অশোক সিংঘল আজি কেইবা হাজাৰ টকাৰ সম্পত্তিৰ মালিক। তৰুণ গগৈৰ চৰকাৰৰ কাৰ্যকালত জন জাগৃতি নামৰ সংস্থা চলাই ব্ৰহ্মপুত্ৰৰ ওপৰত চীনে বৃহৎ বান্ধ দিয়াৰ অভিযোগ আনি সংবাদমেল পাতিছিল। ধূপৰ ব্যৱসায়ী অশোক সিংহলে প্ৰথমবাৰ নিৰ্বাচন খেলোতে মাথো ২৪ হাজাৰ টকা আৰু এখন স্কুণ্ডাৰ বাইক আছিল। সেই অশোক সিংঘল আজি বিল্ডাৰ। চাহ কোম্পানীৰ মালিক। কোটি কোটি টকাৰ মালিক। গুৱাহাটীত অলিয়ে-গলিয়ে ধন-সম্পত্তি গোটাইছে। গুৱাহাটীত বিল্ডিং নিৰ্মাণ কৰি বিক্ৰী কৰি গৈছে। এইগৰাকী অনা-অসমীয়া সিংঘলে কেনেকৈ ইমান ধন সম্পত্তিৰ মালিক হ'ল সেই কথা মানুহে এইবাৰ ভালকৈ গম পাইছে অসমৰ ৰাইজে। গুৱাহাটীৰ নলা-নৰ্দমা পৰিস্কাৰ নামত তদানীন্তন গুৱাহাটী উন্নয়ন দপ্তৰৰ মন্ত্ৰী অশোক সিংঘলে বিয়গোম কেলেংকাৰী সংঘটিত কৰিছিল। গুৱাহাটী উন্নয়ন দপ্তৰৰ মন্ত্ৰী হৈ থকাকালত অশোক সিংহলে ৰাজকোষৰ ধন গোগ্ৰাসে গিলিছিল। গুৱাহাটী পৰিস্কাৰৰ নামত ১৯ কোটি টকাৰ লুণ্ঠন কৰিছিল মন্ত্ৰী অশোক সিংঘল বাহিনীয়ে। একেই কোম্পানী, একেই মডেল, একেই গাড়ী সাধাৰণ লোকে কিনিবলৈ গ'লে ৪৭ লাখ ২০ হাজাৰ টকাত পায়। কিন্তু গুৱাহাটী মেট্ৰপলিটান ডেভেলপমেণ্ট অথৰিটিয়ে মন্ত্ৰী অশোক সিংঘলৰ ঘনিষ্ঠৰ পৰা একোখন চুপাৰ চাকাৰ ১ কোটি ২৮ লাখকৈ টকাত ক্ৰয় কৰিছিল। গুৱাহাটী উন্নয়ন নিগমত বৃহৎ কেলেংকাৰীৰ পোহৰলৈ আনিছিল আৰটিআই কৰ্মী দীলিপ নাথে। গুৱাহাটী মহানগৰ উন্নয়নৰ দপ্তৰৰ মন্ত্ৰী হৈ থকাকালত মন্ত্ৰী অশোক সিংঘলে সংঘটিত কৰা ১৮ কোটি ৩০ লাখ ১৮ হাজাৰ টকাৰ কেলেংকাৰী সংঘটিত কৰাৰ অভিযোগে অসমৰ ৰাজনীতি গৰম কৰিছে। ৰাজ্যৰ শাসকীয় দল বিজেপিয়ে দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীল হোৱাৰ কথা কয়। কিন্তু বিজেপি চৰকাৰৰ তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকালত এইজন সিংঘলে ১৯ কোটি টকা লুণ্ঠন কৰাৰ তথ্য পোহৰলৈ অহাত বিপোধী জাঙুৰ খাই উঠিছে। মুখ্য বিৰোধী দল কংগ্ৰেছে কেইবা দিন ধৰি বিজেপি দলৰ এই দুৰ্নীতিক লৈ তীব্ৰ আক্ৰমণ কৰি গৈছে যদিও আজি ৰাজপথলৈ ওলাই আহে। আজি অসম প্ৰদেশ কংগ্ৰেছ আৰু কামৰূপ জিলা কংগ্ৰেছৰ কেইবা শতাধিক নেতা-কৰ্মীয়ে গুৱাহাটী মেট্ৰ'পলিটান ডেভেলপমেণ্ট অথৰিটিৰ কাৰ্যালয় ঘেৰাও কৰে। কেইবা শতাধিক কংগ্ৰেছ নেতা-কৰ্মীয়ে গুৱাহাটীৰ ভঙাগড়স্থিত জিএমডিৰ কাৰ্যালয়ত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি চুপাৰ চাকাৰ কেলেংকাৰীৰ তদন্ত দাবী কৰে। আজি কেইবা শতাধিক কংগ্ৰেছ নেতা-কৰ্মীয়ে হাতে হাতে বেনাৰ পোষ্টাৰ লৈ প্ৰতিবাদ সাব্যস্ত কৰে। কংগ্ৰেছৰ প্ৰতিবাদক বাধা দিবলৈ গুৱাহাটী আৰক্ষীয়ে পূৰ্বৰ পৰা বৃহৎ সংখ্যক নিৰাপত্তাৰক্ষী নিয়োগ কৰিছিল যদিও বাধা দিয়াত বিফল হয়। কংগ্ৰেছ নেতা-কৰ্মীয়ে জিএমডিৰ কাৰ্যালয়ৰ সন্মুখত বিভিন্ন শ্ল'গান দি উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। ব্ৰকাৰ অশোক সিংঘলক গ্ৰেপ্তাৰ কৰক, অশোক-হিমন্ত ভাই ভাই, ৰাইজৰ টকা লুটি-পুতি খায়, অশোকেৰে মিলি হিমন্ত বিশ্বই জিএমচিৰ পইছা খায়, অশোক সিংঘালে কিমান গোটে গোটে গিলিলে? ৪৭ লাখৰ ছাকাৰ, কিনিলে ডেৰকোটিত, অশোক সিংঘাল হ'ল ব্ৰ'কাৰ, লুটিলে ঐ লুটিলে অশোকে লুটিলে, খালে ঐ খালে, অশোকে গুৱাহাটীখন খালে আদি শ্ল'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। হিমন্ত বিশ্বৰ দিনত অশোক সিংঘলে কিমান টকা লুটিলে তাৰ হিচাপে বিচাৰে কংগ্ৰেছী প্ৰতিবাদকাৰীয়ে। কেৱল অশোক সিংঘলৰ লগতে আন চৰকাৰী বিষয়াসকল কেলেংকাৰীত জড়িত বুলি দাবী কৰি তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ আক্ৰমণ কৰি কয় যে হিমন্ত বিশ্ব শৰ্মা চৰকাৰে অসমৰ জনসাধাৰণক শোষণ কৰি আছে। আমি মুখ্যমন্ত্ৰীক আজি চচল ভ্ৰমণ কৰিবলৈ আৰু কান্দি থকা শিক্ষিত যুৱক-যুৱতীসকলৰ দুৰ্দশাৰ পৰা ৰক্ষা কৰিবলৈ পোনপটীয়াকৈ দাবী জনাইছো। কমিছন সংগ্ৰহ কৰিবলৈ অশোক সিংহলৰ দৰে লোকক মন্ত্ৰীপদত ৰাখিছে। তেওঁ এজন ব্যৱসায়ীৰ বাহিৰে আন একো নহয়। সমষ্টি পুনৰ নিৰ্ধাৰণৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব অৰ্পণ কৰা হৈছিল। শৰ্মাৰ চৰকাৰক বৃহৎ পৰিমাণৰ দুৰ্নীতিত জড়িত থকাৰ অভিযোগ উত্থাপন কৰি মীৰা বৰঠাকুৰে কয় যে প্ৰৱঞ্চক আৰু ব্যৱসায়ীসকলৰ সৈতে হিমন্ত বিশ্ব শৰ্মাই অসমক লুণ্ঠন কৰি আছে। অসমৰ জনসাধাৰণে ৰাজ্যখনৰ পৰা অশোক সিংহলৰ দৰে ব্যক্তিক উলিয়াই দিয়াৰ সময় আহি পৰিল। আজি কংগ্ৰেছৰ প্ৰতিবাদৰ ফলত জিএমচিএইচৰ প্ৰৱেশ পথত ব্যাপক যান-জঁটৰ সৃষ্টি হয়। আৰক্ষীয়ে প্ৰতিবাদৰ সম.য়তে বহু কংগ্ৰেছ নেতা-কৰ্মীক আটক কৰি ৰাখে যদিও পিছলৈ মুকলি কৰি দিয়ে। গুৱাহাটীৰ নলা-নৰ্দমা পৰিস্কাৰৰ বাবে টিপিএচ ইনফ্ৰাষ্ট্ৰাকচাৰ লিমিটেড আৰু এমএছ মেণ্ডি এণ্টাৰপ্ৰাইজে ২০২১ চনত যোগান ধৰা ১০ ছেট চুপাৰ ছাকাৰত প্ৰায় ১৯ কোটি টকাৰ কেলেংকাৰী সংঘটিত হোৱাৰ কথা এগৰাকী আৰটিআই কৰ্মীয়ে পোহৰলৈ অনাৰ পিছতে ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।




৬৪ শিক্ষকৰ বৰ্খাস্ত প্ৰত্যাহাৰৰ দাবীত ধৰ্ণাত বহিল বাক্সা পলিটেকনিকৰ ছাত্ৰ-ছাত্ৰী, ফটোঃ ই-সংবাদ, মুছলপুৰ

## শিক্ষকৰ বৰ্খাস্তকৰণৰ বাবে শিক্ষামন্ত্ৰীক গৰিহণা

# বাক্সাত পলিটেকনিক শিক্ষাৰ্থীৰ প্ৰতিবাদ

**ই সংবাদ, মুছলপুৰ, ১৩ মাৰ্চঃ** চাকৰি নিয়মীয়াকৰণৰ বাবে আন্দোলনত নমা ৰাজ্যৰ ৬৪ গৰাকী অংশকালীন প্ৰৱক্তাক শিক্ষা বিভাগে চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ পিছতে ৰাজ্যৰ পলিটেকনিকসমূহত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। শিক্ষকৰ অভাৱত পলিটেকনিকৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰকৃত শিক্ষা লাভৰ পৰা বঞ্চিত হোৱাত আন্দোলনমুখী হৈ পৰিছে। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে বাক্সা শেষাংশ ৮ পৃষ্ঠাত

# বেলতলা বজাৰত গুণ্ডাটেক্স সংগ্ৰহ, ৫ জনক গ্ৰেপ্তাৰ আৰক্ষীৰ

## প্ৰভাৱশালী চক্ৰ জড়িত থকাৰ অভিযোগ

**ই-সংবাদ, ১৩ মাৰ্চঃ** দীৰ্ঘ দিনে গুৱাহাটী মহানগৰীৰ বেলতলা সাপ্তাহিক বজাৰত এটা গুণ্ডাৰ দলে গুণ্ডাটেক্স সংগ্ৰহ কৰি আহিছে। শাসকীয় বিজেপি দলৰ সৈতে ঘনিষ্ঠ কেইজনমান গুণ্ডাই গুণ্ডাটেক্স সংগ্ৰহ কৰি অহাত থলুৱা ব্যৱসায়ীসকল ভীতিগ্ৰস্ত হৈ আহিছে। বেলতলা বজাৰত একাংশ শাক-পাচলিৰ ব্যৱসায়ীৰ পৰা গুণ্ডাটেক্স সংগ্ৰহ কৰি আহিছে। আনকি জনজাতীয় পুৰুষ-মহিলাৰ পৰাও গুণ্ডাটেক্স সংগ্ৰহ কৰিবলৈ এৰা নাছিল দলটোৱে। ছয়গাঁও, বকো, ধূপধৰা, সোণাপুৰ, ডিমৰীয়া, শেষাংশ ৯ পৃষ্ঠাত

# চৰাইদেউৰ মৈদাম ক্ষেত্ৰত চাওফা সকলৈ ৪২ খন শৰাই উৎসৰ্গা

**ই-সংবাদ, মথুৰাপুৰ, ১৩ মাৰ্চঃ** চৰাইদেউ আহোমৰ প্ৰথম ৰাজধানী। ইয়াতেই সৰহসংখ্যক আহোম স্বৰ্গদেউৰ মৈদাম আছে। বিশ্ব ঐতিহ্য ক্ষেত্ৰ চৰাইদেউ মৈদাম প্ৰাংগণত আগন্তুক ১৭ আৰু ১৮ মাৰ্চত দুদিনীয়া কাৰ্যসূচীৰে মহান চাওফা (স্বৰ্গদেউ)সকলৰ ৯ পৃষ্ঠাত

# ট্ৰাইবেল বেল্টৰ ভূমিত বে-দখল, জনজাতীয় লোকক সুৰক্ষাৰ দাবী

**ই-সংবাদ, মাৰ্ঘেৰিটা, ১৩ মাৰ্চঃ** টিৰাপ ট্ৰাইবেল বেল্টৰ মাটি বেদখল কৰাৰ সন্দৰ্ভত টিৰাপ স্বায়ত্তশাসিত দাবী পৰিষদে এখন সংবাদমেলৰ আয়োজন কৰে। যোৱা ১০ মাৰ্চত টিৰাপ ট্ৰাইবেল বেল্টৰ ভূমি অজনজাতি লোকে বেদখল কৰা ঘটনাই টিৰাপ জনজাতি বেষ্টনীত জনজাতি লোকসকল সুৰক্ষিত নহয় নেকি বুলি প্ৰশ্ন শেষাংশ ১২ পৃষ্ঠাত

# থলুৱাৰ ওপৰত বৰমতা তথাকথিত জাতীয় সংগঠন, ডিব্ৰুগড়ত চাঞ্চল্য

**ই সংবাদ, চাবুৱা-লাহোৱাল, ১৩ মাৰ্চঃ** শদিয়াৰ পৰা ডিব্ৰুগড়। দূৰত্ব প্ৰায় ১২০ বা ১৩০ কিলোমিটাৰ। কেঁচা ঘাম বাহিৰ কৰি অশেষ কষ্টেৰে এই দীৰ্ঘ দূৰত্ব অতিক্ৰমি শদিয়াৰ পৰা আহি ডিব্ৰুগড়ৰ পদপথত বিক্ৰী কৰেহি শাক-পাচলি। শেষাংশ ৮ পৃষ্ঠাত

# ব্ৰহ্মপুত্ৰৰ ওপৰত দলং হ'ল, নহ'ল জলজলী নদীত

**ই-সংবাদ, শিমলীতোলা, ১৩ মাৰ্চঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিধানসভাৰ মজিয়াত অসমৰ প্ৰতিখন জিলাতে উত্তৰ-দক্ষিণ পাৰ সংযোগ হোৱাকৈ ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত দলং নিৰ্মাণ কৰা হ'ব বুলি বক্তব্য প্ৰদান কৰিছিল। শেষাংশ ৮ পৃষ্ঠাত

# শ্বিলঙত উদ্ধাৰ গুৱাহাটীৰ পৰা চুৰি কৰা বাহন

**ই-সংবাদ, ১৩ মাৰ্চঃ** গুৱাহাটী আৰক্ষীয়ে গাড়ী চুৰি চক্ৰৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। বিগত প্ৰায় এটা পষেকত গুৱাহাটী আৰক্ষী আয়ুক্তৰ অধীনৰ বশিষ্ঠ আৰু দিছপুৰ আৰক্ষীয়ে বৃহৎ সংখ্যক বাইক আৰু চাৰিচকীয়া বাহন উদ্ধাৰ শেষাংশ ৯ পৃষ্ঠাত

## গুণগান গায়েই সময় পাৰ

# বাটৰহাটত বাজেট ব্যাখ্যা বিজেপি দলৰ

**ই-সংবাদ, মিৰ্জা, ১৩ মাৰ্চঃ** ৰাজ্যৰ আন আন প্ৰান্ত সমূহৰ দৰে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া আৰু দক্ষিণ কামৰূপ জিলা বিজেপি সভাপতি অঞ্জন কুমাৰ গোস্বামীয়ে আজি বাটৰহাটস্থিত বিজেপিৰ কাৰ্যালয়ত শেষাংশ ১০ পৃষ্ঠাত

## ৰাজ্যত ড্ৰাগছ বিৰোধী অভিযান

# আমিনগাঁৱত ৪ কোটি টকা মূল্যৰ ড্ৰাগছ জব্দ এছটিএফৰ

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১৩ মাৰ্চঃ** আমিনগাঁৱত পুনৰ বৃহৎ পৰিমাণ ড্ৰাগছ জব্দ কৰা হৈছে। এছ টি এফৰ অতিৰিক্ত আৰক্ষী অধীক্ষক কল্যাণ কুমাৰ পাঠকৰ নেতৃত্বত চলা অভিযানত জব্দ হয় উক্ত ড্ৰাগখিনি। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে, শিলচৰৰ মণিপুৰ সীমান্ত হৈ নামনি অসমৰ চোৰাং বজাৰ লক্ষ্য কৰি অনা হৈছিল এই ড্ৰাগছখিনি। AS-21 M-1450 নম্বৰৰ এল্ট' শেষাংশ ৯ পৃষ্ঠাত

# যাত্ৰীবাহী বাছেৰে ড্ৰাগছ সৰবৰাহ, ধলাত গ্ৰেপ্তাৰ ২

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৩ মাৰ্চঃ** তিনিচুকীয়া জিলাত অব্যাহত আছে আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান। আজি জিলাখনৰ শদিয়া আৰক্ষী জিলাৰ অধীনস্থ তথা ধলা আৰক্ষী থানাৰ এলেকাধীন লাফংকলা চাৰিআলি (ড০ ভূপেন হাজৰিকা সেতুৰ সমীপৰ)ত পুৱাৰ ভাগতেই ধলা আৰক্ষীৰ অভিযানত তিনিচুকীয়াৰ পৰা অৰুণাচলৰ লৰাৰ দিবাং ভেলী জিলাৰ ৰয়িং অভিমুখে গৈ শেষাংশ ১৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাজেটত টকাৰ প্ৰতীক সলালে

ষ্টেলিনৰ চৰকাৰে ভাৰতীয় মুদ্ৰাৰ ৰাষ্ট্ৰীয় প্ৰতীক আঁতৰাই বাজেটৰ ল'গ'ত সংযোজন কৰিলে তামিল আখৰৰ 'ৰু' চিহ্ন। কেন্দ্ৰৰ 'হিন্দী আগ্ৰাসন'ক লৈ বিগত কিছুদিন ধৰি তামিলনাডুত অব্যাহত আছে বিতৰ্ক। ইয়াৰ মাজতে ষ্টেলিন চৰকাৰে ভাৰতীয় মুদ্ৰাৰ প্ৰতীক চিহ্ন সলনি কৰি এই ভাষা বিতৰ্ক অধিক তীব্ৰতৰ কৰি তোলা পৰিলক্ষিত হয়। ৰাজনৈতিক মহলৰ মতে এয়া কেৱল প্ৰতীকী পৰিৱৰ্তন নহয়, কেন্দ্ৰৰ বিৰুদ্ধে এয়া তামিলনাডুৰ তীব্ৰ প্ৰতিবাদো। উল্লেখ্য যে, অহা শুকুৰবাৰে বিধানসভাত দাখিল কৰা হ'ব তামিলনাডুৰ বাজেট। তাৰ পূৰ্বে ৰাজ্য চৰকাৰে নতুন ল'গ' উন্মোচন কৰি এক চাঞ্চল্যৰ সৃষ্টি কৰে। বাজেটৰ সকলো নথি-পত্ৰত পূৰ্বৰ '₹' চিহ্নৰ ঠাইত তামিল শব্দ 'ৰুবাই'ৰ প্ৰাৰম্ভিক 'ৰু' লিখা কাৰ্য্যই সমগ্ৰ দেশতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে নিজেই এক্স হেণ্ডেলত এই ল'গ'টো মুকলি কৰিছে। এইবাৰৰ বাজেটৰ মূল বাৰ্তা হৈছে 'সকলোৰে বাবে সকলো'। কিন্তু বাজেট ঘোষণাৰ পূৰ্বেই মুদ্ৰাৰ চিহ্ন সলনি কৰাটোক লৈ তীব্ৰ বিতৰ্ক আৰম্ভ হৈছে। এই সিদ্ধান্তক লৈ বিজেপিয়ে অতি আগ্ৰাসী স্থিতি গ্ৰহণ কৰিছে। বিজেপিৰ মুখপাত্ৰ নাৰায়ণ তিৰুপতিয়ে কয় যে কোনো ৰাজ্যই মুদ্ৰাৰ ৰাষ্ট্ৰীয় প্ৰতীক এনেদৰে সলনি কৰিব নোৱাৰে। এই কাম কৰাৰ অৰ্থ হ'ল তামিলনাডুক ভাৰতৰ পৰা পৃথক বুলি উপস্থাপন কৰা। অৱশ্যে তামিলনাডু চৰকাৰী বিষয়াই ইয়াৰ প্ৰত্যুত্তৰ দি কয়, "এইবাৰ আমি তামিল লিপিক গুৰুত্ব দিছো।" কিন্তু কোনো এখন ৰাজ্যই পোনপটীয়াকৈ জাতীয় প্ৰতীকক নাকচ কৰিছে- ৰাজনৈতিক মহলত ইয়াকে লৈ আৰম্ভ হৈছে সৰৱ চৰ্চা। বিশেষকৈ তামিলনাডুৰ উপ-মুখ্যমন্ত্ৰী উদয়ানিধি ষ্টেলিনে শেহতীয়াকৈ অভিযোগ কৰিছিল যে "হিন্দী আগ্ৰাসনৰ বাবে দেশৰ বহু আঞ্চলিক ভাষা ধ্বংস হৈছে।" মুখ্যমন্ত্ৰী ষ্টেলিনেও কিছুদিন পূৰ্বে হিন্দীৰ আগ্ৰাসনে আঞ্চলিক ভাষাক ধ্বংস কৰাৰ অভিযোগ উত্থাপন কৰিছিল। ইফালে তামিলনাডু চৰকাৰৰ এই সিদ্ধান্তৰ পিছত প্ৰতিক্ৰিয়া ব্যক্ত কৰিবলৈ অনিচ্ছুক বুলি কয় ভাৰতীয় মুদ্ৰাৰ বৰ্তমানৰ প্ৰতীক চিহ্নটোৰ ডিজাইন কৰা আইআইটি গুৱাহাটীৰ অধ্যাপক ডি উদয় কুমাৰে। তেওঁ কয় "এইটো সম্পূৰ্ণৰূপে চৰকাৰী সিদ্ধান্ত। তেওঁলোকে নিজৰ লিপি ব্যৱহাৰ কৰিব বিচাৰিছিল, গতিকে সলনি কৰিলে। এই বিষয়ে মোৰ ক'বলগীয়া একো নাই।" উল্লেখযোগ্য যে অধ্যাপক উদয় কুমাৰৰ পিতৃ এন ধৰ্মলিংগম ১৯৭১ চনত ডিএমকেৰ বিধায়ক আছিল। এই প্ৰসংগত তেওঁ কয়, "দেউতা বিধায়ক হোৱাৰ সময়ত মোৰ জন্মও হোৱা নাছিল। এতিয়া তেওঁ নিজৰ গাঁৱৰ ঘৰত শান্তিৰে বাস কৰি আছে। এয়া মাথোঁ কাকতলীয়া ঘটনা। ডিএমকে চৰকাৰে নিজৰ ল'গ' সলনি কৰাৰ লগত মোৰ কোনো সম্পৰ্ক নাই।" ভাৰতীয় মুদ্ৰাৰ চিহ্নটোৰ ডিজাইনৰ কথা মনত পেলাই অধ্যাপক কুমাৰে কয়, "মই চৰকাৰে নিৰ্দিষ্ট কৰা কিছুমান চৰ্তৰ ওপৰত ভিত্তি কৰি ডিজাইনটো তৈয়াৰ কৰিছিলো। এইটো ভাৰত চৰকাৰৰ প্ৰতিযোগিতা আছিল, য'ত মোৰ ডিজাইন জয়ী হৈছিল আৰু চৰকাৰে ইয়াক মানি লৈছিল।" তথ্য অনুসৰি বৰ্তমানৰ ভাৰতীয় টকাৰ প্ৰতীকটো দেৱনাগৰী 'ৰা' আৰু ৰোমান 'ৰ'ৰ সংমিশ্ৰণ। ওপৰৰ সমান্তৰাল ৰেখা দুটা জাতীয় পতাকা আৰু 'সম' চিহ্নৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰা হয়। ভাৰত চৰকাৰে ২০১০ চনৰ ১৫ জুলাইত এই প্ৰতীক আনুষ্ঠানিকভাৱে গ্ৰহণ কৰে। এতিয়া তামিলনাডু চৰকাৰৰ সিদ্ধান্তই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পঞ্চায়ত নিৰ্বাচনত প্ৰতিবাদৰ বাবে সাজু

স্থায়ী কৰিবলৈ দাবী জনাইছে। অন্যথা আগন্তুক পঞ্চায়ত নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে প্ৰতিবাদৰ হুংকাৰ দিয়ে। যদি প্ৰতিবাদৰ সময়ত অনাকাংক্ষিত ঘটনা সংঘটিত হয় তেন্তে তাৰবাবে চৰকাৰেই দায়ী হ'ব। নৱজ্যোতি লাহনে কয় যে ২০১৬ বৰ্ষত সেই সময়ৰ অসম চৰকাৰে কেবিনেটত ঘোষণা কৰা অনুসৰি ৫৬৩২ জন অস্থায়ী কৰ্মচাৰীক শীঘ্ৰে স্থায়ী নিযুক্তি প্ৰদান কৰক। অন্যথা আগন্তুক পঞ্চায়ত নিৰ্বাচনত প্ৰাকমুহূৰ্তত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অস্থায়ী কৰ্মচাৰী পৰিষদে অসমৰ প্ৰতিখন জিলাৰ প্ৰতিটো সমষ্টিত আন্দোলনৰ কাৰ্য্যসূচী ল'বলৈ বাধ্য হ'ব। পৰিষদে ল'বলগীয়া এই কাৰ্যসূচীত যিকোনো পৰিস্থিতিত পৰিষদ জগৰীয়া নহয়। তাৰবাবে সম্পূৰ্ণ দায়ী হ'ব জনস্বাস্থ্য কাৰিকৰী বিভাগৰ লগতে অসম চৰকাৰ। উল্লেখ্য যে ১৫-২০ বছৰ বিনাবেতনে পানী যোগান আঁচনিত কৰ্মৰত অস্থায়ী কৰ্মচাৰীৰ সমস্যা সমাধান নকৰি আকোঁৰগোজ স্থিতি লৈছে হিমন্ত বিশ্ব শৰ্মা চৰকাৰে। যাৰবাবে জনস্বাস্থ্য কাৰিকাৰী বিভাগৰ বিভিন্ন পানী যোগান আঁচনিত কৰ্মৰত অস্থায়ী কৰ্মচাৰীৰ দুখ-দুৰ্দশা, কুলাই-পাচিয়ে নধৰা অৱস্থা হৈছে। বহুজনে পৰিয়াল পোহপাল দিবলৈ টেম্পু' চলাইছে। ব্যৱসায়, দিন হাজিৰা পৰ্যন্ত কৰিব লগা হৈছে। আন একাংশই আকৌ আৰ্থিক অভাৱত পৰি বিনা চিকিৎসাই সংসাৰৰপৰা বিদায় লৈছে। বহু কৰ্মচাৰীৰৰ পৰিয়ালে খাদ্য, বস্ত্ৰ আৰু বাসস্থানৰ অভাৱত পৰি হাহাকাৰ কৰিব লগা হৈছে। তেওঁলোকৰ সামাজিক মৰ্যাদাও হানি হৈছে। ১৫-২০ বছৰ বিনাবেতনে কাম কৰি থকা জনস্বাস্থ্য কাৰিকাৰী বিভাগৰ বিভিন্ন পানীযোগান আঁচনিত কৰ্মৰত অস্থায়ী কৰ্মচাৰীয়ে এতিয়া হাহাকাৰ কৰি সময় পাৰ কৰিছে। পিতৃ-মাতৃ, সন্তানসহ কৰ্মচাৰীসকলে এতিয়া চকুলো টুকি সময় পাৰ কৰিছে। দীৰ্ঘদিনে সেৱা কৰি অহা কৰ্মচাৰীসকলৰ বিপৰীতে একোখন উপভোক্তা সমিতি গঠন কৰি সেই সমিতিখনৰ অধীনত অবৈতনিক কৰ্মচাৰী নিযুক্তি দি অন্যায় কৰাৰ লগতে চাকৰিক লৈ অনিশ্চিয়তাত চকুৰে ধুঁৱলি-কুঁৱলি দেখিছে সমগ্ৰ অসমৰ কৰ্মচাৰীসকলে। বিগত দুটা দশক ধৰি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত গ্ৰাম্য অঞ্চলৰ বিভিন্ন পানী যোগান আঁচনি কৰ্মৰত হৈ আছে কেইবাশ অস্থায়ী কৰ্মচাৰী। বিভিন্ন পানী যোগান আঁচনিত বিগত ১৫-২০ বছৰ বিনাবেতনে কাম কৰা কৰ্মচাৰীসকলক বিভাগে স্থায়ী নিযুক্তি দিয়াৰ আশ্বাস প্ৰদান কৰিও চাকৰি স্থায়ী নকৰিলে। বিভাগৰ বিভিন্ন আঁচনিত দিনে-ৰাতিয়ে কাম কৰা কৰ্মচাৰীসকলে ২০১৮ চনত প্ৰধানমন্ত্ৰীৰ সপোনৰ আঁচনি জলজীৱন মিছন সফল হোৱাত বৃহৎ অৰিহণা যোগাইছে। অসমৰ সকলো গাঁও-চহৰত নতুন নতুন আঁচনি নিৰ্মাণ কৰাৰ লগতে পুৰণি আঁচনিসমূহ পুনৰ নৱীকৰণ কৰি সকলো অস্থায়ী কৰ্মচাৰীক জলমিত্ৰ নামেৰে নামাকৰণ কৰে। ২০২২ চনৰ জুলাই মাহৰপৰা ৬৫০০ টকাকৈ পঞ্চোদশ বিত্তীয় বাৰ্ষিক পুঁজিৰ অধীনত পাৰিতোষিক দিয়াৰ সিদ্ধান্ত লয়। পৰৱৰ্তী সময়ত জলমিত্ৰসকলে বিভিন্ন সময়ত বিভাগৰ লগতে চৰকাৰৰ লগত আলোচনা কৰি একো সুফল নোপোৱাত আন্দোলনৰ কাৰ্য্যসূচী হাতত লৈছিল। তাৰ মাজতে কেইবাজনো কৰ্মচাৰীয়ে আত্মহত্যা কৰা বুলি অভিযোগ উত্থাপন কৰি আহিছে বিৰোধী দলে। পৰৱৰ্তী সময়ত চলিত বিধানসভাৰ বাজেট অধিৱেশনত জলমিত্ৰসকলক স্বচ্ছ জলমিত্ৰ নামেৰে নামকৰণ কৰি মাত্ৰ ১০০০ টকা পাৰিতোষিক বঢ়াই দিয়াৰ ঘোষণা কৰি আগতকৈ আৰু বেছি কামৰ দায়িত্ব প্ৰদান কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বাক্সাত পলিটেকনিক শিক্ষাৰ্থীৰ

জিলাৰ মুছলপুৰত থকা বাক্সা পলিটেকনিকৰ ছাত্ৰ-ছাত্ৰীসকলেও আজি আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰে। বৰ্খাস্ত কৰাৰ শিক্ষকসকলৰ চাকৰি ঘূৰাই দিয়াৰ বাবে বিভিন্ন শ্ল'গান সম্বলিত প্লে কাৰ্ড লৈ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে ধৰ্ণা কাৰ্যসূচীত। ছাত্ৰ-ছাত্ৰীসকলে শিক্ষামন্ত্ৰী হায় হায়, আমাৰ শিক্ষক আমাক ঘূৰাই দিয়ক, শিক্ষা লাভৰ পৰা আমাক বঞ্চিত নকৰিব, পাঠদান নিয়মীয়া কৰক, আমাৰ ভৱিষ্যতক লৈ হেতালি নেখেলিব ইত্যাদি শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। উল্লেখ্য যে বাক্সা পলিটেকনিকৰ ছাত্ৰ সমাজে ৰাজ্যৰ শিক্ষামন্ত্ৰী আৰু মুখ্যমন্ত্ৰীক তীব্ৰ সমালোচনা কৰি কয় যে ছাত্ৰ-ছাত্ৰীক প্ৰকৃত শিক্ষা দিব নোৱাৰা চৰকাৰে এডভান্টেজ অসমৰ কথা কৈ লাভ নাই। আজি শিক্ষক নোহোৱা বাবে আমি শিক্ষা লাভৰ পৰা বঞ্চিত হৈছো। আমাক আমাৰ শিক্ষকসকলক ঘূৰাই লাগে। তেওঁলোকে অভিযোগ কৰি কয় যে শিক্ষকৰ অভাৱত পলিটেকনিকৰ ছাত্ৰ-ছাত্ৰীসকলে দীৰ্ঘদিন ধৰি পাঠদানৰ পৰা বঞ্চিত হৈ আহিছে। তেনে অৱস্থাত পুনৰ শিক্ষকক বৰ্খাস্ত কৰাত ছাত্ৰ-ছাত্ৰীসকল সমস্যাৰ সন্মুখীন হৈ পৰিছে। সেয়ে এই বিষয়টোত মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ বিচাৰিছে ছাত্ৰ সমাজে। অন্যথা ৰাজপথত আন্দোলন কৰিব বুলিও হুংকাৰ দিয়ে। প্ৰণিধানযোগ্য যে বাক্সা পলিটেকনিকৰো ৭ গৰাকী অংশকালীন শিক্ষকক চাকৰি নিয়মীয়াকৰণৰ দাবীত আন্দোলন কৰাৰ অপৰাধত শিক্ষা বিভাগে চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ নিৰ্দেশ প্ৰেৰণ কৰিছে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# থলুৱাৰ ওপৰত বৰমতা তথাকথিত

থলুৱা এইসকলৰ বেছিভাগেই মহিলা। অৱশ্যে ইয়াৰ মাজতে দুই এজন পুৰুষো থাকে। পুৱাৰ পৰা আবেলি, কেতিয়াবা নিশা পৰ্যন্ত শদিয়াৰ পৰা কঢ়িয়াই অনা শাক-পাচলি, কচু-ঢেঁকীয়া, কল-কুঁহিয়াৰ বিক্ৰীৰ বাবে অপেক্ষা কৰিবলগীয়া হয়। এনেদৰেই শদিয়াৰ পৰা সপ্তাহত এদিন, কেতিয়াবা দুদিন আহি ডিব্ৰুগড়ৰ পদপথত বজাৰ মেলেহি। কিন্তু এইসকল খাটিখোৱা থলুৱা ব্যৱসায়ীৰ ওপৰতেই জঁপিয়াই পৰিছে ডিব্ৰুগড়ৰ তথাকথিত জাতীয় সংগঠনৰ নেতা। এক অৰ্থত জাতীয় সংগঠনৰ নেতাৰ গুণ্ডামিত এনেদৰে পদপথত পাচলিৰ ব্যৱসায় কৰি অহা শদিয়াৰ ব্যৱসায়ীসকল সন্ত্ৰস্ত হ'বলগীয়া হৈছে। উল্লেখ, ডিব্ৰুগড়ৰ চৌকিডিঙ্গী খেলপথাৰত কিছুদিনৰ পূৰ্বে অনুষ্ঠিত হৈছিল এটা জাতীয় সংগঠনৰ অধিৱেশন। এই অনুষ্ঠানৰ বাবে ডিব্ৰুগড়ৰ পদপথত শদিয়াৰ পৰা আহি পাচলি ব্যৱসায় কৰা একাংশ প্ৰতিষ্ঠানৰ পৰা এঘাৰ হাজাৰৰো অধিক টকাৰ বজাৰ কৰি নিয়েহি দত্ত উপাধিৰ উক্ত জাতীয় সংগঠনটোৰ নেতাই। পুৱা বজাৰ কৰি সন্ধিয়া পইচা দিম বুলি কৈ সা-সামগ্ৰী লৈ উধাও হোৱা দত্ত উপাধিৰ জাতীয় সংগঠনটোৰ নেতাজন কিন্তু ব্যৱসায়ীসকলৰ কাষলৈ উভতি নাহিল। লক্ষণীয়ভাৱে ব্যৱসায়ীসকলক নেতাজনে নিজৰ মোবাইল নম্বৰটো দি গৈছিল। পৰৱৰ্তী সময়ত মোবাইলত নিজৰ প্ৰাপ্য ধন বিচাৰি ব্যৱসায়ীসকলে বাৰম্বাৰ যোগাযোগ কৰাৰ পিছত ধন দিয়াৰ বিপৰীতে ভাবুকিহে প্ৰদান কৰে। তিনিচুকীয়াৰ পৰা ডিব্ৰুগড় জিলালৈ পাৰ হৈ ভয়াৱহ বিপদৰ সন্মুখীন হ'ব লাগিব বুলি ভাবুকি প্ৰদান কৰি নেতাজনে সেই ধন দিয়াৰ নামেই নল'লে। আৰু শেষত দত্ত উপাধিৰ এই নেতাজনে ব্যৱসায়ীসকলৰ ফোনৰ নম্বৰ ব্লেক্ লিষ্টেড্ কৰি দিয়াত এতিয়া বিপাঙত পৰিছে ব্যৱসায়ীসকল। স্বাভাৱিকতে নেতাজনৰ এই কাণ্ডই সৃষ্টি কৰিছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। এই সন্দৰ্ভত আজি সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি ৰূপম কোচ আৰু সম্পাদক মনজিৎ দত্তই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। এক বিজ্ঞপ্তিত নেতাদ্বয়ে কৈছে যে অসমীয়া জাতীয় জীৱনৰ সৌৰ্য-বীৰ্য, অদম্য সাহস বীৰত্বৰ প্ৰতীক বিশ্ব মহাবীৰ চিলাৰায় দিৱসত কলংকিত কৰাৰ চক্ৰাতন্তত যোৱা বাৰ ফেব্ৰুৱাৰীৰ দিনা ডিব্ৰুগড়ৰ চৌকিডিঙ্গীস্থ পাচলি বজাৰত জনৈক দত্ত উপাধিকধাৰী কোচ সম্প্ৰদায়ৰ এজন লোকে এক লজ্জাজনক ঘটনা সংঘটিত কৰিলে আৰু বৃহত্তৰ কোচ ৰাজবংশী সম্প্ৰদায়ক হেয় প্ৰতিপন্ন কৰিলে। বিজ্ঞপ্তিটোত ছাত্ৰ সংগঠনটোৰ নেতাদ্বয়ে স্পষ্ট ভাষাৰে কৈছে যে যোৱা ১১ আৰু ১২ ফেব্ৰুৱাৰীত ডিব্ৰুগড়ৰ আমোলাপট্টি নাট্যমন্দিৰত সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলাৰ এখনি প্ৰতিনিধি সভা অনুষ্ঠিত হৈছিল। উক্ত প্ৰতিনিধি সভাত কেন্দ্ৰীয় সমিতিৰ সভাপতি ক্ষীতিশ বৰ্মন আৰু সম্পাদক কপিল দেৱ সিংহ উপস্থিত আছিল। উক্ত প্ৰতিনিধি সভাই ডিব্ৰুগড় জিলা আক্ৰাছুৰ পুৰণি সমিতিখন ভংগ কৰি সমিতিৰ সভাপতি দিগন্ত শইকীয়া আৰু সম্পাদক প্ৰা?ল দত্তক পদৰ পৰা অব্যাহতি দিয়ে। বিপৰীতে নতুন সমিতিৰ সভাপতি হিচাপে ৰূপম কোচ আৰু সম্পাদক হিচাপে মনজিৎ দত্তক প্ৰতিনিধি সভাই দায়িত্ব অৰ্পণ কৰি ৩১ জনীয়া এখন শক্তিশালী সমিতি গঠন কৰি দিয়ে। সভাপতি-সম্পাদক স্বাক্ষৰিত বিবৃতিটোত এইবুলিও কৈছে যে জিলা সমিতিৰ উদ্যোগতে ধেমেচী কলালোৰ কোচ ৰাস মঞ্চত ধেমেচীবাসীৰ আতিথ্যত যোৱা ১২ ফেব্ৰুৱাৰীৰ দিনা মহাবীৰ চিলাৰায় দিৱস অনুষ্ঠিত কৰে। তেনেস্থলত ডিব্ৰুগড়ৰ চৌকিডিঙ্গীত অনুষ্ঠিত চিলাৰায় দিৱসৰ লগত আক্ৰাছুৰ ডিব্ৰুগড় জিলা সমিতি জড়িত নহয়। ইতিমধ্যে ডিব্ৰুগড় জিলা আক্ৰাছুৰ পদৰ পৰা অব্যাহতি দিয়া প্ৰা?ল দত্ত, দিগন্ত শইকীয়াৰ নেতৃত্বতে চৌকিডিঙ্গীত চিলাৰায় দিৱস অনুষ্ঠিত কৰিছিল। পাচলি ব্যৱসায়ীক দাবী-ধমকি দিয়া এনে ভণ্ড নেতাৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে ডিব্ৰুগড় জিলা প্ৰশাসনক অনুৰোধ জনোৱা বুলিও বিবৃতিটোত উল্লেখ কৰিছে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ব্ৰহ্মপুত্ৰৰ ওপৰত দলং হ'ল, নহ'ল

শেহতীয়াকৈ মুখ্যমন্ত্ৰীৰ উক্ত বক্তব্য কাৰ্যকৰী কৰাৰ বাবে বিশেষভাৱে আহ্বান জনাইছে দক্ষিণ বৰপেটাবাসী ৰাইজে। উল্লেখ্য যে জলজলী নদীৰ ওপৰত দলং নিৰ্মাণৰ দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি সঁহাৰি জনাই ইতিমধ্যে বাঘমাৰা-শিমলীতোলা সংযোগী দলঙৰ কাম আগবাঢ়িছে যাৰ ফলত অসম চৰকাৰ ধন্যবাদ জনোৱাৰ লগতে অতি সোনকালে দলংখনৰ আধাৰশিলা স্থাপনৰ দাবী উত্থাপন কৰাৰ লগতে শিমলীতোলাৰ পৰা বৰপেটা জিলাৰ দক্ষিণপাৰৰ বাঘমাৰা চৰ সুখোৱাৰঝাৰ হৈ সত্ৰকনাৰা সংযোগ কৰি ব্ৰহ্মপুত্ৰৰ ওপৰত বিভিন্ন কাৰণত এখন বৃহৎ দলং নিৰ্মাণৰ দাবী উত্থাপন কৰিছে দক্ষিণ বৰপেটাৰ চৰাঞ্চলৰ ৰাইজে। সাম্প্ৰতিক পৰিস্থিতিত চেঙা উন্নয়ন খণ্ডৰ কাৰ্যালয় বাঘমাৰা চৰত হোৱাৰ উপৰি চৰাঞ্চলতৰ কেবাখনো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, থানা, মহকুমা কৃষি বিষয়াৰ কাৰ্যালয়, বিভিন্ন স্কুল-কলেজ, বাঘমাৰা সমবায় সমিতিত প্ৰতিমাহে বৃহৎ পৰিমাণৰ চাউল নাওৰে নদী পাৰ কৰি আনোঁতে যথেষ্ট কষ্টৰ লগতে আৰ্থিক লোচৰ সন্মুখীন হ'ব লগীয়া হয়। পূব গোৱালপাৰা আৰু দক্ষিণ বৰপেটাৰ চৰাঞ্চলৰ লাখ লাখ লোকে দৈনন্দিন জীৱনত প্ৰয়োজীয় কামৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত কৰ্মৰত কৰ্মচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ যথেষ্ট সময় অপচয় হোৱাৰ লগতে নিদিষ্ট সময়ত গন্তব্য স্থানত উপস্থিত হ'ব নোৱাৰে। ইয়াৰ উপৰি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত ৰোগী সময়মতে চিকিৎসালয় পোৱাৰ আগতেই মৃত্যুক আঁকোৱালি ল'ব লগা হয়। বাৰিষা কালত নৈৰ বাঢ়নী পানীয়ে কেতিয়াবা বিপদ সীমা অতিক্ৰম কৰাৰ সময়ত প্ৰায় ৫ কিলোমিটাৰৰ অধিক দৈৰ্ঘ্য টুলুঙা নাৱত বিপদসংকুল যাত্ৰা কৰিবলীয়া হয়। যাৰ বাবে বহু সময়ত নাও দুৰ্ঘটনাত পতিত হৈ বহু লোকৰ মৃত্যুও হয়। দলংখন নিৰ্মাণ কৰিলে বৃহত্তৰ দক্ষিণ বৰপেটাৰ অৰ্থনৈতিক উন্নয়ন ক্ষীপ্ৰ হোৱাৰ লগতে সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতিৰ আমূল পৰিৱৰ্তন হ'ব বুলি দাবী কৰে ৰাইজে। গোৱালপাৰাৰ শিমলীতোলা-বৰপেটাৰ সত্ৰকনাৰা সংযোগী দলং আৰু বাঘমাৰা-শিমলীতোলা সংযোগী দলং নিৰ্মাণৰ প্ৰাৰম্ভিক কাম বাৰিষাৰ আগতেই সম্পন্ন কৰিবলৈ দুয়োখন জিলাৰ ৰাইজে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনাইছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# শ্বিলঙত উদ্ধাৰ গুৱাহাটীৰ পৰা

কৰিবলৈ সক্ষম হয়। লগতে গাড়ী চুৰি চক্ৰৰ সৈতে জড়িত বহুকেইজন দুৰ্ধৰ্ষ গাড়ী চোৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। উদ্ধাৰকৃত দুখন থাৰ আৰু এখন স্কৰপিও'। কামৰূপ গ্ৰাম্য জিলাৰ অসম মেঘালয় সীমান্তৱৰ্তী এলেকাত সক্ৰিয় গাড়ী চোৰৰ চক্ৰটোৰ সৈতে মেঘালয়ৰ দুৰ্ধৰ্ষ চোৰ জড়িত বুলি উত্থাপিত অভিযোগৰ মাজতে আজি মেঘালয়ত গুৱাহাটী আৰক্ষীয়ে অভিযান চলাই তিনিখন বিলাসী বাহনসহ সাতজন দুৰ্ধৰ্ষ চোৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। গুৱাহাটী আৰক্ষী জাৰি কৰা বিবৃতি মতে, মেঘালয়ত গোপ খবৰৰ ভিত্তিত চলোৱা অভিযানত তিনিখন বাহন উদ্ধাৰৰ লগতে ৭জনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, এই চক্ৰটোৱে গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চল ভ্ৰমণ কৰিম বুলি কৈ গাড়ী ভাড়াত লৈছিল। পিছত চালকক আধা ৰাস্তাত দাবী-ধমক দি নমাই দি গাড়ীখন লৈ উধাও হৈছিল। ছেল্ফ-ড্ৰাইভ এজেঞ্চী কুইকগিয়াৰৰ পৰা ভুৱা পৰিচয় পত্ৰ দি ৩ খন গাড়ী ভাড়াত লৈছিল এটা দলে। দিছপুৰ আৰক্ষীক এজাহাৰ দাখিল কৰিছিল কুইকগিয়াৰে। দিছপুৰ আৰক্ষীৰ এটা দলে মেঘালয় আৰক্ষীৰ সহযোগত শ্বিলঙত অভিযান চলাই তিনিওখন গাড়ী উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এএছ-০১-এফৰাই-২৫২৪, এএছ-০১-এফএল-৮৮৪৮ নম্বৰৰ থৰা আৰু এএছ-০১-জিএফ-৫২৭৫ নম্বৰৰ স্কৰপিও' উদ্ধাৰ কৰিবলৈ সক্ষম হয়। দিছপুৰ আৰক্ষীয়ে তিনিওখন বাহন শ্বিলঙৰ পৰা মণিপুৰ অভিমুখে গৈ থকাৰ তথ্য লাভ কৰিছিল। সেই সময়তে মেঘালয়ৰ উমকিয়াং আৰক্ষী চকীৰ এটা দলৰ সৈতে আধা ৰাস্তাতে ভেটা ৰখাই তিনিওখন বাহন। তাৰ পিছতে বাহন তিনিওখন ভাড়া কৰা ৭জন লোকক জিম্মাত লোৱাৰ লগতে বাহনকেইখন গুৱাহাটীলৈ আনে দিছপুৰ আৰক্ষীয়ে। চক্ৰটোৱে বাহনকেইখন মণিপুৰলৈ নি আছিল। গুৱাহাটীৰ পৰা প্ৰায়ে বহু বাহন মেঘালয় হৈ মণিপুৰ সৰবৰাহ হৈ থকাৰ অভিযোগৰ মাজতে আজি গুৱাহাটী আৰক্ষীয়ে মণিপুৰ অভিমুখে তিনিখন চুৰি বাহন উদ্ধাৰ কৰিবলৈ সক্ষম হয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# চৰাইদেউৰ মৈদাম ক্ষেত্ৰত চাওফা

সোঁৰণত ৪২ খন শৰাই উৎসৰ্গা সামূহিক স্মৃতি তৰ্পণ অনুষ্ঠানভাগ অনুষ্ঠিত কৰাৰ আয়োজন চলোৱা হৈছে। উল্লেখ্য যে এই আহোম স্বৰ্গদেউসকলৰ লগতে আৰাধ্য দেৱতাসকলক প্ৰতিবছৰে ফাগুন মাহৰ জোনৰ কৃষ্ণা চতুৰ্থীৰ দিনা সমগ্ৰ অসমীয়া জাতিৰ হৈ এই স্মৃতি তৰ্পণ কৰা হয়। ১৯৫২ চনৰ পৰাই একেৰাহে এই ৪২ খন শৰাই দিয়া অনুষ্ঠানভাগ কেৱল চৰাইদেউ মৈদামস্থলীতে পালন কৰি অহা হৈছে। প্ৰতিবছৰে অনুষ্ঠিত কৰি অহা এই অনুষ্ঠানে ২০২৬ চনত ৭৫ বৰ্ষত পদাৰ্পণ কৰিব। এই অনুষ্ঠানৰ জৰিয়তে ৭৪ বছৰ দিন ধৰি চৰাইদেউ সংৰক্ষণ, সংবৰ্ধন আৰু বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ বাবে ভিন্ন ধৰণৰ কাৰ্যপন্থা গ্ৰহণ কৰি আহিছে। আজিৰ চৰাইদেউ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মানচিত্ৰত ঠাই পোৱাৰ ক্ষেত্ৰত এই স্মৃতি তৰ্পণ অনুষ্ঠান আৰু স্বৰ্গদেউসকলৰ স্মৃতি তৰ্পণ সমিতিৰ বলিষ্ঠ অৰিহনা আছে। এই স্মৃতি তৰ্পণ অনুষ্ঠানে অহা বছৰ ২০২৬ চনত ৭৫ বছৰ সম্পূৰ্ণ কৰিব। সেয়েহে অহা বছৰটো এই অনুষ্ঠানভাগৰ মহাৰজত জয়ন্তী হিচাপে পালন কৰাৰ মনস্থ কৰা হৈছে। পূৰ্বাপৰ ৰূপত বিশ্ব ঐতিহ্য ক্ষেত্ৰ চৰাইদেউ মৈদাম প্ৰাংগণত অনুষ্ঠিত কৰিবলৈ লোৱা এই বছৰৰ তৰ্পণ অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি ১৭ মাৰ্চৰ দিনা পুৱা উদযাপন সমিতিৰ সভাপতি সত্যেন কোৰঁৰে ধৰ্মধ্বজা স্থাপন কৰিব। ইয়াৰ পিছতে পুৱা ৯ বজাত চোমদেউলৈ ভোগ অৰ্পণ কৰিব ডামচাও ৰমা ৰাজকোঁৱৰৰ পৰিয়ালবৰ্গই। দিনৰ ১১ বজাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব আৰু সন্ধিয়া মৈদাম প্ৰাংগণত বন্তি প্ৰজ্বলন কৰা হ'ব। ১৮ মাৰ্চৰ দিনা পুৱা ৯ বজাত মৈদাম তৰ্পণ, ১০ বজাত স্বৰ্গদেউসকললৈ ৪২ খন শৰাই তৰ্পণ আৰু টাই পৰম্পৰা ৰীতি-নীতিৰে বানফী পূজা আৰম্ভ হ'ব। দিনৰ ১২ বজাত স্থায়ী স্মৃতি তৰ্পণ সমিতি গঠন আৰু আগত স্মৃতি তৰ্পণ সমিতিৰ মহাৰজত জয়ন্তী সন্দৰ্ভত আলোচনাৰ বাবে মুকলি সভা অনুষ্ঠিত হ'ব। বিয়লি প্ৰসাদ বিতৰণেৰে দুদিনীয়া অনুষ্ঠানৰ সামৰণি পৰিব। দুয়োটা দিনৰ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে উদ্যাক্তাসকলে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বেলতলা বজাৰত গুণ্ডাটেক্স সংগ্ৰহ, ৫

পামহি আদিৰ লগতে গুৱাহাটীৰ বিভিন্ন জনজাতীয় এলেকাৰ পৰা জনজাতীয় পুৰুষ-মহিলাই শাক-পাচলি আদি বিক্ৰী কৰিবলৈ আহে। ঘৰত উৎপাদিত শাক-পাচলি বিক্ৰী কৰিবলৈ অহা জনজাতীয় পুৰুষ-মহিলাৰ পৰা বৈধ ভাৱে মহলদাৰে মাচুল সংগ্ৰহ কৰাৰ লগতে অবৈধভাৱে ৫০০ৰ পৰা ১০০০ টকা সংগ্ৰহ কৰি আহিছে। যাৰ বাবে জনজাতীয় মহিলাসকল লোকচানৰ সন্মুখীন হৈ আহিছে। যাৰ বাবে একাংশ জনজাতীয় মহিলাই সংবাদ মাধ্যমৰ কাষ চাপি চকুলো টুকিছিল। দূৰ-দূৰণিৰ পৰা অহা জনজাতীয় মহিলাসকলে বজাৰৰ দিনা এদিন পূৰ্বেই মাজনিশা সামগ্ৰী লৈ আহি পুৱাৰে পৰা সামগ্ৰী বিক্ৰী কৰিছিল। শৌচ-প্ৰস্ৰাৱ, গা ধোৱালৈকে অলেখ সমস্যাৰ মাজেৰে এদিন পূৰ্বেই আহি দ্বিতীয় দিনা দিনটো ৰ'দ-বৰষুণ কাটি কৰি বজাৰত শাক-পাচলি বিক্ৰী কৰি কেইটামান টকা উপাৰ্জন কৰে। কিন্তু সেই টকাকেইটা গুণ্ডাটেক্স ৰূপে দি থৈ যাবলগীয়া হয়। যাৰ বাবে বহু দিন চকুলো টুকি বজাৰ এৰি গৈছিল জনজাতীয় মহিলাসকলে। এই খবৰ প্ৰকাশ পোৱাত মৃদু প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাত অসম আৰক্ষীৰ কঠোৰ হ'বলৈ বাধ্য হয়। আজি গুৱাহাটীৰ বশিষ্ঠ আৰক্ষী আৰু দিছপুৰ আৰক্ষীয়ে বেলতলা বজাৰত যৌথ অভিযান চলায়। অভিযানত ৫ জন গুণ্ডাক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। দীৰ্ঘদিন ধৰি মহলদাৰৰ সমানে সমানে গুণ্ডাটেক্স সংগ্ৰহ কৰা চন্দন বৰ্মন, বিৰাজ দাস, তপন ডেকা, নয়নজ্যোতি দাস আৰু অনিশ মেছক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। গুৱাহাটী পৌৰ নিগমে দোকান অনুসৰি ৫ টকা, ২০ টকা, ৫০ টকা, ১০০ টকা আৰু ২০০ টকালৈকে সংগ্ৰহ কৰিবলৈ নিৰ্দেশ দিছিল। কিন্তু চন্দন বৰ্মন, বিৰাজ দাস, তপন ডেকা, নয়নজ্যোতি দাস আৰু অনিশ মেছ ভুৱা ৰছিদেৰে এহেজাৰ টকালৈকে সংগ্ৰহ কৰিছিল। পাঁচজনক গ্ৰেপ্তাৰ কৰাৰ লগতে লক্ষাধিক টকা, মোবাইল ফোন, জিএমচিৰ ৰচিদ জব্দ কৰিবলৈ সক্ষম হয়। ৰচিদ টেম্পাৰিং কৰি ধন সংগ্ৰহৰ সন্দেহ কৰিছে আৰক্ষীয়ে। যুৱককেইজনক গ্ৰেপ্তাৰ কৰি জেৰা অব্যাহত ৰাখিছে আৰক্ষীয়ে। এই গেংটোৰ সৈতে প্ৰভাৱশালী লোক জড়িত থকাৰ অভিযোগ উত্থাপন হৈ আহিছিল। আৰক্ষীয়ে প্ৰভাৱশালী লোকৰ কাষ চাপিব পাৰিব নে নাই সেয়া সময়েহে ক'ব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# আমিনগাঁৱত ৪ কোটি টকা

বাহন এখনত এক গোপন চেম্বাৰ বনাই এই জব্দকৃত ড্ৰাগছখিনি অনা হৈছিল। অভিযানকাৰী দলটোৱে ধৃত দুজন ড্ৰাগছ সৰবৰাহকাৰীৰ পৰা হেৰ'ইনৰ ৪১টা পেকেট উদ্ধাৰ কৰে। হেৰ'ইনখিনি ৫৩৩ গ্ৰাম ওজনৰ আৰু এইখিনিৰ বজাৰ মূল্য প্ৰায় ৪ কোটি টকা হ'ব বুলি আৰক্ষীয়ে সদৰি কৰিছে। গ্ৰেপ্তাৰ হোৱা সৰবৰাহকাৰী দুটা শিলচৰৰ শ্বাজমিল লস্কৰ আৰু মৃণাল হুছেইন। উল্লেখ্য যে, এছ টি এফৰ অতিৰিক্ত আৰক্ষী অধীক্ষক কল্যাণ কুমাৰ পাঠকৰ নেতৃত্বত চলা আন এক অভিযানত আমিনগাঁৱত যোৱা ৩ মাৰ্চতো প্ৰায় ২.৫ কোটি বজাৰ মূল্যৰ বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ হৈছিল। সেই অভিযানত দুৰ্ধৰ্ষ ড্ৰাগছ সৰবৰাহকাৰী কমলা ওৰফে ভাবী ওৰফে খুচবু বেগম বৰভুঞাই নিজৰ গাত ড্ৰাগছৰ পেকেট মেৰিয়াই লৈ অনা অৱস্থাত হাতে-লোটে ধৰা পৰিছিল। যোৱা ১০টা দিনৰ ভিতৰত উপৰ্যুপৰি দুটাকৈ অভিযানত কৃতকাৰ্য হোৱা অসম আৰক্ষীৰ বাবে এয়া এক বৃহৎ সফলতা বুলি গণ্য হৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বাটৰহাটত বিজেপিৰ বাজেট ব্যাখ্যা

এখন সংবাদমেল অনুষ্ঠিত কৰে। বাজেট ২০২৫-২৬ সন্দৰ্ভত এই সংবাদমেলৰ আয়োজন কৰে। সংবাদমেল সম্বোধন কৰি পোনপ্ৰথমে সদ্য ঘোষিত বাজেটক জনকল্যাণমুখী বাজেট বুলি প্ৰশংসা কৰে বিধায়ক হেমাংগ ঠাকুৰীয়াই। তেওঁ লগতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু বিত্তমন্ত্ৰী অজন্তা নেওগক দক্ষিণ কামৰূপ জিলা বিজেপিৰ ফালৰ পৰা ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে অৰুণোদয় আঁচনিৰ জৰিয়তে ১২৫০ টকা পোৱা মহিলাসকলে সঞ্জীৱনী দৰে কাম কৰিছে। এইবাৰ বাজেট অনুসৰি ৩৭ লাখ ২০ হেজাৰ মহিলাৰ বাবে, ৫০০০ কোটি টকা অৰুণোদয় বাবে ধাৰ্য্য কৰা হৈছে। নিযুত মইনা আঁচনিৰ জৰিয়তে পলাশবাৰী সমষ্টিৰ উপৰি সমগ্ৰ অসমৰ ছাত্ৰীসকল উপকৃত হৈছে। ৩৯১ কোটি টকা নিযুত মইনা আঁচনিৰ বাবে বাজেটত লোৱা হৈছে।মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰশীল আঁচনিৰ জৰিয়তেও যুৱকসকল আত্মনিৰ্ভৰশীল হৈছে। এই আঁচনিৰ বাবে ৭৪৩ কোটি টকা নিৰ্ধাৰণ কৰিছে। নিৰনুৱাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে যি ধৰণে কৈছিল তাতকৈ বেছি চাকৰি মুখ্যমন্ত্ৰীয়ে এক টকা নোলোৱাকৈ দিছে বুলি তেওঁ মুখ্যমমন্ত্ৰীৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰে। ৰাজ্যখনক আগবঢ়াবলৈ কিছুমান গাঁও নগৰলৈ পৰিৱৰ্তন কৰিবলৈ ৮ হেজাৰ কোটি টকা বাজেটত লৈছে। প্ৰথম এডভাণ্টেজ আছামৰ ফলত ৮৭২৯১কোটি টকা বিনিয়োগ হৈছে অসমত। ৫ লাখ ১২হেজাৰতকৈ অধিক টকা এইবাৰৰ এডভাণ্টেজ আছাম ২.০ ত বিনিয়োগ হৈছে। দক্ষিণ কামৰূপৰ বহু হাইস্কুল নতুনকৈ বনাই থকা হৈছে। অহা ১৯ তাৰিখে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পলাশবাৰী সমষ্টিত অসম চৰকাৰৰ গৃহ প্ৰদান অনুষ্ঠান কেন্দ্ৰীয়ভাৱে শুভাৰম্ভ কৰিব। দক্ষিণ কামৰূপৰ ১৬ খন আসনত ৰাভা হাছঙত নিৰ্বাচনত ১৬ খনতে জয়ী হ'ব বুলি বিশ্বাসী। ৩ খন আসনত বিজেপিয়ে প্ৰতিনিধিত্ব কৰিব দক্ষিণ কামৰূপ জিলাত। ইয়াৰ ভিতৰত বোন্দাপাৰা, বামুনিগাঁও আৰু শিলপুতাত প্ৰাৰ্থী দিব। এইবাৰ পলাশবাৰী সমষ্টিত নিৰ্মাণ হ'বলগীয়া আয়ুৰ্বেদিক কলেজৰ বাবে ১৮৪ কোটি টকা নিৰ্ধাৰণ কৰা হৈছে বুলি উল্লেখ কৰে। উল্লেখ্য যে, বিধায়ক হেমাংগ ঠাকুৰীয়াই এই সংবাদমেল অনুষ্ঠিত কৰি কেৱল চৰকাৰ তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ জয়গুণ গায়। তেওঁ লগতে বিৰোধী দলক কটাক্ষ কৰে। বিপৰীতে এই পলাশবাৰী সমষ্টিত হাতী-মানুহৰ সংঘাত, নিৰনুৱাৰ সমস্যা, কৃষিভূমিৰ সংকট আদি দূৰ কৰিবলৈ কোনো ব্যৱস্থা গ্ৰহণ কৰিবলৈ সক্ষম হোৱা নাই। ফলত ৰাইজ বিপাণ্ডত পৰিছে। চৰকাৰৰ মন্ত্ৰী-বিধায়ক তথা খোদ বিধায়ক হেমাংগ ঠাকুৰীয়াই তেওঁৰ পৰিয়ালবৰ্গ তথা অণ্ডহী-বণ্ডহীৰ নামত পলাশবাৰী সমষ্টিত বহু বিঘা কৃষিভূমি ক্ৰয় কৰিছে। কিন্তু ৰাইজৰ বিলাই বিপত্তিৰ প্ৰতি অকণো কাণসাৰ দিয়া নাই। কেৱল আশ্বাস প্ৰতিশ্ৰুতি দি তথা চৰকাৰৰ জয়গুণ গাই এইদৰে পাৰ কৰিছে মূল্যৱান সময়। আজি বহুদিন ধৰি তেওঁ আয়ুৰ্বেদিক চিকিৎসালয়ৰ প্ৰসংগ উত্থাপন কৰিয়ে দায়িত্ব সামৰা বুলি অভিযোগ উত্থাপন হৈছে। আনহাতে, দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি অঞ্জন কুমাৰ গোস্বামীয়েও এইবাৰৰ বাজেট সন্দৰ্ভত বক্তব্য প্ৰদান কৰে।

# শিৱসাগৰৰ শুকানপুখুৰীত আৰম্ভ মহাপালনাম আৰু ভাওনা প্ৰদৰ্শন

**ই-সংবাদ, শিৱসাগৰ, ১৩ মাৰ্চঃ** হৰিনামৰ অমিয়া সুৰে মুখৰিত কৰিছে শিৱসাগৰ চহৰৰ পৰা ৫ কিলোমিটাৰ নিলগৰ বেতবাৰীৰ শুকানপুখুৰী অঞ্চল। হাজাৰ হাজাৰ ভক্তই সমস্বৰে পৰিৱেশন কৰা পালনামে অঞ্চলটোত সৃষ্টি কৰিছে আধ্যাত্মিক পৰিৱেশৰ। উল্লেখ্য যে আজিৰেপৰা শুকানপুখুৰী অঞ্চলত সদৌ অসম কৃষ্ণসূৰ্য নাম সমাজ আৰু গৱেষণা কেন্দ্ৰৰ উদ্যোগত চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে সংকল্পিত মহাপালনাম আৰু ভাওনা প্ৰদৰ্শনৰ মাংগলিক অনুষ্ঠান। এই মাংগলিক অনুষ্ঠানটিত অসমৰ বিভিন্ন প্ৰান্তৰপৰা আহি সমৱেত হৈছেহি ভকত-বৈষ্ণৱসকল। শুকানপুখুৰী অঞ্চলৰ ৰাজহুৱা পথাৰত অস্থায়ীভাৱে নিৰ্মাণ কৰা বৃহৎ আকাৰৰ নামঘৰৰ মণিকূটৰ সন্মুখত ভকত-বৈষ্ণৱসকলে নাম-প্ৰসংগ পৰিৱেশন কৰি স্বৰ্গৰ বৈকুণ্ঠক মৰ্ত্যলৈ নমাই অনাৰ পৰিৱেশ সৃষ্টি কৰিছে। চাৰিদিনীয়াকৈ অনুষ্ঠিত হোৱা সংকল্পিত মহাপালনামৰ আজি প্ৰথমদিনা মণিকূটৰ দ্বাৰ উন্মোচন কৰে নামাচাৰ্য খগেন বৰপাত্ৰগোহাঁইয়ে। ইয়াৰ পাছতে গুৰুআসন প্ৰতিষ্ঠা কৰে শ'লগুৰি সত্ৰৰ সত্ৰাধিকাৰ শচীন্দ্ৰ নাথ গোস্বামীয়ে। অনুষ্ঠানৰ আৰম্ভণিতে পালনাম অনুষ্ঠানৰ বাটচ'ৰা উন্মোচন কৰে এনামউদ্দিন আহমেদে। বাটচ'ৰাৰ ফিটাকাটি এনামউদ্দিন আহমেদে অঞ্চলটোৰ পৰিৱেশ দেখি অভিভূত হোৱাৰ কথা উল্লেখ কৰে। তেওঁ কয়-- এই অনুষ্ঠানে বৃহত্তৰ অঞ্চলটোৰ সকলো জনগোষ্ঠীয় লোকক একতাৰ ডোলেৰে বান্ধিছে। বিভিন্ন জনগোষ্ঠীয় লোক একত্ৰিত হৈ সমস্বৰে নাম পৰিৱেশন কৰি সমন্বয়ৰ বাৰ্তা প্ৰেৰণ কৰিছে। তেওঁ কয় যে শিৱসাগৰৰ এক চহকী ঐতিহ্য আছে। আহোম স্বৰ্গদেউ চাওল্যুং চুকাফা আৰু তেওঁৰ পৰৱৰ্তীকালৰ স্বৰ্গদেউসকলে এই মাটিৰপৰাই ঐক্য-সম্প্ৰীতিক মূলমন্ত্ৰ হিচাপে লৈ পাহাৰ-ভৈয়াম সমন্বিতে সকলো জনগোষ্ঠী আৰু ধৰ্মাৱলম্বী লোকক সামৰি বৰ অসমীয়া জাতিগঠন প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। আনহাতে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱেও বিভিন্ন জনগোষ্ঠী আৰু ধৰ্মাৱলম্বী লোকক সামৰি জাতি গঠন প্ৰক্ৰিয়াৰ ক্ষেত্ৰত অনুঘটকৰ ভূমিকাত অৱতীৰ্ণ হয়। আজি শিৱসাগৰ বেতবাৰী শুকানপুখুৰী অঞ্চলত আহোম স্বৰ্গদেউ চাওল্যুং চুকাফা আৰু তেওঁৰ পৰৱৰ্তীকালৰ স্বৰ্গদেউসকলৰ লগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহৎ প্ৰচেষ্টা সুন্দৰ ৰূপত প্ৰতিফলিত হৈছে। এই পালনাম সফল কৰাৰ বাবে সকলো জনগোষ্ঠীয় লোকৰ লগতে ৰমজান মাহত ৰোজা পালন কৰা স্থানীয় ইছলাম ধৰ্মাৱলম্বী অনেক যুৱকে নিঃস্বাৰ্থভাৱে কাম কৰিছে। অসমৰ বিভিন্ন প্ৰান্তৰপৰা ইয়ালৈ অহা ভকত বৈষ্ণৱ আৰু আই মাতৃসকলে এই সমন্বয়ৰ বাৰ্তা অসমৰ বিভিন্ন প্ৰান্তলৈ কঢ়িয়াই নিব বুলি তেওঁ মন্তব্য কৰে। নৰপ্ৰজন্মৰ মাজত অধ্যাত্মিক চেতনা উজগাই তোলা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰে আগুৱাই যোৱা আৰু বিশ্বশান্তিৰ কামনাৰে এই মহাপালনাম অনুষ্ঠিত কৰা হৈছে বুলি সদৰি কৰে সদৌ অসম কৃষ্ণ সূৰ্য নাম সমাজৰ সম্পাদক দিলীপ চাংমাইয়ে। বাটচ'ৰা উন্মোচনৰ পিছতেই শিৱসাগৰ কোঁৱৰপুৰৰ চিত্ৰৰঞ্জন শইকীয়াৰ দলে দিহানাম পৰিৱেশন কৰে। বকতাৰ সপ্তৰথী দলেও দিহানাম পৰিৱেশন কৰে। আবেলি ভকতৰ শিৱিৰ উদ্বোধন কৰে বিজেপিৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি বিতোপন ৰাইদঙীয়াই। তাৰপিছত শিৱসাগৰ সুৰমণ্ডল সংগীত চৰ্চা কেন্দ্ৰই গুৰুবন্দনা, বৰগীত আৰু সত্ৰীয়া নৃত্য পৰিৱেশন কৰে। আবেলি চাৰি বজাত শৰাই অৰ্পণ কৰে তুল্য চেতিয়া পাতৰে। তাৰ পিছতেই কাটনীপাৰ সত্ৰ ডেকা সত্ৰাধিকাৰ প্ৰাঞ্জল মহন্তই অধিবাস নাম-প্ৰসংগ সম্পন্ন কৰে। আজি নিশা কৃষ্ণ সূৰ্য নাম সমাজ আৰু সাংস্কৃতিক গৱেষণা কেন্দ্ৰৰ তত্ত্বাৱধানত অংকীয়া নাট 'পাৰিজাত হৰণ' ভাওনা প্ৰদৰ্শন কৰা হ'ব। ভাওনাখনি আগবঢ়াব কামাখ্যা প্ৰসাদ মজিন্দাৰ বৰুৱা আৰু চিৰন্তন দেৱগোস্বামীৰ পৰিয়ালে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# বেজেৰা স্বাস্থ্যকেন্দ্ৰত স্বচ্ছতা অভিযান সম্পন্ন



**ই-সংবাদ, বাইহাটা চাৰিআলি, ২৩ মাৰ্চঃ** অসম চৰকাৰৰ স্বাস্থ্য বিভাগ আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন, অসমৰ নিৰ্দেশমৰ্মে সমগ্ৰ ৰাজ্যৰ চিকিৎসালয়সমূহত ৭ মাৰ্চ তাৰিখৰপৰা ১৪ মাৰ্চলৈ সপ্তাহজোৰা স্বচ্ছতা অভিযান কাৰ্যসূচী পালন কৰা হৈছে। এই উপলক্ষে কামৰূপ জিলাৰ বেজেৰাত অৱস্থিত বেজেৰা সামূহিক স্বাস্থ্যকেন্দ্ৰতো যোৱা ৭ মাৰ্চৰপৰা ৰূপায়ণ কৰা হৈছে এই কাৰ্যসূচী। এই কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী দিলীপ চন্দন ডেকাই। কাৰ্যসূচীৰ আৰম্ভণিতে বৃক্ষৰোপণ কৰে বেজেৰা সামূহিক স্বাস্থ্যকেন্দ্ৰৰ উপ-অধীক্ষক ডা° সবিন চন্দ্ৰ দাসে। উল্লেখযোগ্য যে ডা° সবীন চন্দ্ৰ দাসৰ নেতৃত্বত বেজেৰা সামূহিক স্বাস্থ্যকেন্দ্ৰই পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ক্ষেত্ৰত এক নতুন মাত্ৰা লাভ কৰিবলৈ সক্ষম হৈছে। অৱশ্যে চিকিৎসাৰ ক্ষেত্ৰত এগৰাকী শিশু বিশেষজ্ঞ চিকিৎসকৰ লগতে আৰু অধিক চিকিৎসকৰ প্ৰয়োজন আছে বুলি চিকিৎসালয়খনত উপস্থিত থকা সমাজকৰ্মী তথা বেজেৰা মণ্ডল বি জে পিৰ প্ৰাক্তন সভাপতি দিলীপ চন্দন ডেকাই মন্তব্য কৰে।

# সৰবৰহী ব্যক্তি বীৰেন দুৱৰাৰ মৃত্যুত তিনিচুকীয়া নগৰত শোকৰ ছাঁ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৩ মাৰ্চঃ** তিনিচুকীয়াৰ সৰ্বানন্দ সিংহ নগৰ নিবাসী, সৰবৰহী ব্যক্তি বীৰেন দুৱৰা ওৰফে ৰমেশ দুৱৰাৰ আজি নিজ বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। দীৰ্ঘদিন ধৰি দুৰাৰোগ্যত আক্ৰান্ত হৈ থকা দুৱৰাৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৬৫ বছৰ। দুৱৰা অসম গণ পৰিষদ দলৰ তিনিচুকীয়া আঞ্চলিক সমিতিৰ প্ৰাক্তন বিষয়ববীয়া আছিল। তেওঁ সৰ্বানন্দ সিংহ নগৰ ৰঙালী বিহু সন্মিলনৰ দীৰ্ঘকালীন সম্পাদক আছিল। বিভিন্ন সামাজিক, সাংস্কৃতিক সংগঠনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত দুৱৰাই মৃত্যুৰ সময়ত পত্নী তথা তিনিচুকীয়া বংগীয় বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ মামণি চিৰিং দুৱৰা, দুগৰাকী যমজ কন্যা, এগৰাকী পুত্ৰসহ বহু আত্মীয়-স্বজনক এৰি গৈছে। সামাজিক আৰু সাংস্কৃতিক কৰ্মী বীৰেন দুৱৰাৰ বিয়োগত চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা, পৰমানন্দ জাতীয় বিদ্যালয় পৰিচালন ন্যাসৰক্ষী মানস প্ৰতিম শৰ্মাকে ধৰি বিভিন্ন সংগঠনে গভীৰ শোকপ্ৰকাশ কৰিছে।

# জ্ঞানৰত্ন সাহিত্য একাডেমিৰ অধিৱেশন সম্পন্ন, বিশেষ গ্ৰন্থ উন্মোচন

**ই-সংবাদ, লাহৰীঘাট, ১৩ মাৰ্চঃ** যোৱা ৯ মাৰ্চত গুৱাহাটীৰ বেলতলাস্থিত অমলপ্ৰভা ভৱনত এক বৰ্ণাঢ্য কাৰ্যসূচীৰে জ্ঞানৰত্ন সাহিত্য একাডেমীৰ অধিৱেশন সম্পন্ন হয়। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি সমাজৰ বিভিন্ন ক্ষেত্ৰত কাম কৰি অহা ব্যক্তিসকললৈ বিভিন্ন শিতানৰ বঁটা প্ৰদান কৰা হয়। একাডেমীৰ ৰাষ্ট্ৰীয় সভাপতি ড° হেমচন্দ্ৰ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অনুষ্ঠানটিত বন্তি প্ৰজ্বলন কৰে সমাজসেৱিকা জুৰী বৰুৱাই। উক্ত অধিৱেশনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ পৃথিৱী মাঝি। এই অনুষ্ঠানতে অৰুণা বৰাৰ অনুভৱৰ নিলাভ নামৰ কবিতা পুথিখনি উন্মোচন কৰে একাডেমীৰ সভাপতি ড০ হেমচন্দ্ৰ বৰ্মনে। অসমৰ বিভিন্ন প্ৰান্তৰপৰা অহা কবি, সাহিত্যিক, লেখক, লেখিকা তথা বহু সাংস্কৃতিবান ব্যক্তিৰ উপস্থিতিৰ লগতে মণিপুৰ, কলকতাৰপৰা অহা অতিথিসকলে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। উল্লেখ্য যে ২০২১ চনত এই একাডেমীখন মৰিগাঁও জিলাত প্ৰতিষ্ঠা লাভ কৰিছিল। আজিৰ ক্ষণত কেইবাখনো ৰাজ্যৰ লগতে অসমৰ কেইবাখন জিলাত সময়ে সময়ে সাহিত্য-সংস্কৃতিৰ বিভিন্ন কাৰ্যক্ৰমণিকা লৈ কাম কৰি আছে বুলি জানিব পৰা গৈছে। বিশেষ কৈ নবীন-প্ৰবীণ লেখক-লেখিকা, প্ৰতিভাৱান লোকসকলক একাডেমীখনে অনুপ্ৰেৰণা যোগাই আহিছে। মূলতঃ সামাজিক ক্ষেত্ৰখন অধিক সুন্দৰ কৰাৰ উদ্দেশ্যেৰে এই একাডেমীখনে কাম কৰা দেখা যায়। অনুষ্ঠানটি আঁতধৰে ৰেকিবুল আজাদ আৰু ৰশ্মিৰেখা কাশ্যপে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ ন্যায়িক জিম্মালৈ মহবুবুল

আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা বিশ্ববিদ্যালয় মেঘালয় চমুকৈ ইউএছটিএমৰ উপাচাৰ্য মহবুবুল হকক আজি দিনটো জেৰা কৰাৰ অন্তত তেজপুৰত আদালতত হাজিৰ কৰে ঢেকীয়াজুলি আৰক্ষীয়ে। আজি তেজপুৰৰ আদালতে মহবুবুল হকক আৰক্ষী জিম্মাত নিদি ৫ দিনৰ বাবে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। ফলত তেজপুৰস্থিত কাৰাগাৰত ৫ দিন কটাব লাগিব হকে। ১৮ মাৰ্চত পুনৰ আদালতত হাজিৰ কৰা লাগিব বুলি নিৰ্দেশ দিয়ে আদালতে। ১২ মাৰ্চত শ্ৰীভূমিৰ কাৰাগাৰৰ ভিতৰতে গ্ৰেপ্তাৰ কৰি হকক ঢেকীয়াজুলিলৈ আনি জেৰা কৰা হয়। ১১ মাৰ্চত ঢেকিয়াজুলি আৰক্ষী থানাত ৰুজু কৰা হৈছিল এটা গোচৰ। মুকচেদ আলী নামৰ লোকজনে ঢেকীয়াজুলি আৰক্ষী থানাত গোচৰ ৰুজু কৰিছিল। জানিব পৰা মতে, মুকচেদ আলীৰ পুত্ৰও ইউএছটিএমৰ ছাত্ৰ আৰু পাথাৰকান্দি পাব্লিক স্কুলত পৰীক্ষা দিবলৈ গৈছিল। কিন্তু এটা নিউজ চেনেলত মন্তব্য দি মুকচেদ আলীয়ে গোচৰ দিয়াৰ কথা অস্বীকাৰ কৰিছে। মুকচেদ আলমে কয় যে আৰক্ষীৰ দল আহি মোক কথা থকা বুলি কৈ আৰক্ষী থানালৈ নিয়ে। তাত মোৰ ল'ৰাৰ কথা সোধে। মই ২ৰ পৰা ৩ লাখ টকা দিয়া বুলি অভিযোগ আনে। কিন্তু মই টকা নাই বুলি কও। কিন্তু মোক বহু সময় থানাত বহুৱাই থৈ বাৰে বাৰে মোৰ ল'ৰাৰ বাবে টকা দিয়া বুলি কয় যদিও মই অস্বীকাৰ কৰো। কিন্তু তেওঁলোকে কয় যে মই টকা দিছো। যদি গোচৰ দিও সেই টকা উলিয়াই দিম বুলি কয়। মই অস্বীকাৰ কৰো যদিও মোৰ পৰা এটা চহী লয়। পিছত গম পাও যে মোৰ চহীৰে গোচৰ ৰুজু কৰা হৈছে। ঢেকীয়াজুলি আৰক্ষী থানাত ৰুজু হোৱা গোচৰটো ষষ্ঠ গোচৰ। হকৰ বিৰুদ্ধে দুটা গোচৰ শ্ৰীভূমিত, এটা গোচৰ বৰপেটাত, এটা গোচৰ কোকৰাঝাৰক, এটা গোচৰ গোসাঁইগাঁৱত আন এটা ১১ মাৰ্চত ঢেকীয়াজুলিত ৰুজু কৰা হয়। শ্ৰীভূমিৰ এটা গোচৰত জামিন দিছিল উচ্চ ন্যায়ালয়ে। দ্বিতীয়টো গোচৰত জামিনক লৈ ১১ মাৰ্চত শুনানি সমাপ্ত হৈছে যদিও ৰায় নিদি সংৰক্ষণ কৰিছিল গুৱাহাটী উচ্চ ন্যায়ালয়ে। জামিনৰ ৰায় ঘোষণাৰ পূৰ্বেই ষষ্ঠটো গোচৰত ৰুজু কৰা হয়। হকৰ বিৰুদ্ধে ৰুজু তিনিটা গোচৰত গ্ৰেপ্তাৰ নকৰিবলৈ উচ্চ ন্যায়ালয়ে নিৰ্দেশ দিছিল। হকৰ বিৰুদ্ধে পঞ্চমটো গোচৰ গোসাঁইগাঁও আৰক্ষী থানাত ৰুজু হৈছিল। উত্তীৰ্ণ কৰাই দিম বুলি এগৰাকী শিক্ষাৰ্থীক পৰীক্ষাত বহুৱাৰ অভিযোগ তুলি শিক্ষাৰ্থীগৰাকীৰ অভিভাৱকে এজাহাৰ দাখিল কৰিছিল। গোসাইগাঁও আৰক্ষী থানাত ৰুজু তৃতীয় গোচৰৰ সন্দৰ্ভত মহবুবুল হকক গ্ৰেপ্তাৰ কৰাত বাধা দি নিৰ্দেশ জাৰি কৰিছিল উচ্চ ন্যায়ালয়ে। ক্ৰিপাঞ্জলি বসুমতাৰী নামৰ ছাত্ৰীৰ মাতৃ লিলাৱতী বসুমতাৰীয়ে গোসাঁইগাঁও আৰক্ষী থানাত গোচৰ ৰুজু কৰি গোসাইগাঁৱৰ পৰিৱৰ্তে প্ৰায় ৪০০ কিলোমিটাৰ দূৰৰ পাথাৰকান্দিত ক্ৰিপাঞ্জলিক পৰীক্ষা দিবলৈ নিয়াৰ অভিযোগ আনি পৰীক্ষাৰ নম্বৰ বৃদ্ধি কৰাৰ প্ৰস্তাৱ দিয়াৰ অভিযোগ উত্থাপন কৰিছিল। ইউএছটিএমৰ আচাৰ্য মহবুবুল হকক ২১ ফেব্ৰুৱাৰীৰ নিশা প্ৰায় ডেৰ বজাত গ্ৰেপ্তাৰ কৰিছিল অসম আৰক্ষীয়ে। মহানগৰীৰ ঘোঁৰামৰাৰ ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰি বৰাক উপত্যকাৰ শ্ৰীভূমি নিছিল আৰক্ষীয়ে। উল্লেখ্য যে, ইআৰডি ফাউণ্ডেচনৰ অধীনত চলা চিবিএছইৰ শ্ৰীভূমিৰ পাথাৰকান্দিৰ চেণ্ট্ৰেল পাব্লিক স্কুল চিবিএছইৰ পৰীক্ষাৰ কেন্দ্ৰ কৰা হৈছিল। পথাৰকান্দিৰ চেণ্ট্ৰেল পাব্লিক স্কুলৰ পৰীক্ষা কেন্দ্ৰত ২০ ফেব্ৰুৱাৰীত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল।

## ৰঙৰ উৎসৱত মুখৰিত গুৰুজনাৰ জন্মভূমি বৰদোৱা

# আজিৰে পৰা ৰাজ্যত ৰঙৰ উৎসৱ ফাকুৱা, বসন্তৰ আগমণিত উচাহৰ ঢৌ

**বটদ্ৰৱা থান প্ৰাংগণৰ পৰা জয়ন্ত মুদৈ, বেবেজীয়া, ১৩ মাৰ্চঃ** ‘ৰং ৰং নানা ৰং কিনিবলৈ যাওঁ/ৰংপুৰ অভিমুখে আমি আগুৱাও, যত যি ৰং পাঁও মোনাত ভৰাও/সেই ৰং পৃথিৱীলৈ আমি ছটিয়াও...’।- মৌ বৰষা কণ্ঠৰ অধিকাৰী সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাই সম্ভৱতঃ গুৰুজনাৰ ইতিহাস বিজড়িত জন্মভূমি বৰদোৱাক কেন্দ্ৰ কৰিয়েই ৰঙৰ উছৱ ফাকুৱাক লৈ এইদৰে কণ্ঠ নিগৰাইছিল। হয় ফাকুৱা মানেই ৰং-আনন্দৰ সমাহাৰ। নীলা, ৰঙা, বগা, সেউজীয়া, গোলপীয়া....। কত যে কিমান ৰঙৰ সমাহাৰ ঘটে এই ফল্গোৎসৱত। তাতে আকৌ ফাগুনৰ শেষত চ’তৰ আগমনে মন-প্ৰাণ উতলাই ডেকা-গাভৰুৰ মন চঞ্চল কৰি তোলা উদ্দীপনাৰ বতৰ। ফাকুৱা- যেন এৰাব নোৱাৰা এক মিলনমালা। এই মিলনৰ বৈভৱ দাঙি ধৰি বৃহত্তৰ অসমত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শ্ৰীমন্ত শংকৰদেৱৰ জন্ম আৰু আদি লীলাভূমি নগাঁৱৰ বৰদোৱা(আলিপুখুৰী)ৰ পৱিত্ৰ বটদ্ৰৱা থানত পূৰ্ব পৰম্পৰা অটুট ৰাখি এইবেলিও আজিৰে পৰা পাঁচদিনীয়াকৈ দৌল মহোৎসৱটি আড়ম্বৰপূৰ্ণভাবে শুভাৰম্ভ হৈছে। স্মৰ্তব্য যে, ৰামচৰণ ঠাকুৰৰ দ্বাৰা ৰচিত 'গুৰুচৰিত'ত উল্লেখ কৰা মতে মহাপুৰুষ শংকৰদেৱে মাত্ৰ একৈছ বছৰ বয়সতে বৰদোৱা সত্ৰত পোনপ্ৰথমে দৌল উৎসৱ আৰম্ভ কৰিছিল। সেই অনুসৰি তাল-খোল-শংখ আদিৰ মাংগলিক ধ্বনিৰ মাজেৰে মহাপুৰুষজনাই ৰচনা কৰা দৌলগীত গাই দৌললৈ যাত্ৰা কৰি দৌলত গোঁসাই মূৰ্তি স্থাপন কৰি গন্ধ গায়। ইয়াৰ পিছত শংকৰদেৱে হাতত তিল আৰু কুশ লৈ হৰিনাম পৰিৱেশনেৰে গোঁসাই মূৰ্তিক দৌলত থৈ ঘৰা-ঘৰি যায়। পিছদিনা পুৱাতে গা-পা ধুই দৌলৰ কাষলৈ আহি শংকৰদেৱে বন্দনা কৰে। ভকতসকলেও ঢোল-খোল বজাই গীত জুৰাৰ লগতে ফাকুগুড়ি ছটিয়াই আৰু আনন্দ-স্ফূৰ্তিত মতলীয়া হৈ পৰে। এনেদৰেই মহাপুৰুষজনাই সমাজত কৃষ্ণভক্তিৰ ৰস বোৱাই দিবলৈকে বৰদোৱাত দৌল উৎসৱৰ পাতনি মেলিছিল বুলি জনা যায়। উল্লেখ্য যে, বহু বছৰ আগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নাম-ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে স্থাপন কৰি থৈ যোৱা কীৰ্তন ঘৰক কেন্দ্ৰ কৰিয়েই বৰ্তমানৰ আকৰ্ষণীয় পৰ্যটনথলীলৈ ৰূপান্তৰিত হোৱা বটদ্ৰৱা থানত প্ৰতি বছৰে ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে জাকজমককৈ উদযাপন কৰি অহা এই দৌলোৎসৱ অসমৰ জনজীৱনৰো এক অংগ হৈ পৰিছে। সেয়ে আজি সমগ্ৰ বৰদোৱা অঞ্চলত উৎসৱমূখৰ পৰিৱেশৰ সৃষ্টি হৈছে। প্ৰায় এমাহজোৰা প্ৰস্তুতি আৰু অধীৰ অপেক্ষাৰ অন্তত বৰদোৱাবাসী আনন্দত আত্মহাৰা হৈ পৰা পৰিলক্ষিত হৈছে। নগাঁও জিলা প্ৰশাসনৰ সহযোগীতাত বটদ্ৰৱা থান পৰিচালনা সমিতিয়ে যুদ্ধকালীন তৎপৰতাৰে ভকত-বৈষ্ণৱ, তীৰ্থ যাত্ৰীৰ সেৱা শুশ্ৰষাৰ কামত মনোনিৱেশ কৰিছে। কাৰ্যসূচী অনুসৰি আজি গন্ধ উৎসৱ পালন কৰা হয়। পূৰ্ব পৰম্পৰা তথা আচাৰ-ৰীতিক সাৰোগত কৰি পালিত এই উৎসৱ উপলক্ষে পুৱা পাঁচ বজাৰ পৰা একাদিক্ৰমে তাল কোবোৱা, মঞ্জিৰা নাম, আইসকলৰ নাম, খোল-প্ৰসংগ, ভকতৰ নাম, ভাগৱত পাঠ, গুণমালা, ভটিমা প্ৰসংগ আদিৰ সমাপ্তিত বিয়লি গায়ন-বায়নৰ দ্বাৰা সম্পূৰ্ণ আধ্যাত্মক পৰিৱেশত শ্ৰীকৃষ্ণৰ মূৰ্তিভাগ(গোঁসাই)ক কীৰ্তন ঘৰৰ পৰা উলিয়াই আনি স্নান কাৰ্য সম্পাদন কৰি পৱিত্ৰ আকাশী গংগাৰ তীৰত গন্ধ ঘৰ পোৰা উৎসৱ পালন কৰাৰ পিছত গোঁসাইক ৰভাতলত স্থাপন কৰা হয় আৰু গায়ন-বায়নৰ দ্বাৰা ৰাম-ধেমালি গীত পৰিৱেশন কৰা হয়। পৰৱৰ্তী পৰ্যায়ত গোঁসাইক গন্ধ তেলেৰে নোৱাই-ধুৱাই নতুন বস্ত্ৰ পৰিধান কৰোৱাই গন্ধ উৎসৱ সম্পন্ন কৰা হয়। কাইলৈ পুৱাৰ ভাগত নিত্য-নৈমিত্তিক প্ৰসংগ সম্পন্ন হোৱাৰ পিছত দুপৰীয়া গায়ন-বায়নৰ দ্বাৰা ন-ধেমালিৰ মাজেৰে গীত পৰিৱেশন আৰু গোঁসাই পূজাৰ অন্তত গোঁসাই মূৰত ফাকু দিয়া উৎসৱ পালন কৰা হ’ব। গোঁসাই মূৰত ফাকু দিয়াৰ সময়ত ন-ধেমালি বজায় ৰচক তালত 'ফাকু খেলে কৰুণাময় এ নন্দ কুমাৰ' শীৰ্ষক গীতৰ লগতে উৰেষা বৰ্ণনাৰ 'ৰংগে ফাকু খেলে চৈতন্য কুমাৰ' শীৰ্ষক কীৰ্তন গোৱা হ’ব। গোঁসাইৰ মূৰত ফাকু দিয়া এই পৱিত্ৰ দিনটোত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বটদ্ৰৱা থানত পদাৰ্পন কৰিব। মুখ্যমন্ত্ৰীয়ে বটদ্ৰৱা থানত নিৰ্মাণ কাৰ্য চলি বহু চৰ্চিত বটদ্ৰৱা প্ৰকল্পস্থলী পৰিদৰ্শন কৰাৰ লগতে থানত সেৱা ল'ব। মুখ্যমন্ত্ৰীৰ আগমনক কেন্দ্ৰ কৰি আজি বটদ্ৰৱা থান পৰিচালনা সমিতিৰে বিধায়ক ৰূপক শৰ্মাৰ এক বৈঠক অনুষ্ঠিত হয়। এই দৌলযাত্ৰা মহোৎসৱৰ ১৪, ১৫ আৰু ১৬ মাৰ্চত নিশা আকাশী গংগাৰ পাৰৰ আই খেৰসূতি সাংস্কৃতিক মঞ্চত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ’ব। এই তিনিও নিশাতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা আমন্ত্ৰিত শিল্পীদলৰ দ্বাৰা সত্ৰীয়া নৃত্যানুষ্ঠান, হোলী নৃত্য, বিভিন্ন জাতি-জনগোষ্ঠীৰ বৰ্ণিল নৃত্যানুষ্ঠান, লোক নৃত্য, লোক সংগীত, বৰগীত, শাস্ত্ৰীয় নৃত্য, দিহানাম আদিকে ধৰি এলানি বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানৰ ব্যৱস্থা কৰিছে। ইয়াৰে ১৬ মাৰ্চৰ নিশা সাংস্কৃতিক অনুষ্ঠানৰ শুভ উদ্বোধন কৰিব অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অসম সাহিত্য সভাৰ উপসভাপতি পদুম ৰাজখোৱা আৰু প্ৰধান সম্পাদক দেৱজিৎ বৰা উপস্থিত থাকিব। উল্লেখ্য যে, মিলনৰ বাৰ্তা কঢ়িয়াই বৰদোৱাৰ ফল্গুৎসৱে তাহানিৰে পৰা দাঙি ধৰা অপূৰ্ব আদৰ্শক সাৰোগত কৰিয়েই পূৰ্বৰ দৰে এইবেলিও ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা ভক্তপ্ৰাণ ৰাইজৰ সমাবেশ ঘটিছে গুৰুজনাৰ ওপজা ভূমিলৈ। ক’ব পাৰি অবিস্মৰণীয় এক ক্ষণ হৃদয়ে হৃদয়ক আঁকোৱালি লোৱাৰ এক পণ যেন এই ৰং। বৰদোৱাই এই ৰঙৰ মাজেৰে অনাদি অনন্ত কাললৈ গুৰুজনাৰ অপূৰ্ব সৃষ্টি ৰঙৰ উৎসৱ ফাকুৱাক দি যাব এক অনন্ত গতি। সেয়ে হয়তো ডেকা-গাভৰুৰ পৰা ধৰি আৱাল-বৃদ্ধ-বণিতালৈকে এতিয়া এই পৱিত্ৰ স্থানলৈ বৈছে অহৰহ সোঁত। ইফালে, বটদ্ৰৱা দৌলযাত্ৰা মহোৎসৱত অংশগ্ৰহণ কৰিবলৈ অহা তীৰ্থ যাত্ৰীৰসকলৰ সুবিধাৰ বাবে নগাঁও-মৰিগাঁও বাছ আস্থানৰ পৰা বটদ্ৰৱালৈ অস্থায়ীভাৱে বাছ সেৱা চলিব বুলি থান পৰিচালনা সমিতিয়ে সংবাদ মাধ্যমক জানিবলৈ দিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

## ট্ৰাইবেল বেল্টৰ ভূমিত বে-দখল

উত্থাপিত হৈছে। উল্লেখ্যে যে মাৰ্ঘেৰিটা সমজিলাৰ অন্তৰ্গত জাগুন কথাগাম গাঁৱৰ ঐতিহাসিক ৰজা কথাগাম চিংফৌৰ নিজা দখলত থকা ভূমি দীপক ছেত্ৰী নামৰ লোকজনে ৩২ বিঘা ভূমি বেদখল কৰাক লৈ ৰজা কথাগাম চিংফৌৰ পৰিয়ালৰ সৈতে সৃষ্টি হৈছিল এক সংঘাত। টিৰাপ ট্ৰাইবেল বেল্টৰ ভূমি বেদখল কৰাৰ ঘটনাক লৈ টিৰাপ স্বায়ত্তশাসিত দাবী পৰিষদে আজি মাৰ্ঘেৰিটাত এক সংবাদমেল সম্বোধন কৰে। উক্ত সংবাদমেলত উপস্থিত থাকে টিৰাপ স্বায়ত্তশাসিত দাবী পৰিষদৰ উপদেষ্টা ভুগেশ্বৰ শ্যাম, সাধাৰণ সম্পাদক পল্লৱ শ্যাম ৰাইলুং, কথাগাম চিংফৌ গাঁৱৰ মূৰব্বী চেংগাম চিংফৌ, কথাগাম চিংফৌ, লুমাই চিংফৌ, ৰয়টং চিংফৌ, থুমাই চিংফৌ, চেংগ্ৰাম চিংফৌ, নাং জিটং চান সহ বহু সংখ্যক জনজাতীয় নেতা-নেত্ৰী। পৰিষদে টিৰাপ ট্ৰাইবেল বেল্টৰ ভূমি অজনজাতি লোকে বেদখল কৰাক লৈ তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। পৰিষদে অতি শীঘ্ৰে টিৰাপ ট্ৰাইবেল বেল্টৰ ভূমি বেদখল মুক্ত কৰি জনজাতীয় লোকসকলক সুৰক্ষিত কৰিবলৈ চৰকাৰ প্ৰশাসনৰ প্ৰতি দাবী জনাইছে। জনজাতীয় লোকসকলৰ দাবীৰ প্ৰতি প্ৰশাসনৰ ভূমিকা হ’ব লক্ষণীয়।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

# শালনাত বনৰীয়া হাতীৰ আক্ৰমণত যুৱকৰ মৃত্যু


**ই-সংবাদ, পুৰণিগুদাম, ১৩ মাৰ্চঃ** নগাঁও জিলাৰ শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত দক্ষিণ ডিজু সংৰক্ষিত বনাঞ্চলত বনৰীয়া হাতীৰ আক্ৰমণত এজন যুৱকৰ থিতাতে মৃত্যু ঘটে। শালবাৰী খণ্ড বন কাৰ্যালয়ৰ সন্মুখেৰে তথা শালনা আঞ্জুকপানী সংযোগী পথেৰে যোৱা নিশা প্ৰায় ১০ বজাত নিজ ঘৰলৈ গৈ থকা অৱস্থাত বনৰীয়া হাতীয়ে ছাইফুল ইছলাম(২০) নামৰ যুৱকজনক আক্ৰমণ কৰে। হাতীৰ আক্ৰমণত যুৱকজনৰ মৃত্যু হয় বুলি জানিব পৰা গৈছে। প্ৰাপ্ত খবৰ মতে, যোৱা নিশা যুৱকজনে নিজৰ দোকান বন্ধ কৰি ঘৰলৈ ওভতাৰ সময়তে এটা বনৰীয়া হাতীয়ে যুৱকজনক আক্ৰমণ কৰে। ফলত যুৱকজনৰ থিতাতে মৃত্যু ঘটে। পৰৱৰ্তী সময়ত শালবাৰী খণ্ড বন কাৰ্যালয়ৰ বন কৰ্মী আৰু স্থানীয় ৰাইজ উপস্থিত হৈ হাতীৰ আক্ৰমণত মৃত্যু হোৱা যুৱকজনৰ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# ৰাইদঙীয়াত বিহুনৃত্য, ঢোল বাদন কৰ্মশালাৰ আয়োজন

**ই-সংবাদ, বেৰেজীয়া, ১৩ মাৰ্চঃ** অসমীয়াৰ বাপতিসাহোন প্ৰাণৰ উৎসৱ ব'হাগ বিহুলৈ মাজতে আছে এমাহ দিন। সেয়ে সমগ্ৰ ৰাজ্যতে অতি আদৰৰ ব'হাগ বিহুটিক আদৰাৰ বাবে প্ৰস্তুতি আৰম্ভ হোৱাৰ বিপৰীতে ঠায়ে ঠায়ে বিহু কেন্দ্ৰিক নানা প্ৰকাৰৰ কৰ্মশালা অনুষ্ঠিত কৰা হৈছে। ইয়াৰ অংশ হিচাপে নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত ৰাইদঙীয়াত অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান স্বাগতম গোষ্ঠীৰ উদ্যোগত এটি বিহুনৃত্য আৰু ঢোল বাদন কৰ্মশালাৰ আয়োজন কৰা হৈছে। এই কৰ্মশালাখনি অহা ২০ মাৰ্চৰ পৰা স্থানীয় ক'ৰচুং শ্বহীদ স্মৃতি আঞ্চলিক খেলপথাৰত অনুষ্ঠিত হ'ব। কৰ্মশালাত প্ৰশিক্ষক হিচাপে কংকনা কোঁৱৰ, পৰিত্ৰ প্ৰাণ শইকীয়া আৰু ভৰজ্যোতি বৰা উপস্থিত থাকিব। কৰ্মশালাত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক প্ৰশিক্ষাৰ্থীসকলে প্ৰয়োজনীয় প্ৰ-পত্ৰসমূহ ৰাইদঙীয়াৰ বৰিবজাৰস্থিত স্বাগতম গোষ্ঠীৰ অস্থায়ী কাৰ্যালয়, ডৰিয়লি ষ্ট'ৰ, কস্তুৰী ভাণ্ডাৰ, মঞ্জিল ষ্ট'ৰ আৰু পাঁচআলিৰ শিৱ ষ্ট'ৰৰ পৰা সংগ্ৰহ কৰিব পাৰিব। লগতে কৰ্মশালাৰ বিষয়ে অধিক জানিবৰ বাবে ৯১২৭৩-৪২৭৪৪, ৯৪৩৫০-৪৬৪৬১ অথবা ৯৪৩৫৪-৩৯৩৩৬ নম্বৰত যোগাযোগ কৰিব পাৰিব। উল্লেখ্য যে, এঘাৰদিনীয়াকৈ আয়োজিত কৰ্মশালাখনি ৩০ মাৰ্চত সামৰণি পৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

# ডুমডুমাৰ নাগাৰাবাদক শিল্পী ক্ষুদ্ৰ ব্যৱসায়ী নগেন তালুকদাৰৰ মৃত্যু

**ই-সংবাদ, তিনিচুকীয়া, ১৩ মাৰ্চঃ** ডুমডুমা চহৰৰ ১০ নং ৱাৰ্ডৰ অম্বিকাগিৰি পথ নিৱাসী, নাগাৰাবাদক শিল্পী তথা ক্ষুদ্ৰ ব্যৱসায়ী নগেন তালুকদাৰ(৫৫)ৰ আজি পুৱা প্ৰায় ৯ বজাত মৃত্যু ঘটে। অলপতে তেওঁ এটা পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হৈ ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছিল। আজি চিকিৎসাধীন অৱস্থাত তেওঁৰ মৃত্যু ঘটে। তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে ডুমডুমাৰ লগতে জন্মস্থান নলবাৰী জিলাৰ বৰকুৰিহা শিমলুৱা গাঁৱতো গভীৰ শোকৰ ছাঁ পৰে। উল্লেখ্য যে, যোৱা ৮ মাৰ্চৰ দিনৰ ভাগত মাকুম-তিনিচুকীয়া বাইপাচেৰে নিজৰ স্কুটিখন চলাই তিনিচুকীয়া অভিমুখে গৈ থাকোঁতে আকস্মিকভাৱে হৃদৰোগত আক্ৰান্ত হৈ হেলমেট পিন্ধি থকা অৱস্থাতো তেওঁ পথৰ ওপৰত বাগৰি পৰাত মূৰৰ আগফালে গুৰুতৰভাৱে আঘাত পায় আৰু আহত অৱস্থাত তেওঁক অসম চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হয়। তেওঁ ডুমডুমা নাগাৰা নাম সংঘৰ নাগাৰাবাদক শিল্পীৰ উপৰি ডুমডুমা অসমীয়া পূজা ঘৰৰ সক্ৰিয় সেৱক আছিল। অতি অমায়িক স্বভাৱৰ তালুকদাৰে ঘৰতে এখন ক্ষুদ্ৰ গেলামালৰ দোকান দি চাৰিজনীয়া পৰিয়ালটো পোহপাল দি আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী,



দুই বিহুৱা পুত্ৰ, দুই জ্যেষ্ঠ-কনিষ্ঠ ভাতৃসহ বহুসংখ্যক আত্মীয়ক ইহ-সংসাৰত এৰি থৈ যায়। শিল্পী নগেন তালুকদাৰৰ বিয়োগত ডুমডুমা নাগাৰা নাম সংঘ, অম্বিকাগিৰি পথৰ শ্ৰীকৃষ্ণ মন্দিৰ সমিতি, ডুমডুমা শিৱ মন্দিৰ সমিতি, ডুমডুমা অসমীয়া পূজা আৰু নাট্য মন্দিৰ সমিতি, ডুমডুমা জ্যেষ্ঠ নাগৰিক সংস্থা, ডুমডুমা শতদল শাখা সাহিত্য সভা, ডুমডুমা ট্ৰেডাৰ্ছ এছ'চিয়েচন, আজাদ ৰোড কালী মন্দিৰ সমিতি, ডুমডুমা নামঘৰ, ডুমডুমা প্ৰেছ ক্লাব, তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱা আদিয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

# চামতাত নাট্যশিল্পী ৰমনী বৰ্মনৰ একাদশ মৃত্যু বাৰ্ষিকী উপলক্ষে ৰাজহুৱা শ্ৰদ্ধাঞ্জলি আৰু স্মৃতিচাৰণ অনুষ্ঠান

**ই-সংবাদ, চামতা, ১৩ মাৰ্চঃ** লোক-পৰিৱেশ্য কলাক কৌশলী শৈলীৰে নাটকত উপস্থাপন কৰি অগতানুগতিক নাট্য ধাৰাৰে অসমীয়া নাট্য ক্ষেত্ৰখনলৈ অনবদ্য অৱদান আগবঢ়াই অনন্য কৃতিত্ব অৰ্জন কৰা ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ স্নাতক, প্ৰয়াত নাট্যশিল্পী ৰমনী বৰ্মনৰ একাদশ বাৰ্ষিক মৃত্যু তিথি উপলক্ষে অহা ১৪ মাৰ্চত চামতাস্থিত পশ্চিম নলবাৰী প্ৰেছ ক্লাব প্ৰাংগণত এক বিশেষ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি আৰু স্মৃতিচাৰণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উল্লেখ্য যে আশী-নব্বৈৰ দশকতে চং, শুনা শুনা সভাসদ, যদুকুল, কৃষ্ণগুৰু আদি ভালেসংখ্যক মঞ্চসফল নাটক পৰিচালনাৰে ৰাজ্য তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ খ্যাতি অৰ্জন কৰা অসম নাট্য সন্মিলনৰ 'মোহন ভাইৰা বঁটা-২০১৪' প্ৰাপক বিৰল নাট্য প্ৰতিভাৰ অধিকাৰী চামতাৰ প্ৰয়াত নাট্যশিল্পী ৰমনী বৰ্মন আছিল এগৰাকী নিষ্ঠাৱান নাট্য সংগঠক, নাট্যকাৰ আৰু অভিনেতা। কাইলৈ বিয়লি ৫ বজাৰ পৰা আৰম্ভ হ'ব লগা এই বিশেষ অনুষ্ঠানতে নাট্যশিল্পী ৰমনী বৰ্মন স্মৃতিৰক্ষা সমিতি (তদৰ্থ)খন পূৰ্ণাংগ ৰূপত গঠন কৰাৰ লগতে প্ৰস্তাৱিত 'নাট্যশিল্পী ৰমনী বৰ্মন সোঁৱৰণী গ্ৰন্থ'ৰ সম্পাদনা সমিতিখনো গঠন কৰা হ'ব। নাট্যশিল্পী ৰমনী বৰ্মন স্মৃতিৰক্ষা সমিতি (তদৰ্থ)ৰ আহ্বায়ক মণ্ডলী ক্ৰমে ৰমেশ কুমাৰ হালৈ, বলেন কুমাৰ গোস্বামী, ঘন বৈশ্য, সুৰেণ দেৱ বৰ্মন, গণেশ বৰ্মন, ৰাজেন বৈশ্য, বিনয় শৰ্মা, দ্বীপেন মেনা, নৰৰত্ন পাটোৱাৰী, ৰীতা দত্ত, নুৰুল ইছলাম, জয়ন্ত তালুকদাৰ, প্ৰদীপ কুমাৰ বৰ্মন, জোন কুমাৰ হালৈ, সোণ আহমেদ, অনিমেশ বৰ্মন, মুকুল বৰ্মন, ৰাজীৱ দত্ত, নৱকান্ত বৰ্মন আৰু গৌতম বৰ্মনে উক্ত অনুষ্ঠানৰ আটাইবোৰ কাৰ্যসূচীত সৰ্বস্তৰৰ লোকৰ উপস্থিতি তথা সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে।

# বৰমাত বিনামূলীয়া চকু চিকিৎসা শিৱিৰ সম্পন্ন

**ই-সংবাদ, বৰমা, ১৩ মাৰ্চঃ** বাক্সাৰ বৰমাত বৰমা থানা পৰ্যায়ৰ নাগৰিক সমিতিৰ উদ্যোগত আৰু বৰমা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ সহযোগত এক বিনামূলীয়া চকু চিকিৎসা শিৱিৰ অনুষ্ঠিত কৰা হয়। উক্ত শিৱিৰত বৰমা অঞ্চলৰ বহু লোকে অংশগ্ৰহণ কৰি বিনামূলীয়াকৈ চকু পৰীক্ষা কৰায়। শিৱিৰত বাক্সা আৰু নলবাৰীৰ জ্যেষ্ঠ চকু চিকিৎসকৰ দলে চকু পৰীক্ষা কৰে। শিৱিৰত বিনামূলীয়াকৈ অস্ত্ৰোপচাৰ কৰাবো ব্যৱস্থা গ্ৰহণ কৰে নাগৰিক সমিতিয়ে। এই উপলক্ষে বৰমা থানা পৰ্যায়ৰ নাগৰিক সমিতিৰ অধ্যক্ষ ৰিদীপ কুমাৰ জেকাৰ সভাপতিত্বত অনুষ্ঠিত হয় এখন সভা। চিকিৎসা শিৱিৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বাক্সা জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ মনোজ কুমাৰ দাসে। অনুষ্ঠানত উপস্থিত থাকে মহকুমা স্বাস্থ্য বিষয়া ডাঃ দৰ্পৰাম কলিতা, বৰমা সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া প্ৰিয়মা ব্ৰহ্ম, বৰমা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মদন চন্দ্ৰ কলিতাৰ লগতে স্বাস্থ্য কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰীসকল।

# ভক্তৰ সমাগমেৰে উদুলি-মুদুলি জামুগুৰিৰ ঐতিহাসিক সাৰ্বজনীন গৰখীয়া থান

**গৰখীয়া থানৰ পৰা জয়ন্ত মুদৈ, ১৩ মাৰ্চঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ জামুগুৰিত অৱস্থিত প্ৰায় চাৰে তিনিশ বছৰীয়া পুৰণি ইতিহাস প্ৰসিদ্ধ সাৰ্ব্বজনীন গৰখীয়া থানত ১৯৯৩ চনৰ পৰা উদযাপন কৰি অহা দৌল উৎসৰভাগে এইবাৰ ৩২ সংখ্যক বৰ্ষত ভৰি দিছে। বিগত বৰ্ষবোৰৰ দৰেই এইবাৰো আয়োজিত দৌল উৎসৱটি ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে আজিৰে পৰা চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে আৰম্ভ হৈছে। এই মৰ্মে, বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্তৰ সমাগমেৰে থান প্ৰাংগণ উদুলি-মুদুলি হৈ পৰাৰ লগতে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। পুৱা আঠ বজাত পোৱাল চন্দ্ৰ নাথ, ধেনুৰাম নাথ, ফুলকন নাথ, গোলাপ নাথ আৰু উৎপল বৰদলৈৰ নেতৃত্বত অঞ্চলটোৰ যুৱক-যুৱতী আৰু ৰাইজৰ দ্বাৰা পৰিৱেশ নিকাকৰণেৰে দৌল উৎসৱটিৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ ঘটোৱাৰ পিছতে থানৰ মূল ধৰ্মধ্বজা উত্তোলন কৰে থান পৰিচালনা সমিতিৰ সভাপতি থানেশ্বৰ নাথে আৰু স্মৃতি তৰ্পণ কৰে সমাজকৰ্মী ড০ চত্ৰপতি পোড়েলে। পুৱা দহ বজাত ভক্তপ্ৰাণ ৰাইজৰ দান, বৰঙণি আৰু শৰাই সঁফুৰা গ্ৰহণৰ পিছতে পাঠাচাৰ্য অনন্ত নাথৰ দ্বাৰা কীৰ্তন পাঠ কৰা হয়। দুপৰীয়া গায়ন বীৰেন চন্দ্ৰ নাথৰ তত্ত্বাৱধানত খোল-প্ৰসংগেৰে থান চৌহদ মুখৰিত কৰি তোলা হয়। সন্ধিয়া থানঘৰীয়া টংকেশ্বৰ নাথৰ দ্বাৰা সমূহীয়া বন্তি প্ৰজ্বলনৰ অন্তত সন্ধ্যা প্ৰসংগ আৰু মংগল ধ্বনি কাৰ্যসূচী সম্পন্ন কৰা হয়। কাইলৈ উৎসৱৰ দ্বিতীয় দিনা পুৱাৰ ভাগত গন্ধৰ বাদন, দৌল মন্দিৰত দৌলধ্বজা সংস্থাপন, মণিকূট আৰু দৌল মন্দিৰত বন্তি প্ৰজ্বলন, অঞ্চলটোৰ ৩১ টা নামঘৰৰ পৰা ধৰ্মধ্বজা আৰু জল কলছি লৈ থানলৈ যাত্ৰা, উৎসৱৰ ৩২ ভাগ ধৰ্মধ্বজা উত্তোলন, গোঁসাই স্নান, স্থাপন আৰু ভকতক নিৰ্মালি প্ৰদান, কীৰ্তন পাঠ, খোল প্ৰসংগ আৰু নাম প্ৰসংগৰ পিছতে বিয়লি আমন্ত্ৰিত নামতী দলৰ দিহানাম পৰিৱেশন, সম্বৰ্ধনা, সাহায্য আৰু শৈক্ষিক বঁটা প্ৰদান অনুষ্ঠানৰ লগতে সন্ধিয়া বন্তি প্ৰজ্বলন, মংগল ধ্বনি, সন্ধ্যা প্ৰসংগ আৰু জোৰা পৰিৱেশনৰ পিছতে নিশা মহিলা শিল্পীৰ দ্বাৰা অংকীয়া ভাওনা 'অভিশপ্তা তুলসী' প্ৰদৰ্শন কৰা হ'ব বুলি উদ্যোক্তা সমিতিৰ হৈ উৎপল বৰদলৈ, পুষ্পেন্দ্ৰ হাজৰিকা আৰু বুবুল বৰদলৈয়ে জানিবলৈ দিছে।

# নলবাৰীত ডকাইতি হোৱা চুপাৰি ভৰ্তি ট্ৰাক উদ্ধাৰ,আৰক্ষীৰ তদন্ত অব্যাহত

**ই-সংবাদ, অভয়াপুৰী, ১৩ মাৰ্চঃ** গুৱাহাটীৰ পৰা মহাৰাষ্ট্ৰ অভিমুখী চুপাৰিভৰ্তি ট্ৰাক এখনত নলবাৰীত ডকাইতি সংঘটিত হোৱাৰ পাছত ট্ৰাকখন বঙাইগাঁও জিলাৰ কাঁকৈজানাত উদ্ধাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, এম পি-২০ জে এন-৭৫৩৯ নম্বৰৰ চুপাৰিভৰ্তি ট্ৰাকখন গুৱাহাটীৰ পৰা মহাৰাষ্ট্ৰলৈ গৈ আছিল। কিন্তু নলবাৰী পাওঁতে ৬ দুৰ্বৃত্তই চুপাৰিভৰ্তি ট্ৰাকৰ চালক-হেণ্ডিমেনক হাত-ভৰি বান্ধি অপহৰণ কৰে।তদুপৰি ট্ৰাকখনৰ চালক-হেণ্ডিমেনক চকুত কাপোৰ বান্ধি ম'বাইল ফোন আৰু ছয় হাজাৰ টকা লৈ নলবাৰীৰ পৰা ২০ কিলোমিটাৰমান নিলগত চালক-হেণ্ডিমেনক এৰি থৈ দুৰ্বৃত্তৰ দলটোৱে পলায়ন কৰে। উক্ত ট্ৰাকখন ৰহস্যজনকভাৱে বঙাইগাঁও জিলাৰ অভয়াপুৰী থানা তথা উত্তৰ শালমাৰা আৰক্ষী চকীৰ অন্তৰ্গত কাঁকৈজানাত ১১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপৰ এটি গ্ৰাম্য পথত গৰাকী বিহীনভাৱে উদ্ধাৰ হয়। তাৰ পাছতে চালক-হেণ্ডিমেন উপস্থিত হৈ নিশা ডকাইতি সংঘটিত হোৱা বুলি বৰ্ণনা কৰে। সম্প্ৰতি উদ্ধাৰকৃত ট্ৰাকখন উত্তৰ শালমাৰা আৰক্ষী চকীৰ জিম্মাত আছে আৰু আৰক্ষীৰ তদন্ত অব্যাহত আছে।

# ‘সংস্কৃত ভাষাৰ প্ৰসাৰৰ বাবে বৃত্তিমূলক প্ৰশিক্ষণ আৰু কাৰ্যকলাপ’ শীৰ্ষক কাৰ্যসূচীৰ আয়োজন

**ই-সংবাদ, তিনিচুকীয়া, ১৩ মাৰ্চঃ** সংস্কৃত ভাৰতীৰ তিনিচুকীয়া নগৰ সমিতি, তিনিচুকীয়াৰ সংস্কৃত অধ্যয়ন কেন্দ্ৰ আৰু ৱিমেনজ কলেজ তিনিচুকীয়াৰ সংস্কৃত বিভাগে সংস্কৃত ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে বিগত বৰ্ষসমূহত বিভিন্ন ধৰণৰ কাৰ্যক্ৰম ৰূপায়ণ কৰি আহিছে। সেই একে উদ্দেশ্য আগত ৰাখি সংস্কৃত ভাৰতী তিনিচুকীয়া নগৰ সমিতি, তিনিচুকীয়াৰ সংস্কৃত অধ্যয়ন কেন্দ্ৰ আৰু ৱিমেনজ কলেজ তিনিচুকীয়াৰ যৌথ আঁচনিৰে মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিৰূপণ কোষ (আই কিউ এ চি) ৰ সহযোগিতাৰে ১৬ মাৰ্চৰ পুৱা ১০ বজাত তিনিচুকীয়াৰ ৱিমেনজ কলেজৰ সভাগৃহত Vocational Training and Activities for Promoting Sanskrit Language নামেৰে এটা দিনজোৰা কাৰ্যসূচীৰ আয়োজন কৰিছে। কাৰ্যসূচীত বিশেষ সমল ব্যক্তিৰ দ্বাৰা সম্ভাষণবৰ্গ, সংস্কৃত শিক্ষকসকলৰ শৈক্ষিক কৰ্মশালা, কুইজ, শিক্ষাৰ্থীসকলৰ মাজত প্ৰতিযোগিতা আদিৰ আয়োজন কৰাৰ লগতে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ ভূতপূৰ্ব অধ্যক্ষ, বিশিষ্ট সমাজকৰ্মী ডাঃ নাৰায়ণ উপাধ্যায়ক মুখ্য অতিথি, সংস্কৃত ভাৰতীৰ উত্তৰ-পূৱ প্ৰান্তৰ সহ সংগঠন মন্ত্ৰী ৰাজেন আচাৰ্যক বিশিষ্ট অতিথি আৰু তিনিচুকীয়াৰ বিশিষ্ট সমাজকৰ্মী, লেখক অনিল বৰাক দীপ প্ৰজ্বলক হিচাপে সভালৈ আমন্ত্ৰণ জনাইছে। সভাত ৰাইজৰ উপস্থিতি আৰু সহযোগিতা সংস্কৃত ভাৰতী, তিনিচুকীয়া নগৰ সমিতিৰ সভাপতি অতুল চন্দ্ৰ শৰ্মা, সম্পাদক দুলাল মহন্তই কামনা কৰিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# যাত্ৰীবাহী বাছেৰে ড্ৰাগছ সৰবৰাহ

থকা এখন যাত্ৰীবাহী বাছৰ পৰা বৃহৎ পৰিমাণৰ ড্ৰাগছসহ দুজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হয়। উল্লেখ্য যে, তিনিচুকীয়াৰ পৰা ছৈখোৱাঘাট অভিমুখী ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে শদিয়া অভিমুখী অৰুণাচল পৰিবহণ নিগমৰ অধীনস্থ এ আৰ এক্স-০৪৮২ নম্বৰৰ এখন যাত্ৰীবাহী বাছত নিষিদ্ধ ড্ৰাগছসহ দুজন ড্ৰাগছ সৰবৰাহকাৰী যোৱাৰ বিষয়ে ধলা আৰক্ষীয়ে লাভ কৰা এক গোপন তথ্যৰ ভিত্তিত অভিযান চলাই ধলাৰ লাফংকলা চাৰিআলিত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ দুজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত দুই ড্ৰাগছ সৰবৰাহকাৰী ক্ৰমে শদিয়াৰ পদুম ফুলা গাঁৱৰ বিশ্বেশ্বৰ বুঢ়াগোহাঁই আৰু ৮ মাইল ৰায় গাঁৱৰ বিক্ৰম শ্বাহ বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে দুই ড্ৰাগছ সৰবৰাহকাৰীৰ পৰা প্ৰায় ৬৮ গ্ৰাম সন্দেহজনক হেৰ'ইন জব্দ কৰে। আৰক্ষীৰ জালত পৰা ধৃত দুই ড্ৰাগছ সৰবৰাহকাৰীৰ ভাষ্য অনুসৰি তেওঁলোকে এই ড্ৰাগছখিনি ডিমাপুৰৰ পৰা শদিয়ালৈ আনিছিল। আৰক্ষীৰ এটা বিশেষ সূত্ৰই জানিবলৈ দিছে এই কথা।

# আলোপতিত ব্যৱসায়ী কংগ্ৰেছৰ কৰ্মীৰ উদ্যোগত ইফটাৰ

**ই-সংবাদ, নগৰবেৰা, ১৩ মাৰ্চঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত ২৫৮ /১নং আলোপতি প্ৰাথমিক বিদ্যালয় খেলপথাৰ প্ৰাংগণত আজি বিশিষ্ট ব্যৱসায়ী তথা যুৱ কংগ্ৰেছকৰ্মী আবু তাহেৰ আৰু জিলা পৰিষদৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী আব্দুল লতিফ সৰকাৰৰ উদ্যোগত সমূহীয়া ইফটাৰ মেহফিল আয়োজন কৰে। ইফটাৰ পাৰ্টিৰ পূৰ্বে সৌকাতুল ইছলামে পৰিচালনা কৰা এক সম্বৰ্ধনা সভাত নৱ নিযুক্ত চেঙা ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি আবু শ্বামা আহমেদ, আব্দুল লতিফ সৰকাৰৰ লগতে কেবাজনো ব্যক্তিক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। ইফটাৰ পাৰ্টিত উপস্থিত নৱ নিযুক্ত ব্লক সভাপতি আবু শ্বামা আহমেদে সাংবাদিকৰ আগত কয় যে অনাগত দিনত কংগ্ৰেছৰ হাত শক্তিশালী কৰাৰ ক্ষেত্ৰত ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছো। তেওঁ কয় যে আগন্তুক পঞ্চায়ত নিৰ্বাচনত নিশ্চিতভাৱে কংগ্ৰেছে ভাল ফলাফল লাভ কৰিবলৈ সক্ষম হ'ব। ইফটাৰ পাৰ্টিত চেঙা ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি আবু শ্বামা আহমেদ, খোলাবান্ধা জিলা পৰিষদৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী আব্দুল লতিফ সৰকাৰ, ড০ জাকিৰ হুছেইন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰফিকুল হাছান, বিষয় শিক্ষক গাজী ৰহমান, ড০ ছামচুল আলম ছোৰৱাৰ্দী, সিৰাজুল হক, ছোলেমান আলী, অবিল উদ্দিন আহমেদ আদি কৰি বহুকেইজন দলীয় কৰ্মকৰ্তাৰ লগতে গণ্য মান্য ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে পৱিত্ৰ ৰমজান মাহ উপলক্ষে ইফটাৰ পাৰ্টিৰ আয়োজন কৰা যুৱ নেতা তথা কংগ্ৰেছ কৰ্মী দুজনক উপস্থিত সকলোৱে ধন্যবাদ জ্ঞাপন কৰে।

# তামুলপুৰত স্থানীয় বন্ধৰ দিন ঘোষণা

ই-সংবাদ, তামুলপুৰ, ১৩ মাৰ্চঃ তামুলপুৰ জিলাৰ জিলা দণ্ডাধীশ পংকজ চক্ৰৱৰ্তীয়ে সমাগত হোলী (দৌলযাত্ৰা) উপলক্ষে ভাৰতীয় আইন ব্যৱস্থাৰ এন আই এক্ট, ১৮৮১-ৰ ২৫ নং ধাৰা মতে, অহা ১৫ মাৰ্চৰ দিনটো তামুলপুৰ জিলাত স্থানীয় বন্ধৰ দিন হিচাপে ঘোষণা কৰিছে। উক্ত দিনটোত ৰাজ্য চৰকাৰৰ ৰাজহ আৰু দণ্ডাধিকাৰীয় আদালত, শিক্ষা আৰু বিত্তীয় প্ৰতিষ্ঠান আদি বন্ধ থাকিব। অৱশ্যে যিকোনো জৰুৰী সেৱা, সাক্ষাৎকাৰ, পৰীক্ষা তথা লিখিত পৰীক্ষা আদি চলি থাকিব।

# শ্ৰীশ্যাম ফাগুন মহোৎসৱ উদযাপন

ই-সংবাদ, বৰপেটা ৰোড, ১৩ মাৰ্চঃ [illegible] পৰিবাৰ সেৱা ট্ৰাষ্টৰ উদ্যোগত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীশ্যাম ফাগুন মহোৎসৱ ৰাধা-কৃষ্ণ ঠাকুৰবাৰীত উদযাপন কৰা হয়। কাৰ্যসূচী অনুসৰি ৰাতিপুৱা ৯ বজাত হনুমান মন্দিৰ প্ৰাংগণৰপৰা বৰপেটাৰোড বজাৰেৰে ৰাধা-কৃষ্ণ ঠাকুৰবাৰীলৈ এক নিশান যাত্ৰা উলিওৱা হয়। দুপৰীয়া শ্যাম বাবাক ভোগ অৰ্পণ কৰি ৰাইজৰ মাজত প্ৰসাদ বিতৰণ কৰা হয়। সন্ধিয়া সাত বজাৰপৰা শিলিগুৰিৰ আমন্ত্ৰিত গায়ক ভাতৃ পিয়ুস আৰু আয়ুসে ভক্তিপ্ৰাণ ৰাইজক শ্যাম বাবাৰ ভজনেৰে আপ্লুত কৰে।

# পশ্চিম কাৰ্বি আংলং কৃষি বিভাগৰ উদ্যোগত কৃষক প্ৰশিক্ষণ কাৰ্যসূচী ৰূপায়ণ

**ই-সংবাদ, বৈঠালাংছ', ১৩ মাৰ্চঃ** পাহাৰীয়া জিলা পশ্চিম কাৰ্বি আংলঙৰ জিলা কৃষি বিভাগৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে এক কৃষক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ আমৰেং পৰিষদীয় সমষ্টিৰ জিৰিকিন্দেঙত অনুষ্ঠিত এই প্ৰশিক্ষণ কাৰ্যসূচীত কৃষিবিজ্ঞানী ড০ উৎপল বৰঠাকুৰ আৰু কনিষ্ঠ বিজ্ঞানী হুনমিলি তিমুংপীয়ে প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰশিক্ষণ কাৰ্যসূচীৰ প্ৰথম দিনটোত উদ্যানশস্যৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰাৰ লগতে দ্বিতীয় দিনটোত জুইচ বনোৱা পদ্ধতিৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰা হয়। কাৰ্বি পৰিষদৰ কাৰ্যবাহী সদস্যা ৰীনা তেৰাংপীয়ে শুভ উদ্বোধন কৰা প্ৰশিক্ষণ কাৰ্যসূচীটিৰ আঁত ধৰে জিৰিকিন্দেং পৌৰসভাৰ অধ্যক্ষ ছিং তেৰাঙে। আমৰেং পৰিষদীয় সমষ্টিৰ দুইশতাধিক কৃষকে অংশগ্ৰহণ কৰা প্ৰশিক্ষণটি পৰিচালনা কৰে জিলা কৃষি বিষয়া তপন দত্তই।

# বহু প্ৰতীক্ষাৰ অন্তত আজি শুভাৰম্ভ হ'ল সাপ্তাহিক হাতীজান বজাৰ

**ই-সংবাদ, পুৰণিগুদাম, ১৩ মাৰ্চঃ** নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত পুৰণিগুদামৰ মিকিৰহাট তিনিআলি আৰু গড়মূৰ তিনিআলিৰে যাতায়াত কৰিব পৰাকৈ অৰ্থাৎ দুয়োটা পথেৰে যাত্ৰাৰ মাত্ৰ দুই কিলোমিটাৰ নিলগত শিঙিয়া মিকিৰহাট-হাতীগাঁও ৰিজাৰ্ভত আজি শুভাৰম্ভ কৰা হয় সাপ্তাহিক হাতীজান বজাৰ। লোকবিশ্বাস মতে বহু বছৰৰ পূৰ্বে বন্যহস্তীয়ে পাহাৰৰ পৰা ভৈয়ামলৈ যাতায়াত কৰাৰ ফলত সৃষ্টি হোৱা জানটোৰ নাম লৈ জনপ্ৰিয়তা লাভ কৰা হাতীজান নামেৰে নামাংকিত কৰা হয় বজাৰখন। হাতীগাঁও-কুৰুৱাজান-মুঢ়ানি গাঁৱৰ ৰাইজে স্থানীয় উৎপাদিত সামগ্ৰী বিক্ৰী কৰা, কণ-কণ শিশুক বজাৰ কি, কেনেকৈ উৎপাদিত সামগ্ৰী বিক্ৰী কৰা হয় লগতে অঞ্চলটোক উন্নয়নমুখী কৰাৰ লগতে অঞ্চলটোত বিগত চাৰি-পাঁচ বছৰ কাল ধৰি পৰি ৰোৱা মাটিসমূহত কৃষিকৰ্মত ব্যৱহাৰ কৰি উৎপাদিত সামগ্ৰী নতুন বজাৰখনত বিক্ৰী কৰি নিজকে টনকিয়াল কৰি তোলাৰ মানসেৰে আগ্ৰহী কৰি তুলিবলৈ স্থানীয় ৰাইজৰ একাগ্ৰতা, সাহস, আশাশুধীয়া প্ৰচেষ্টাত গঢ় লৈ উঠা বজাৰখন শুভাৰম্ভ কৰা হয়। পুৰণিগুদাম মণ্ডলৰ সাধাৰণ সম্পাদক কুমুদ ভূঞাই শুভাৰম্ভ কৰা বজাৰখনত ওচৰৰ গাঁৱৰ সৰহসংখ্যক মানুহে নিজে উৎপাদন কৰা কৃষিজাত সামগ্ৰী যেনে সঁৰিয়হ, তিল, তিচি, মৰাপাট, মাটিমাহ, ধান, চাউল, শাক-পাচলি, ফল-মূল আদিৰ লগতে গৰু, ম'হ, ছাগলী, ভেৰা, হাঁহ, পাৰ আদি সাপ্তাহিক বজাৰত বিক্ৰী কৰিব পাৰিব বুলি জানিবলৈ দিয়ে। তদুপৰি স্থানীয়ভাৱে নানাধৰণৰ তৈয়াৰী কাপোৰ, কাঠ আৰু বাঁহ-বেতৰ সামগ্ৰী আদিও বজাৰত বিক্ৰী কৰিব পাৰিব। দীগেন গায়ন আৰু নৰজ্যোতি গায়নে পৰিচালনা কৰা আজিৰ শুভাৰম্ভণি অনুষ্ঠানটিত অৰবিন্দ দাস, জগত বৰা, কমল শইকীয়া, গণেশ বৰা, কমল শইকীয়া, গনেশ শইকীয়া, মুকুল শইকীয়া, অমল পাঠক, খগেন গায়ন, শংকৰ বৰুৱা, গোলাপ গায়ন প্ৰমুখ্যে বহুকেইজন গণ্য মান্য ব্যক্তি উপস্থিত থকাৰ লগতে নিতুল গায়নে এটি দমকল নিজাববীয়াকৈ



দিয়াৰ কথা ব্যক্ত কৰে। অনুষ্ঠানত ক্ৰেতা-বিক্ৰেতাসকলক সাৱলীল ভাষাৰে মত-বিনিময় কৰিবলৈ আহ্বান জনোৱাৰ লগতে আগন্তুক বৃহস্পতিবাৰ অৰ্থাৎ ২০ মাৰ্চত হ'বলগীয়া হাতীজান বজাৰত অঞ্চলবাসী ৰাইজক উপস্থিত হৈ বিক্ৰেতাসকলক সাহস দিবলৈ বজাৰ পৰিচালনা সমিতিয়ে আহ্বান জনাইছে। আজি শুভাৰম্ভণিৰ দিনটোতে প্ৰতিকূল বতৰকো নেওচি বিক্ৰেতাৰ উপস্থিতিৰ সমানুপাতে ক্ৰেতাৰ উপস্থিত দেখি বজাৰ পৰিচালনা সমিতি উৎফুল্লিত হৈ পৰে।

# কৃতী শিক্ষয়িত্ৰী মালতী দেৱীক বিদায় সম্বৰ্ধনা

**ই-সংবাদ, ছিপাঝাৰ, ১৩ মাৰ্চঃ** ছিপাঝাৰ শিক্ষাখণ্ডৰ ঘোঁৰাবান্ধা মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত ১৭৭ নং বি জে বালিকা নিম্ন বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী মালতী দেৱীৰ আজি এক ৰাজহুৱা বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত হৈ যায়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰাজীৱ শইকীয়াই আঁতধৰা সভাখনত সভাপতিত্ব কৰে ধূপগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী প্ৰধান শিক্ষক ভৈৰৱ বড়াই। অনুষ্ঠানত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক বঁটাপ্ৰাপ্ত অৱসৰী কৃতী শিক্ষক লোহিত কলিতা, ১৭৭ নং বি জে বালিকা নিম্ন বুনিয়াদী বিদ্যালয়ৰ অৱসৰী ৰাজ্যিক বটাপ্ৰাপ্ত কৃতী শিক্ষয়িত্ৰী চন্দ্ৰবালা দেৱী, অৱসৰী প্ৰধান শিক্ষয়িত্ৰী বকুলী চহৰীয়া, ঢেঁকীপাৰা আৰু ঘোঁৰাবান্ধা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক প্ৰণৱ কুমাৰ ডেকা, লাইলুংপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী শিক্ষক ৰামেশ্বৰ নাথে বিদায়ী শিক্ষয়িত্ৰী মালতী দেৱীৰ কৰ্মজীৱন আৰু কৃতীৰ বিষয়ে বক্তব্য ৰাখে। অনুষ্ঠানত অৱসৰী শিক্ষয়িত্ৰীগৰাকীক বিদ্যালয়ৰ শিক্ষক গোট, বিদ্যালয় পৰিচালনা সমিতি, ছাত্ৰ সংসদ, মাতৃগোটৰ লগতে ঘোঁৰাবান্ধা মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত বিভিন্ন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে শুভাকাংক্ষী ৰাইজে ফুলাম গামোচা, ফুলৰ থোপা, শৰাই, সম্বৰ্ধনা-পত্ৰ, ধৰ্মগ্ৰন্থ, কলম আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ৰিজুৰেখা দেৱীয়ে অৱসৰী শিক্ষয়িত্ৰী মালতী দেৱীৰ কৰ্মজীৱনৰ চমু আলোকপাত কৰে। বিদ্যালয়ৰ ছাত্ৰী জাগৃতি শইকীয়া আৰু ভাস্বতী বৰুৱাই গীত পৰিৱেশন কৰা সভাখনত মালতী দেৱীয়ে আবেগিক ভাষণ আগবঢ়ায়। তেওঁৰ পিছতে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰাজীৱ শইকীয়া আৰু সদস্য যাদৱ শইকীয়ায়ো বক্তব্য ৰাখে। অৱসৰী শিক্ষয়িত্ৰী প্ৰতিভা দেৱী, অনিমা ডেকা, ১ নং পিপিৰাকুচি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক উত্তম কুমাৰ, ঘোঁৰাবান্ধা নিম্ন বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰফুল্ল চহৰীয়া, দক্ষিণ চুবুৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ধনঞ্জয় চহৰীয়াৰ লগতে কেন্দ্ৰটোৰ প্ৰায়সংখ্যক শিক্ষক-শিক্ষয়িত্ৰী থকা অনুষ্ঠানটোৰ অন্তত সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা অভিভাৱকে শোভাযাত্ৰা কৰি তেখেতৰ সাতঘৰীয়া গাঁওস্থিত বাসগৃহলৈ লৈ যায়। বিদায়ী শিক্ষয়িত্ৰীগৰাকীৰ পৰিয়ালৰ তৰফৰপৰা আয়োজিত এক চমু অনুষ্ঠানত অভ্যাগতসকলক গোমাছাৰে আদৰণি জনায়। ছিপাঝাৰ উচ্চতৰ আৰু বহুমুখী বিদ্যালয়ৰ অৱসৰী কৃতী শিক্ষক অৰুণ নাথে পৰিচালনা কৰা অনুষ্ঠানটিত ১৭৭ নং বি জে বালিকা নিম্ন বুনিয়াদী বিদ্যালয়ৰ অৱসৰী শিক্ষয়িত্ৰী ঘৰশুৱা চহৰীয়া, বিদ্যালয়ৰ শিক্ষয়িত্ৰী হেমলতা কলিতা, ৰঞ্জুমনি নাথ, পশ্চিম লোক্ৰাই উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী প্ৰধান শিক্ষক ক্ষীৰেন্দ্ৰ মোহন নাথ, ৰৌতা চাৰিআলি প্ৰাথমিক বিদ্যালয়ৰ অৱসৰী প্ৰধান শিক্ষক কুলেন বড়াই চমু বক্তব্য দিয়ে। বাসগৃহতো শিক্ষয়িত্ৰীগৰাকীক শুভাকাংক্ষী, আত্মীয়-স্বজন সকলোৱে সম্বৰ্ধনা জ্ঞাপন কৰে।

# শ্ৰীশ্যাম ফাগুন মহোৎসৱ উদযাপন



**ই-সংবাদ, বৰপেটাৰোড, ১৩ মাৰ্চঃ** আজি শ্যাম পৰিবাৰ সেৱা ট্ৰাষ্টৰ উদ্যোগত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীশ্যাম ফাগুন মহোৎসৱ ৰাধা-কৃষ্ণ ঠাকুৰবাৰীত উদযাপন কৰা হয়। কাৰ্যসূচী অনুসৰি ৰাতিপুৱা ৯ বজাত হনুমান মন্দিৰ প্ৰাংগণৰপৰা বৰপেটাৰোড বজাৰেৰে ৰাধা-কৃষ্ণ ঠাকুৰবাৰীলৈ এক নিশান যাত্ৰা উলিওৱা হয়। দুপৰীয়া শ্যাম বাবাক ভোগ অৰ্পণ কৰি ৰাইজৰ মাজত প্ৰসাদ বিতৰণ কৰা হয়। সন্ধিয়া সাত বজাৰপৰা শিলিগুৰিৰ আমন্ত্ৰিত গায়ক ভাতৃ পিয়ুস আৰু আয়ুসে ভক্তিপ্ৰাণ ৰাইজক শ্যাম বাবাৰ ভজনেৰে আপ্লুত কৰে।

# তিনিদিনীয়া কাৰ্যসূচীৰে মালঞ্চা সাৰ্বজনীন পালনামৰ আয়োজন

**ই-সংবাদ, নগৰবেৰা, ১৩ মাৰ্চঃ** কামৰূপ জিলাৰ বকো-ছয়গাঁও সমষ্টিৰ অন্তৰ্গত মালঞ্চা জগন্নাথ নামঘৰ প্ৰাংগণত অহা ১৫ মাৰ্চৰপৰা তিনিদিনীয়া কাৰ্যসূচীৰে মালঞ্চা সৰ্ব্বাজনীন পালনাম মহোৎসৱৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ১৫ মাৰ্চত ৰাতিপুৱা ৯ বজাত পালনাম পৰিচালনা কমিটিৰ সভাপতি বিপুল কলিতাই ধৰ্মধ্বজা উত্তোলন কৰাৰ পিছত স্মৃতি তৰ্পণ কৰিব হেমচন্দ্ৰ কলিতা আৰু উৎসৱানন্দ পাঠকে। ইয়াৰ পিছত ৰাতিপুৱা ১০ বজাৰপৰা ক্ৰমে বৃক্ষৰোপণ, সমূহীয়া চাফাই অভিযান, কাৰ্যালয় উন্মোচন আদি কাৰ্যসূচী অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাত ৪৪ গছি বন্তি প্ৰজ্বলন কৰিব বংশীধৰ কলিতা আৰু পূৰ্ণ দাসে। সন্ধিয়া ৬.৩০ বজাৰপৰা নিজ নিজ পদূলিত বন্তি প্ৰজ্বলন, ভাগৱত আনয়ন, ভাগৱত স্থাপন, ভঁৰাল স্থাপন আৰু অধিবাস, প্ৰীতিভোজ আদি কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। পালনাম মহোৎসৱৰ দ্বিতীয় দিনা ১৬ মাৰ্চত ব্ৰহ্মমূৰ্ত্তত ভাগৱত স্থাপন প্ৰসংগ, ২৪ যুগল প্ৰসংগ আৰু অখণ্ড পালনামত মুখ্য পাঠক হিচাপে মহানন্দ পাঠক আৰু পাঠক হিচাপে মানৱ পাঠকৰ লগতে সংগীবৃন্দ উপস্থিত থাকিব। ৰাতিপুৱা ১১ বজাৰপৰা আয়তীসকলৰ নাম-প্ৰসংগ, প্ৰীতিভোজ, আমন্ত্ৰিত মহিলা নামতী দলৰ থিয়নাম পৰিৱেশন, আমন্ত্ৰিত পুৰুষৰ থিয়নাম পৰিৱেশন আদি অনুষ্ঠিত হ'ব। পালনামৰ অন্তিম দিনা অৰ্থাৎ ১৭ মাৰ্চৰ পুৱা ৭ বজাত ভাগৱত ভ্ৰমণ, ১১ বজাত সমূহীয়া প্ৰাৰ্থনা আৰু প্ৰসাদ বিতৰণ, প্ৰীতিভোজ, বিয়লি ৪ বজাত আয়তীসকলৰ নাম অনুষ্ঠিত হ'ব।

# ৰামদিয়াত শ্ৰীশ্ৰী চৈতন্যৰ জন্মোৎসৱ উদযাপন

**ই-সংবাদ, হাজো, ১৩ মাৰ্চঃ** আজিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে কামৰূপ জিলাৰ অন্তৰ্গত ৰামদিয়া বঙালটোলাত উদযাপন কৰা হৈছে শ্ৰীশ্ৰী চৈতন্য মহাপ্ৰভুৰ ৫৪০ সংখ্যক জন্মোৎসৱ আৰু শ্ৰীশ্ৰী চৈতন্য সত্ৰৰ অষ্টপ্ৰহৰ সংকীৰ্তনৰ ৭০ তম্ মহোৎসৱ। আজি পুৱাৰেপৰা পোন্ধৰ মাৰ্চলৈ বিভিন্ন আধ্যাত্মিক কাৰ্যসূচীৰে উদযাপন কৰা হ'ব এই মহোৎসৱ। সেই উপলক্ষে আজি পুৱা পাঁচ বজাত শ্ৰীশ্ৰী চৈতন্যদেৱ একনাম পাৰ্টি, বঙালটোলাই পৰিৱেশন কৰে উষা-কীৰ্তন। ইয়াৰ পিছত পুৱা আঠ বজাত বন্তি প্ৰজ্বলন কৰে জন্মোৎসৱ উদযাপন সমিতিৰ উপ-সভাপতি অখিল চন্দ্ৰ পাঠকে। লগতে পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি ৰজত চন্দ্ৰ ভৰালীয়ে। ইয়াৰ পিছত বিয়লি ভাগত ৰামদিয়া বঙালটোলাস্থিত শ্ৰীশ্ৰী চৈতন্য সত্ৰ প্ৰাংগণৰপৰা এক বিশাল সাংস্কৃতিক শোভাযাত্ৰা উলিয়ায়। এই সাংস্কৃতিক শোভাযাত্ৰা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ৰাজ্যিক বিজেপি অনুসূচিত জাতি মৰ্চাৰ উপ-সভাপতি তথা বিজেপি নেতা প্ৰকাশ দাসে। প্ৰকাশ দাসৰ সৈতে উপস্থিত থাকে হাজো মণ্ডল বিজেপিৰ সভাপতি দিপাঞ্জলী ভৰালী, বিজেপি নেতা দিবাকৰ কলিতাকে আদি কৰি ভালেসংখ্যক ব্যক্তি। ৰামদিয়াৰ বিভিন্ন অঞ্চলৰ মাজেৰে যোৱা এই বিশাল আৰু মনোমোহা সাংস্কৃতিক শোভাযাত্ৰাত অঞ্চলটোৰ হাজাৰৰো অধিক লোকে অংশগ্ৰহণ কৰি পৰিৱেশ উৎসৱমুখৰ কৰি তোলা দেখা যায়।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# নলবাৰীৰ চামতাত মুখ্যমন্ত্ৰী পকীপথ নিৰ্মাণ আঁচনিত দুৰ্নীতি

## চকু মুদা কুলিৰ ভাৰত লোকনিৰ্মাণ বিভাগ

**ই-সংবাদ, চামতা, ১৩ মাৰ্চঃ** নলবাৰী জিলাৰ চামতাৰ শালৈপাৰাৰপৰা বাৰগোপাল থানলৈ যোৱা পথটো নিৰ্মাণৰ বাবে মুখ্যমন্ত্ৰী পকীপথ নিৰ্মাণ আঁচনিত অন্তৰ্ভুক্ত হৈছিল। তথ্য-ফলকত থকা তথ্য মতে, পথটোৰ দৈৰ্ঘ্য ০.৬৬ কিলোমিটাৰ বিপৰীতে পথটো নিৰ্মাণৰ বাবে প্ৰায় ৪৬ লাখ টকা ধাৰ্য্য কৰিছিল। যোৱা ২০২৩ বৰ্ষৰ ১ মে'ত পথটোৰ নিৰ্মাণ কাৰ্য্যৰ শুভাৰম্ভ কৰিছিল আৰু ২০২৪ বৰ্ষৰ ৩০ এপ্ৰিলত পথটো সম্পূৰ্ণ কৰাৰ কথা আছিল যদিও আজি প্ৰায় এবছৰ অতিক্ৰম কৰাৰ পিছতো আজিলৈ সম্পূৰ্ণ নোহোৱাৰ ফলত যমৰ-যাতনা ভুগিব লগা হৈছে গাঁওবাসীৰ লগতে পথচাৰী। ৰাজনৈতিক ক্ষমতাৰ বলত বলিয়ান নিজকে মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ ঘনিষ্ঠ বুলি দম্ভালি মৰি ফুৰা ঠিকাদাৰ দ্বিজেন ডেকাই ৰাইজৰ অভিযোগক কেৰেপ নকৰাৰ লগতে আজিলৈকে নিৰ্মাণ স্থানত উপস্থিত নোহোৱা বুলি ৰাইজে অভিযোগ কৰিছে। আনহাতে, বিভাগীয় কৰ্তৃপক্ষক মৌখিক অভিযোগ কৰাৰ পিছতো কোনোধৰণৰ পদক্ষেপ গ্ৰহণ নকৰা বুলিও কয়। ৰাইজে অভিযোগ কৰি কয় যে লোকনিৰ্মাণ বিভাগৰ বিষয়া-কৰ্মচাৰীসকলেও নিজকে ঠিকাদাৰৰ তলতীয়া কৰ্মচাৰী বুলিহে অনুভৱ কৰে। পথটোৰ ছাইদ বিমক সুৰক্ষিত কৰি ৰখা মাটি নিদিয়াৰ ফলত ছাইদ বিম ভাগি ব্লক ইটা খহি পৰে। পথটো পানীৰে পৰিপক্কও কৰি তোলা নহ'ল। যাৰফলত ঠায়ে ঠায়ে ব্লক ইটা তললৈ বহি যায়। ঠিকাদাৰ দ্বিজেন ডেকাই বিদ্যুতৰ খুঁটা স্থানান্তৰ নকৰাৰ ফলত ভৱিষ্যতে বিপদ যে নিশ্চিত তাক লৈ চিন্তিত পথচাৰি। লোকনিৰ্মাণ বিভাগৰ বিভাগীয় বিষয়া-কৰ্মচাৰীৰ লগত ঠিকাদাৰৰ গোপন বুজাবুজিৰ ফলত এনেকৈ মুকলিকৈ দুৰ্নীতি সংঘটিত কৰিব পাৰিছে দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰ দ্বিজেন ডেকাই। যাৰফলত ৰাইজে যমৰ যাতনাত ভুগিব লগা হৈছে।

# ৰামৰাইকুঠী সত্ৰত দৌলৎসৱৰ মহা আয়োজন

**ই-সংবাদ, গোলকগঞ্জ, ১৩ মাৰ্চঃ** ধুবুৰী জিলাৰ অসম-পশ্চিমবংগ আৰু বাংলাদেশ সীমান্তত অৱস্থিত ঐতিহ্যপূৰ্ণ ৰামৰাইকুঠী সত্ৰত আজিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে দৌলৎসৱৰ শুভাৰম্ভ হয়। আজি গন্ধ উৎসৱ উপলক্ষে পুৱাৰেপৰা স্থানীয় ৰাইজে সত্ৰৰ চৌহদ চাফ-চিকুণ কৰি নতুন ৰূপত সজাই তোলে। নিশা ভকত, আই-মাতৃসকল একত্ৰিত হৈ গন্ধ তেল প্ৰস্তুত কৰে। যুৱকসকলে ঘোষা-কীৰ্ত্তন কৰি দৌল ঘৰৰ চাৰিওফালে বাঁহ স্থাপন কৰি চন্দ্ৰতাপ লগায়। কাইলৈ ভৰদৌল পুৱা গোঁসাইক নাম-কীৰ্ত্তন কৰি দৌলত স্থাপন কৰা হ'ব। দৌলত নাম-প্ৰসংগ আৰু পূজা-অৰ্চনা কৰা হ'ব। গাঁৱৰ ভক্তিপ্ৰাণ ৰাইজ উপস্থিত হৈ গোঁসাইক ফাকুগুৰি দি সেৱা জনাব। যোৱা শনিবাৰে দৌল সুঁৱেৰী উপলক্ষে বিশাল মেলাৰ আয়োজন কৰা হয়। মেলাত অসম-পশ্চিমবংগৰ বহু দূৰদূৰণিৰ পৰা ৰাইজৰ আগমন ঘটে। মেলাৰ অন্তত গোসাঁই ফুৰোৱা উৎসৱ অৰ্থাৎ কলীয়া গোসাঁইক সত্ৰৰ চাৰিহাটীৰ প্ৰতিটো ঘৰে ঘৰে লৈ ফুৰোৱা হ'ব।

---

# গোৰৰাদল লংকাত আয়োজন মনসা পূজাৰ

**ই-সংবাদ, বৰমা, ১৩ মাৰ্চঃ** নলবাৰী জিলাৰ গোৰৰাদল লংকা চুবুৰীত অহা ১৮, ১৯ আৰু ২০ মাৰ্চত তিনিদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্য্যক্ৰমণিকাৰে শ্ৰীশ্ৰী মা মনসা দেৱীৰ পূজা উদযাপনৰ আয়োজন কৰা হৈছে। উক্ত অনুষ্ঠান পৰিচালনা কৰিবৰ কাৰণে গণেশ চন্দ্ৰ হালৈক সভাপতি, ৰমেন বৰ্মনক সাধাৰণ সম্পাদক হিচাপে লৈ এখন উদযাপন সমিতি গঠন কৰা হৈছে। কাৰ্য্যসূচী অনুসৰি ১৮ মাৰ্চ মঙলবাৰে সন্ধিয়া প্ৰতিমা স্থাপন আৰু পূজা উদ্বোধন কৰিব কৈঠালকুছি হাইস্কুলৰ অৱসৰপ্ৰাপ্ত সহঃ প্ৰধান শিক্ষক বিনোদ ভাগৱতীয়ে। সন্ধিয়া ৭ বজাত স্থানীয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান। ১৯ মাৰ্চ বুধবাৰে ৰাতিপুৱা আয়তীৰ পানীতোলা অনুষ্ঠান। ৯ বজাত পূজা আৰম্ভ আৰু ওজাপালি বন্দনা। ১০ বজাত ধৰ্মীয় সভা। সভাত উপস্থিত থাকিব বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফনীভূষণ চৌধুৰী, অসম চৰকাৰৰ পৰ্যটন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, বৰমা বিধানসভা সমষ্টিৰ বিধায়ক ভুপেন বড়ো, বিটিআৰৰ কাৰ্য্যবাহী সদস্য অৰূপ কুমাৰ দে', প্ৰাগ নিউজৰ সম্পাদক দেৱজিৎ ভূঞা, নৱদীপ হাস্পতালৰ অধ্যক্ষ গণেশ তামুলীকে ধৰি বহু বিশিষ্ট লোক। সন্ধিয়া ওজাপালি পৰিৱেশন। ২০ মাৰ্চ বৃহস্পতিবাৰে পুৱা ৯ বজাত শিশুৰ খেল-ধেমালি প্ৰতিযোগিতা। সন্ধিয়া ৬ বজাৰপৰা নাগাৰা নাম পৰিৱেশন কৰা হ'ব।

# নাৰী দিৱস উপলক্ষে তুলুঙীয়াত বিশেষ সজাগতা সভা




**ই-সংবাদ, অভয়াপুৰী, ১৩ মাৰ্চঃ** বঙাইগাঁও জিলাৰ তুলুঙীয়াস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত তথা আভ্যন্তৰীণ অভিযোগ কোষ আৰু ইকুৱেল অপৰছুনিটী কোষৰ সহযোগত আন্তৰ্জাতিক মহিলা দিৱসৰ সৈতে সংগতি ৰাখি যোৱা ১০ মাৰ্চত তুলুঙীয়াৰ শ্ৰীশ্ৰী মা কালী মন্দিৰৰ বাকৰিত উক্ত অঞ্চলৰ মহিলাসকলক লৈ এখন সজাগতা সভাৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যপিকা সান্তনা শইকীয়াই আঁতধৰা অনুষ্ঠানৰ আদৰণি ভাষণ আগবঢ়াই মহাবিদ্যালয়ৰ গণিত বিভাগৰ সহকাৰী অধ্যাপিকা তথা মহিলা কোষৰ সমন্বয়ক ড° অনামিকা শৰ্মাই। সভাত মুখ্য অতিথিৰূপে অভয়াপুৰী সত্ৰ ন্যায়ালয়ৰ অধিবক্তা মুকুতা মজুমদাৰৰ লগতে অধিবক্তা দীপজ্যোতি দাসে নাৰীৰ অধিকাৰ সন্দৰ্ভত বহু তথ্যসমৃদ্ধ ভাষণ আগবঢ়ায়। মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° প্ৰাঞ্জল মৰাং আৰু অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান তথা আভ্যন্তৰীণ অভিযোগ কোষৰ প্ৰিচাইডিং অফিছাৰ ড° বনলতা দাসেও নাৰী দিৱস উদযাপনৰ তাৎপৰ্য সন্দৰ্ভত বক্তব্য দাঙি ধৰে। সভাত মহাবিদ্যালয়ৰ সমাজতত্ব বিভাগৰ সহকাৰী অধ্যাপক অমৰকৃষ্ণ নাৰায়ণৰ পৰিচালনাত আৰু অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান ড° বনলতা দাসৰ নেতৃত্বত ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা নাৰী বিষয়ক এখন ব্যংগ নাটকো প্ৰদৰ্শন কৰা হয়। সভাখনত মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা গায়ত্ৰী হাজৰিকা, ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা সান্তনা শইকীয়া আৰু পৰিসংখ্যা বিভাগৰ সহকাৰী অধ্যাপিকা ড° চুমচুম দলৈয়ে গীত আৰু কবিতাৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰী প্ৰিয়ংকা ৰায়ে প্ৰদৰ্শন কৰা নৃত্যই অনুষ্ঠানটো অধিক জীপাল কৰি তোলে। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়াই অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা বৰ্ণা শৰ্মাই।

# লুইতৰ পাৰত লাচিত ঘাটত 'মহানায়ক মহাৰাজ পৃথু'ৰ বীৰগাথা

■ প্ৰাঞ্জল এ. শৰ্মা

যোৱা ১২ আৰু ১৩ মাৰ্চ, ২০২৫ তাৰিখে অসমৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক সংস্থা 'প্ৰজ্ঞা'ৰ উদ্যোগত গুৱাহাটীৰ ফাঁচিবজাৰস্থিত লাচিত ঘাটত "মহানায়ক মহাৰাজ পৃথু" নাটকখন সহস্ৰাধিক দৰ্শকৰ উপস্থিতিত মঞ্চস্থ কৰা হয়। নতুন প্ৰজন্মক অসম তথা ভাৰতৰ পুৰাতন সভ্যতা,সংস্কৃতি,সংস্কাৰ আৰু ঐতিহ্য পৰম্পৰাৰ প্ৰতি আকৰ্ষিত কৰিবলৈ জন্মলগ্নৰে পৰাই প্ৰজ্ঞাই বিভিন্ন সামাজিক-সংস্কৃতিক কাম কৰি আহিছে।


এই উদ্দেশ্য আগত ৰাখি এইবেলি প্ৰজ্ঞাৰ প্ৰযোজনাত লুইতৰ পাৰত মঞ্চস্থ হৈছে কামৰূপ ৰাজ্যৰ খেল ৰাজ্যৰ ৰজা পৃথুৰ বীৰগাঁথা। ১২০০ শতিকাৰ আগভাগত তুৰ্কী আফগান সেনাপতি বখতিয়াৰ খিলজীৰ বৃহৎ সৈন্যবাহিনীৰ শক্তিৰ বিৰুদ্ধে মহানায়ক মহাৰাজ পৃথুৱে কূটনৈতিক বিচক্ষণতা, ৰণকৌশলেৰে দেখুওৱা বীৰত্বৰ জীয়া কাহিনী এই নাটকত দাঙি ধৰা হৈছে।

এই মহান বীৰৰ জীৱন দৰ্শনৰ মাজেৰে জাতীয় চেতনা উদ্বুদ্ধ কৰাৰ মহাযজ্ঞত আহুতি দিয়াই এই নাট্য অনুশীলনৰ প্ৰাথমিক লক্ষ্য আৰু উদ্দেশ্য বুলি জানিব পৰা গৈছে। বিশিষ্ট নাট্যকাৰ হিল্লোল কুমাৰ পাঠকৰ ৰচনা আৰু অসীম কৃষ্ণ বৰাৰ পৰিকল্পনা আৰু পৰিচালনাৰে নাটকখন ভব্যৰূপত পৰিবেশন



কৰা হয়। নাটখনিৰ প্ৰযোজনা নিয়ন্ত্ৰন কৰে বিশিষ্ট অভিনেতা মন্মথ বৰুৱাই।

নাটকখনিৰ মূল চৰিত্ৰ পৃথুৰ চৰিত্ৰত সুন্দৰ অভিনয় কৰে সুদক্ষ অভিনেতা দিব্যজ্যোতি দাসে। বখতিয়ৰ খিলজীৰ চৰিত্ৰ ৰূপায়ন কৰে প্ৰানজিত প্ৰীতম কলিতাই। আনহাতে নাটখনৰ আন এক গুৰুত্বপূৰ্ণ চৰিত্ৰ কানাই কাকৰ ৰূপত অভিনয় কৰে বিজিত দেৱচৌধুৰীয়ে। পৃথুৰ পাৰিষদ ক্ৰমে ৰায়ৰ চৰিত্ৰত পল ফুকন, ভূঞাৰ চৰিত্ৰত অমিতাভ ৰাজখোৱা, মণ্ডলৰ চৰিত্ৰত মনোজ কুমাৰ দাসে আৰু আলীমেচৰ চৰিত্ৰত অভিনয় কৰে জয়ন্তজিত দাসে। বখতিয়াৰ খিজলীৰ চিপেচালাহৰ চৰিত্ৰত অভিনয় কৰে কাৰ্দিছৰূপী ভবেশ দাস আৰু চোহাদৰপূৰী জ্যোতিস্মান কাশ্যপে। পুৰোহিতৰ চৰিত্ৰত কবিন্দ্ৰ দাস আৰু পুৰোহিতৰ পত্নীৰ চৰিত্ৰত মালা গোস্বামীয়ো সুন্দৰ অভিনয় কৰে। তদুপৰি ভৈৰৱীৰ চৰিত্ৰত অনবদ্য অভিনয় কৰে দীপান্বিতা দাসে। বিৰুবালাৰ চৰিত্ৰত অঞ্জু হাজৰিকা,ৰম্ভাৰ চৰিত্ৰত নিজৰা নমামী গগৈ, বাসবীৰ চৰিত্ৰত বনলতা বৈশ্যই ৰতনৰ চৰিত্ৰত হেমাঙ্গ মহন্ত,মদনৰ চৰিত্ৰত হীৰক জ্যোতি শৰ্মা, পুৰোহিতৰ



চৰিত্ৰত চন্দন বৰুৱাই অভিনয় কৰাৰ উপৰিও প্ৰায় ৫০ গৰাকী অন্য কলা-কুশলীয়ে নৃত্যাংশ আৰু সমৰ দৃশ্যত অভিনয় কৰি নাটকখন উপভোগ্য কৰি তোলে। নাটকখনৰ শীৰ্ষগীতিৰ ৰচনা আৰু পৰিচালনা জিতুল সোনোৱালৰ। নাটখনৰ আবহ সংগীত আৰু সংগীত ব্যৱস্থাপনা মনদীপ মহন্তৰ লগতে বিদ্যাসাগৰ আৰু শৰত ৰাগৰ।

## মাণিক ৰয়ৰ ২৫ সংখ্যক নাট্য ৰচনা আৰু ৪০ সংখ্যক পৰিচালনাৰে

# বালা

## এ মিউজিকেল বেলাড



• ইউ পি ব্ৰডকাষ্ট এণ্ড পাবলিচিটী

**মূলতঃ এখন মিউজিকেল বেলাড 'বালা'ই উপস্থিত প্ৰতিগৰাকী দৰ্শকক মন্ত্ৰমুগ্ধ কৰি তোলে বালাৰ সংগীত মনদীপ মহন্তৰ...**

অসমৰ বিশিষ্ট নাট্যকাৰ,পৰিচালক মানিক ৰয়ে বিগত প্ৰায় তিনি দশক ধৰি অসমৰ নাট্যক্ষেত্ৰখনত বহুকেইটা অনবদ্য প্ৰযোজনাৰে নিজৰ বাবে এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে।

অতি শেহতীয়াকৈ তেঁও সাজু কৰি তোলে তেখেতৰ ২০ সংখ্যক নাট্য ৰচনা 'বালা'। তদুপৰি এই নাটকখন আছিল তেখেতৰ পৰিচালক হিচাপে ৪০ সংখ্যক নাটক। নিজৰ কাহিনী, ডিজাইন আৰু পৰিচালনাৰে মানিক ৰয়ে মঞ্চস্থ কৰা নাটকখনৰ পৰিকল্পনা আৰু কৰিঅ'গ্ৰাফী আছিল অঞ্জনাময়ী শইকীয়াৰ।

মূলতঃ এখন মিউজিকেল বেলাড 'বালা'ই উপস্থিত প্ৰতিগৰাকী দৰ্শকক মন্ত্ৰমুগ্ধ কৰি তোলে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত মঞ্চস্থ হোৱা 'বালা'ৰ সংগীত মনদীপ মহন্তৰ। তেওঁৰ সহযোগী হিচাপে আছিল ৰূপজ্যোতি কোঁৱৰ আৰু জয়ন্ত দেৱনাথ। এই নাটকখনৰ পোহৰ তপন বৰুৱাৰ।

প্ৰায় ২শতাধিক দৰ্শকে উপভোগ কৰা নাটখখনে অসমৰ নাট্যক্ষেত্ৰখনত এক অন্য মাত্ৰা প্ৰদান কৰে বুলি উপস্থিত দৰ্শকসকলে শলাগে।



## ‘আঘোণ’ৰ বিশেষ প্ৰস্তুতি

# কাজিৰঙাত প্ৰথমবাৰ ‘চেছ কাৰ্নিভেল’ৰ মহা আয়োজন

**কাজিৰঙা, ১৩ মাৰ্চঃ** অহা ২২ আৰু ২৩ মাৰ্চত কাজিৰঙাত অনুষ্ঠিত হ'ব দবা খেলৰ এক অভিনৱ আয়োজন, প্ৰথম 'কাজিৰঙা চেছ কাৰ্নিভেল'। কঁহৰাস্থিত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান উচ্চ মাধ্যমিক বিদ্যালয়ত ১০ বছৰৰ অনুৰ্ধ, ১৫ বছৰৰ অনুৰ্ধ আৰু মুকলি শাখাত দুদিনীয়াকৈ এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দবা প্ৰতিযোগিতাৰ লগতে ছাত্ৰ-ছাত্ৰীকলৰ বাবে বিনামূলীয়া দবা কৰ্মশালা, দবা আৰু পৰ্যটন সম্পৰ্কীয় কুইজ, দবা খেলৰ বোলছবি প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে। কাজিৰঙাস্থিত আঘোণ ফাউণ্ডেশ্যনে অসম চেছ ক্লাবৰ সহযোগত প্ৰথম 'কাজিৰঙা চেছ কাৰ্নিভেল'ৰ আয়োজন কৰিছে। প্ৰতিযোগিতাখন তদাৰক কৰিব আন্তঃৰাষ্ট্ৰীয় আৰ্বিটাৰ তথা ভাৰতীয় দলৰ প্ৰাক্তন প্ৰশিক্ষক বিশ্বজিৎ ভৰদ্বাজে। আঘোণ ফাউণ্ডেশ্যনৰ সঞ্চালক অভিজিত গগৈয়ে জানিবলৈ দিয়া মতে প্ৰতিটো শাখাৰ প্ৰথম ৫ গৰাকী বিজয়ীয়ে ১ লাখতকৈ অধিক মূল্যৰ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হ'ব। লগতে থাকিব ট্ৰফি আৰু প্ৰমাণ পত্ৰ। কাৰ্নিভেলৰ প্ৰথম দিনা পুৱা স্থানীয় ছাত্ৰ-ছাত্ৰী সকলৰ বাবে বিনামূলীয়া দবা কৰ্মশালা অনুষ্ঠিত হ'ব। এই কৰ্মশালাত প্ৰতিযোগী সকলেও অংশ ল'ব পাৰিব। বিয়লি ৩ বজাৰ পৰা মূল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ছুইছ লীগ পদ্ধতিত দুটা দিনত মুঠ ৯টা ৰাউণ্ডত প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব। দবা প্ৰতিযোগিতাৰ সমান্তৰাল ভাৱে দবা খেল আৰু অসমৰ পৰ্যটন সম্পৰ্কীয় কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰথম দিনা প্ৰতিযোগিতাৰ ৫টা ৰাউণ্ড অনুষ্ঠিত হ'ব আৰু সন্ধিয়া দবা খেলৰ বোলছবি প্ৰদৰ্শন কৰা হ'ব। দ্বিতীয় দিনা পুৱা ১০ বজাৰ পৰা প্ৰতিযোগিতাৰ ষষ্ঠ ৰাউণ্ড আৰম্ভ হ'ব আৰু দুপৰীয়া ১২ বজাত বিজয়ীসকলক বঁটা প্ৰদান কৰা হ'ব। তিনিটা শাখাত পুৰস্কাৰৰ লগতে থাকিব প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ আৰু কনিষ্ঠতম খেলুৱৈৰ বঁটা। প্ৰতিযোগিতাত যোগদানৰ মাচুল হৈছে ৫০০ টকা আৰু আগ্ৰহী সকলে www.aaghun.com ৱেবছাইটযোগে পঞ্জীয়ন কৰিব পাৰিব। পঞ্জীয়নৰ অন্তিম দিন ১৭ মাৰ্চ। অভিজিত গগৈয়ে কয় যে কাজিৰঙাত এখন বিশ্বমানৰ দাবা প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে যো-জা চলাই থকা হৈছে। "কাজিৰঙাৰ দাঁতি কাষৰীয়া অঞ্চলত দবা খেলৰ প্ৰতি বহু আগ্ৰহী আৰু পাৰদৰ্শী লোক আছে। সকলোৱে এখন মঞ্চ লাভ কৰিব।"



আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত দুৰ্দান্ত প্ৰদৰ্শন অসম সন্তান সোণাৰিৰ মুজিবুৰ আলীৰ

## আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত দুৰ্দান্ত প্ৰদৰ্শন এগৰাকী অসম সন্তানৰ

# ওমান দেশৰ ‘এ’ দলত স্থান লাভ সোণাৰিৰ মুজিবুৰ আলীৰ

**ই-সংবাদ, সোণাৰি, ১৩ মাৰ্চঃ** সোণাৰিৰ দৰে এখন সৰু ঠাইৰ খেলপথাৰত ক্লাব লীগ ক্ৰিকেট খেলা ল'ৰাটো এতিয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটাৰ হৈ পৰিল। সৰুতে সমনীয়াৰ সৈতে ক্ৰীকেট ভালপোৱা ল'ৰাটোৱে চৰাইদেউ জিলাৰ পৰা অসম ক্ৰিকেট দলৰ হৈও খেলাৰ সুযোগ পাইছিল। অসম দলক প্ৰতিনিধিত্ব কৰি ১৪, ১৬, ১৯ আৰু ২৩ বছৰ অনুৰ্ধ্বৰ লগতে ছিনিয়ৰ পৰ্যায়তো ক্ৰিকেট খেলিবলৈ সক্ষম হোৱা ল'ৰাটো এতিয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটাৰ। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট জগতত প্ৰৱেশ কৰা ক্ৰিকেটাৰজন মুজিবুৰ আলী। মুজিবুৰে ইতিমধ্যে বহু কেইখন আন্তঃৰাষ্ট্ৰীয় খেলত অংশগ্ৰহণ কৰি দুৰ্দান্ত প্ৰদৰ্শনেৰে ক্ৰিকেট অনুৰাগীৰ পৰা লাভ কৰিছে প্ৰশংসা। আপুনি হয়তো ভাবিছে কোন এই মুজিবুৰ। ভাৰতীয় দলতটো কোনো মুজিবুৰ আলী নামৰ ক্ৰিকেটাৰ নাই। হয়, আপুনি ঠিকেই ভাবিছে। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত অভিষেক ঘটা মুজিবুৰ আলী হ'ল ওমান ৰাষ্ট্ৰৰ জাতীয় ক্ৰিকেট দলৰ এগৰাকী ক্ৰিকেটাৰ। এসময়ত ৰিয়ান পৰাগৰ সৈতে একেলগে ক্ৰিকেট খেলা মুজিবুৰৰ ঘৰ চৰাইদেউ জিলাৰ সোণাৰিৰ টিয়ক ৰজাবাৰীত। সোণাৰি ৰাজহুৱা খেলপথাৰত ক্ৰিকেটৰ অনুশীলন কৰি জিলা তথা ৰাজ্যিক পৰ্যায়ৰ খেলত পাৰদৰ্শিতা প্ৰদৰ্শন কৰা ক্ৰিকেটাৰজন ২০২২ চনৰ পৰা ওমান ক্ৰিকেট দলৰ সৈতে জড়িত হৈ আছে। ওমানৰ ৰাষ্ট্ৰীয় 'এ' স্থান লাভ কৰিবলৈ হ'বলৈ সক্ষম হোৱা মুজিবুৰে ইতিমধ্যে শ্ৰীলংকা, ভাৰত, বাংলাদেশ, ইউএছএকে ধৰি কেইবাখনো দেশৰ বিৰুদ্ধে ওমান ক্ৰিকেট দলৰ হৈ খেলি দুৰ্দান্ত প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। মন কৰিবলগীয়া যে, ভাৰত উপমহাদেশৰ বহু ক্ৰিকেটাৰে ওমান দেশৰ হৈ খেলিছে। দলটোৰ কেপ্টেইন জিতেন্দৰ সিঙৰ নেতৃত্বত ওমান দলটোত ভাৰতৰ কেইবাগৰাকীও ক্ৰিকেটাৰ লগতে অসমৰ মুজিবুৰ আলীয়ে স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ওমানৰ হৈ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট খেলি আছে বহু কেইজন ভাৰতীয়ই।

# নগাঁৱৰ আন্তঃক্লাব ক্ৰিকেটত এনএফচি স্পৰ্টছ ক্লাব, টাইটানছৰ জয়লাভ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১৩ মাৰ্চঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা আন্তঃক্লাব ক্লাষ্টাৰ-৩ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ছুপাৰ লীগৰ গ্ৰুপ-ডিৰ খেলত এনএফচি স্পৰ্টছ ক্লাবে ব্ৰহ্মপুত্ৰ ইলেভেন ষ্টাৰক ৮ উইকেটত আৰু গ্ৰুপ-চিৰ খেলত টাইটানছ ক্লাবে ৰংমন একাডেমীক ৯ উইকেটত হৰুৱাই সম্পূৰ্ণ পইন্ট অৰ্জন কৰিছে। ইয়াৰে, বিয়লি গ্ৰুপ-ডিৰ খেলখনত ব্ৰহ্মপুত্ৰ ইলেভেন ষ্টাৰ দলটোৱে পোনতে বেট ধৰি জে হক ফকিৰৰ অপৰাজিত-৪৫ আৰু ৰাহুল বৰদলৈৰ-২৮ ৰাণৰ উল্লেখনীয় বৰঙণিৰে ২০ অভাৰত সাতটা উইকেট হেৰুৱাই ১৩১ ৰাণ সংগ্ৰহ কৰে। বলিঙত এন এফ চি স্পৰ্টছ ক্লাবৰহৈ নেকিবুৰ ৰহমান আৰু অধিনায়ক কুড়ুছ আলিয়ে দুটাকৈ তথা চৈয়ব আখটাৰে এটা উইকেট পায়। প্ৰত্যুত্তৰত এন এফ চি স্পৰ্টছ ক্লাবে সমীৰ মাহাতুৰ-৫৮ আৰু চৈয়ব আখটাৰৰ অপৰাজিত-৪২ ৰাণৰ উল্লেখনীয় অৱদানেৰে ১৩.৪ অভাৰতে দুটা উইকেটৰ বিনিময়ত ১৩৩ ৰাণ সংগ্ৰহৰে বিজয়লক্ষ্য অতিক্ৰম কৰে। এই খেলখনত এন এফ চিৰ নেকিবুৰ ৰহমানে দুৰ্দান্ত ফিল্ডিঙেৰে ক্ৰীড়াপ্ৰেমীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। ইপিনে, পুৱাবেলা প্ৰতিকূল বতৰৰ বাবে অভাৰ সীমিত কৰা গ্ৰুপ-চিৰ খেলখনত ৰংমন একাডেমীয়ে পোনতে বেট ধৰি ৫ অভাৰত পাঁচটা উইকেটৰ বিনিময়ত ৩১ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত টাইটানছ ক্লাবে ৪.৩ অভাৰত এটা উইকেটৰ বিনিময়তে ৩২ ৰাণ সংগ্ৰহৰে বিজয় লক্ষ্যত উপনীত হয়।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি